Content includes AI-generated material

হেমাংগৰ পোষ্টাৰ ফালি ৰঙা ঘৰত সুমিত



বিতং বাতৰি ৪নং পৃষ্ঠাত

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

WEDNESDAY, MARCH 19, 2025 ■ বুধবাৰ, ৫ চ'ত, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৮১ Guwahati, Assam ।। মূল্যঃ এটকা

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

৯ মহীয়া বন্দীত্বৰ অন্ত!

## আজি ধৰাত ভৰি থব সুনীতা উইলিয়ামছে



ৱাশ্বিংটন, ১৮ মার্চঃ আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰৰ ৫ পৃষ্ঠাত চাওক

২৬ৰ পূৰ্বে উজনিত যুযুধান ৰূপ আহোম জনগোষ্ঠীৰ

# বিজেপিক ৰুধিবলৈ হুংকাৰ

**ই-সংবাদ, শিৱসাগৰ/গুৱাহাটী, ১৮ মার্চঃ** অসমক ৬০০ বছৰ ৰাজনৈতিকভাৱে নেতৃত্ব প্ৰদান কৰা আৰু সাত ৰাজ মাৰি এক ৰাজ গঢ়া সূত্ৰৰে অসমীয়া জাতি গঠন কৰা টাই আহোম শেষাংশ ২ পৃষ্ঠাত



## অগ্নিগৰ্ভা নাগপুৰ দুই ফৈদৰ সংঘাতত আহত ৩৩ গৰাকী আৰক্ষী, উত্তেজনা

**নাগপুৰ, ১৯ মার্চঃ** এটা উৰাবাতৰি, আৰু নিমিষতে জ্বলি ছাই হোৱাৰ উপক্ৰম ঘটিল সমগ্ৰ চহৰ! সোমবাৰে সন্ধিয়া মহাৰাষ্ট্ৰৰ নাগপুৰ চহৰত প্ৰায় শেষাংশ ৩ পৃষ্ঠাত

## মণিপুৰলৈ যাব ছুপ্ৰিম ক'ৰ্টৰ ন্যায়াধীশৰ দল

**ইম্ফল, ১৮ মার্চঃ** মণিপুৰত হিংসাৰ বলি হোৱা লোকসকলক ৫ পৃষ্ঠাত

## ভূৱনৰ বিৰুদ্ধে মহাভিযোগ! ধেমাজিত কংগ্ৰেছৰ নেতা-কৰ্মীক বাট আগচি ধৰি প্ৰহাৰ দুৰ্বৃত্তৰ



**ই-সংবাদ, ১৮ মার্চঃ** ৰাজ্যৰ মুখ্য বিৰোধী দল কংগ্ৰেছৰ কেইবাগৰাকী নেতাক বৰ্বৰভাৱে দিনৰ পোহৰতে আক্ৰমণ কৰাৰ ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে ৫ পৃষ্ঠাত চাওক

## ৰেওৰেওৱাৰ বিজেপি ত্যাগ

**ই-সংবাদ, কোকৰাঝাৰ ১৮ মার্চঃ** এসময়ৰ প্ৰবল প্ৰতাপী বিপিএফৰ ২ পৃষ্ঠাত চাওক

কলপুলি উভালি উধাই-মূধাই কোব 'আল্লাৰ বান্দা'ক

## ৰোজাৰ মাহত বিধায়ক ছামছুলৰ চৰিল খঙৰ পাৰা

**ই-সংবাদ, ১৮ মার্চঃ** ৰোজাৰ মাহ মানেই ইবাদতৰ মাহ বুলি কোৱা হয়। এই মাহটোত ইছলামধৰ্মীয়ে ধৈৰ্য্য, সংযম, সহনশীলতা, সহিষ্ণুতা শেষাংশ ৩ পৃষ্ঠাত



## গৰ্ভত ভ্ৰূণ! বন্যহস্তীক হত্যা কৰি কাটি নিলে গাৰ মঙহ

**ই-সংবাদ, ১৮ মার্চঃ** ৰাজ্যৰ ৰাজধানী গুৱাহাটীৰ সমীপৰ টোপাতলিত ৪ পৃষ্ঠাত

অসমত 'বিহাৰ দিৱস'!

## তিনিচুকীয়াত অস্তিত্বৰ সংকটত থলগিৰি

**ই-সংবাদ, ১৮ মার্চঃ** বিজেপিৰ দিনত থলুৱা অসমীয়াৰ অস্তিত্ব সংকটত পৰাৰ অভিযোগ উত্থাপন হৈ আহিছে। উত্তৰ ভাৰতীয় সংস্কৃতি হায়াৰ কৰি ২ পৃষ্ঠাত

ৰামকৃষ্ণ মিছনত মুখ্যমন্ত্ৰী

## 'ভাষাই গঢ়িছে বৰাক-ব্ৰহ্মপুত্ৰৰ মাজত সমন্বয়ৰ সাঁকো'

**ই-সংবাদ, ১৮ মার্চঃ** বৰাক উপত্যকা ভ্ৰমণৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰে। শিলচৰৰ ৰামকৃষ্ণ মিছন শেষাংশ ৯ পৃষ্ঠাত

## 'অসমত কিতাপৰ দোকান কম, মদৰ দোকান বেছি'

**ই-সংবাদ, ১৮ মার্চঃ** ৰবিহ ড্ৰাগছে অসমৰ এটা প্ৰজন্মক পংগু কৰিব ওলাইছে। অসমৰ সমাজ ব্যৱস্থাক ভিতৰৰ পৰা কুৰুকি কুৰুকি নিঃশেষ কৰিব ধৰিছে। চহৰ, মফচলীয়া এলেকাৰ এটা প্ৰজন্মক ধ্বংসৰ গঢ়াহলৈ ধাৱমান কৰিছে। এই সময়ত নৰ ৪ পৃষ্ঠাত চাওক



গুৱাহাটীত মাৰাত্মক ড্ৰাগছৰ বিৰুদ্ধে আছুৰ সজাগতা সমদল

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নং-ত যোগাযোগ কৰক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজেপিক ৰুধিবলৈ হুংকাৰ

জনগোষ্ঠীক সকলো প্ৰাপ্যৰ পৰা বঞ্চিত কৰাৰ অভিযোগ উত্থাপন হ'ব ধৰিছে। জনজাতিৰণ, স্বায়ত্ব শাসন, ঐতিহাসিক সমল সংৰক্ষণৰ দাবী পূৰণ কৰিম বুলি বিজেপিয়ে প্ৰতিবাৰে নিৰ্বাচনৰ আগত কথা দি কথা নৰখাত পুনৰ জাঙুৰ খাই উঠিছে টাই-আহোম জনগোষ্ঠী। পঞ্চায়ত আৰু বিধানসভাৰ নিৰ্বাচনৰ পূৰ্বে শাসকীয় বিজেপিৰ বিৰুদ্ধে এঘৰী যুঁজিবলৈ সাজু হৈছে আহোম জনগোষ্ঠী। নিৰ্বাচনৰ পূৰ্বে ললীপপ দি নিৰ্বাচনী বৈতৰণী পাৰ হে পিঠি দিয়া বিজেপিক এইবাৰ এসেকা দিবলৈ সাজু হৈছে আহোম জনগোষ্ঠীক প্ৰতিনিধিত্ব কৰা কেইবাটাও সংগঠন। আজি তাৰ উমান পোৱা গ'ল উজনি অসমৰ শিৱসাগৰ জিলাত। বিজেপি আহোম জনগোষ্ঠীক জনজাতিকৰণ কৰাৰ নামত চৰম প্ৰতাৰণা কৰাৰ অভিযোগ উত্থাপন কৰি আজি ৰাজপথ কপাই তোলে কেইবা হাজাৰ আহোম জনগোষ্ঠীৰ লোকে। প্ৰতিটো নিৰ্বাচনৰ সময়ত জনজাতিকৰণৰ টোপ দিয়ে যদিও নিৰ্বাচনৰ পিছত বিষয়টোৰ পৰা মূৰ পোলোকা মৰাত জনগোষ্ঠীটোৰ সংগঠনসমূহৰ ধৈৰ্যৰ বান্ধ ছিঙিবলৈ আৰম্ভ কৰিছে। আজি তাৰে প্ৰতিচ্ছবি দেখা গ'ল ঐতিহাসিক শিৱসাগৰ চহৰত। আহোম জনগোষ্ঠীক জনজাতিকৰণ কৰা আৰু স্বায়ত্ব শাসন প্ৰদানৰ দাবীত শিৱসাগৰৰ ৰাজপথ উত্তাল কৰে সদৌ টাই আহোম যুৱ পৰিষদ চমুকৈ টাইপাই। পৰিষদৰ কেইবা শতাধিক কৰ্মী তথা বিষয়-ববীয়াই 'গণ হুংকাৰ' নামেৰে শিৱসাগৰ চহৰৰ মাজমজিয়াত বিশাল সমদল উলিয়াই। সংগঠনটোৰ বিষয়-ববীয়া তথা কৰ্মীসকলে হাতে হাতে প্লে-কাৰ্ড, বেনাৰ লৈ ৰৰতাল কোবাই জনজাতিকৰণৰ নামত প্ৰতাৰণা বন্ধ কৰক, হিমন্ত বিশ্ব শৰ্মা মিছলীয়া, বিজেপি চৰকাৰ হুঁচিয়াৰ, আমাৰ দাবী ন্যায দাবী আদি শ্ল'গান দি পৰিৱেশ উত্তাল কৰি তোলে। মুক্তিনাথ চাৰিআলিৰ পৰা সমদল উলিয়াই জিলা আয়ুক্তৰ কাৰ্যালয় ঘেৰাও কৰাৰ কথা আছিল যদিও শিৱদৌলৰ সন্মুখতে বাধা দিয়ে আৰক্ষী। ফলত পৰিস্থিতি অধিক উত্তপ্ত হৈ পৰে। আৰক্ষী প্ৰতিবাদকাৰীৰ মাজত সৃষ্টি হয় হতাহতি। প্ৰতিবাদকাৰীসকলে কয় যে এয়া আৰম্ভণিহে। টাইপাৰ সাধাৰণ সম্পাদক দিগন্ত তামুলীয়ে প্ৰতিখন চৰকাৰেই আহোম জনগোষ্ঠীক জনজাতিকৰণৰ নামত চৰম প্ৰতাৰণা কৰি অহা বুলি ক্ষোভ প্ৰকাশ কৰে। তেওঁ কয় যে অসমৰ বিজেপি নেতৃত্বাধীন চৰকাৰে আজিলৈকে সঠিকভাৱে জনজাতিকৰণ সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰৰ ওচৰত প্ৰতিবেদনেই জমা দিয়া নাই। জনজাতিকৰণৰ মৰ্যদা লাভৰ বাবে যিখিনি বৈশিষ্ট লাগে সেইবিলাক আহোম জনগোষ্ঠীৰ আছে। তথাপি চৰকাৰে জনজাতিকৰণৰ বিষয়টো পিছুৱাই আছে চৰকাৰে। আগন্তক বিধানসভা নিৰ্বাচনৰ আগেয়ে জনজাতিকৰণৰ মৰ্যদা প্ৰদান কৰিব লাগিব বুলিও দাবী উত্থাপন কৰে দিগন্ত তামুলীয়ে। জনজাতিকৰণ আৰু স্বায়ত্ব শাসন নিদিয়া পৰ্যন্ত আন্দোলন অধিক তীব্ৰ ৰূপত কৰা হ'ব বুলিও সকীয়াই দিয়ে তামুলীয়ে। এনেদৰে এতিয়া উজনিত বিজেপি বিৰোধী লহৰ উঠিছে। কিন্তু আহোম জনগোষ্ঠীৰ এই প্ৰতিবাদে পৰৱৰ্তী সময়ত কি ৰূপ লয় লক্ষ্যণীয় হ'ব।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰেওৰেওৱাৰ বিজেপি ত্যাগ

নেতা পিছলৈ বিজেপিৰ নেতা তথা বিটিচিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য ৰেওৰেওৱা নাৰ্জীহাৰী আজি বিজেপি দলৰ প্ৰাথমিক সদস্য পদৰ পৰা পদত্যাগ কৰিছে। বিপিএফৰ পৰা বিজেপি গমন কৰা বিটিচিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য তথা বৰ্তমানৰ পাৰিষদ ৰেওৰেওৱা নাৰ্জীহাৰীয়ে বিটিচি নিৰ্বাচনৰ পূৰ্বে বিজেপি দলৰ পৰা পদত্যাগ কৰাত বিজেপিৰ বাবে মোক্ষম আঘাত বুলি বিবেচিত হোৱা নাই যদিও বিষয়টোৱে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। উল্লেখ্য যে কোকৰাঝাৰ জিলাৰ যমদুৱাৰ বিটিচি পৰিষদীয় সমষ্টিৰ নিৰ্বাচিত পাৰিষদ হ'ল ৰেওৰেওৱা নাৰ্জীহাৰী। যোৱা বিটিচি নিৰ্বাচনত বিপিএফ দলৰ হৈ নিৰ্বাচন জিকি পাৰিষদ হোৱা ৰেওৰেওৱা নাৰ্জীহাৰীয়ে পৰৱৰ্তী সময়ত বিপিএফ দলক লেং মাৰি বিজেপি দলত যোগদান কৰে আৰু বিটিচিৰ কাৰ্যবাহী সদস্য পদ লাভ কৰে। কিন্তু যোৱা সাত মাহ মান পূৰ্বে এখন সভাত গপত গঙ্গাটোপ হৈ ৰেওৰেওৱা নাৰ্জীহাৰীয়ে মিত্ৰদল ইউপিপিএলৰ মূৰব্বী তথা বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োক ক্ষুৰাধাৰ সমালোচনা কৰে। মুকলি সভাত প্ৰমোদ বড়োক সমালোচনা কৰাৰ পিছতেই বিষয়টোক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয় আৰু তাৰেই পৰিণতিত ৰেওৰেওৱা নাৰ্জাৰীৰ কাৰ্যবাহী সদস্য পদ কটা যায়। ৰেওৰেওৱা নাৰ্জীহাৰীয়ে কাৰ্যবাহী সদস্য পদ ঘূৰাই পাব বুলি আশা পালি আছিল যদিও পদ ঘূৰাই নোপোৱাত ঢাল তৰোৱালবিহীন নিধিৰাম চৰ্দাৰত পৰিণত হয়। এই সন্দৰ্ভত আজি কোকৰাঝাৰ জিলা বিজেপিৰ সভাপতিলৈ প্ৰেৰণ কৰা পদত্যাগ পত্ৰত ৰেওৰেওৱা নাৰ্জীহাৰীয়ে ব্যক্তিগত, শাৰীৰিক, আধ্যাত্মিক আৰু আৰ্থিক কষ্টৰ বাবে পদত্যাগ কৰা বুলি প্ৰকাশ কৰিছে।বিজেপিৰ প্ৰাথমিক সদস্যপদৰ পৰাৰ পদত্যাগ কৰা বুলি প্ৰকাশ কৰি তেওঁৰ পদত্যাগ গ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছে ৰেওৰেওৱা নাৰ্জীহাৰীয়ে। তদুপৰি দলটোক কাম কৰিবলৈ সুযোগ দিয়াৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰি মুখ্যমন্ত্ৰীৰ নেতৃত্বই তেওঁক অনুপ্ৰাণিত কৰি বিটিআৰৰ জনতাক সেৱা কৰাৰ সুযোগ দিছে বুলি পদত্যাগপত্ৰত মন্তব্য কৰিছে ৰেওৰেওৱা নাৰ্জীহাৰীয়ে। তদুপৰি বিটিচি মিত্ৰজোঁটৰ চৰকাৰৰ প্ৰতি তেওঁৰ সমৰ্থন অব্যাহত থাকিব বুলি পদত্যাগপত্ৰত উল্লেখ কৰিছে। উল্লেখ্য যে নাৰ্জীহাৰীৰ পদত্যাগপত্ৰ ৰাজ্যিক বিজেপিৰ সভাপতি, মুখ্যমন্ত্ৰী, বিটিচি বিধানপৰিষদৰ অধ্যক্ষলৈও প্ৰতিলিপি প্ৰেৰণ কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# তিনিচুকীয়াত অস্তিত্বৰ সংকটত

বিজেপিয়ে অসমৰ সংস্কৃতিক অপসংস্কৃতিলৈ ৰূপান্তৰ কৰিবলৈ প্ৰয়াস কৰাৰ অভিযোগ উত্থাপন হৈ আহিছে। অসমত উত্তৰ ভাৰতৰ বিজতৰীয়া উৎসৱ-পাৰ্বণক অত্যাধিক গুৰুত্ব দিয়াৰ ফলতে একাংশ লোকে এতিয়া অসমীয়াৰ মূৰত উঠি নাচিবলৈহে বাকী আছে। শেহতীয়াকৈ গুৱাহাটীৰ পাথৰ কোৱেৰীত ১০-১২ জনীয়া অনা-অসমীয়া যুৱকৰ দলে থলুৱা চাহৰ হোটেলত আক্ৰমণ কৰি জয়ন্ত তালুকদাৰ নামৰ যুৱকজনৰ লগতে হোটেলৰ কৰ্মচাৰীক বৰ্বৰভাৱে প্ৰহাৰ কৰিছিল। তেনেদৰে ৰাজ্যৰ বিভিন্ন প্ৰান্তত অনা-অসমীয়াৰ দপদপনি বৃদ্ধি পাইছে। তাৰ মাজতে অসমত এগৰাকী প্ৰাক্তন মন্ত্ৰী আৰু ২০২৬ চনত নিৰ্বাচন খেলিবলৈ টিকটৰ দাবীদাৰ নেতাই অসমত বিহাৰ দিৱস পালন কৰিবলৈ প্ৰস্তুতি সম্পূৰ্ণ কৰা পৰিলক্ষিত হৈছে। তিনিচুকীয়াত টিকটৰ দাবীদাৰ সভা-সমিতি কৰি থকা এজন নেতা আৰু প্ৰাক্তন মন্ত্ৰীয়ে বিহাৰ দিৱস পালন কৰিবলৈ সাজু হোৱা বুলি জানিব পাৰ গৈছে। বিষয়টোক লৈ তিনিচুকীয়াত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। তীব্ৰ অস্তিত্বৰ সংকটত পৰা তিনিচুকীয়াৰ থলুৱা লোকসকলে স্বাধিকাৰ খতম হোৱাৰ উপক্ৰম হোৱাৰ সময়তে বিহাৰ দিৱস পালন কৰিব খোজাৰ খবৰে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ইতিমধ্যে সদৌ অসম ছাত্ৰ সন্থাও বিষয়টোক গুৰুত্বসহকাৰে লৈছে। সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সমীৰণ ফুকনে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। সমীৰণ ফুকনে কয় "এগৰাকী পাখি কটা মন্ত্ৰী আৰু এগৰাকী বিধায়ক টিকট প্ৰত্যাশীৰ নেতৃত্বত তিনিচুকীয়া জিলাত বিহাৰ দিৱস উদযাপনৰ কুচ-কাৱাজ। স্পষ্ট কথা- অসমত এনেধৰণৰ কাৰ্যসূচী ৰূপায়ন কৰিবলৈ কাকো দিয়া নহ'ব। অসম কেৱল অসমীয়াৰ। ইয়াত অসম দিৱসহে পালন হ'ব। এনে কাৰ্য সংঘটিত কৰাৰ দুঃসাহস কৰিলে পৰিস্থিতি বিষম হ'ব। সকীয়াই থ'লো।"

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰোজাৰ মাহত বিধায়ক ছামছুলৰ খঙৰ

বৰ্তাই ৰাখে। কিন্তু ৰোজাৰ মাহত আকৌ খঙৰ পাৰা বৃদ্ধিহে হয় বদৰুদ্দিন আজমল আৰু তেওঁৰ ছেলা-চেমুণ্ডাৰ। ৰোজাৰ মাহত খং উঠিলেই থাকিব নোৱাৰা হয় বদৰুদ্দিন আজমল আৰু তেওঁৰ দলৰ নেতাই। দলৰ মুখ্য নেতা বদৰুদ্দিন আজমলৰ দৰেই বদভ্যাস আছে দলৰ নেতা তথা বিধায়কসকলৰ। আচাৰ-ব্যৱহাৰ নজনা সংখ্যালঘুৰ দৰদী দল বুলি দাবী কৰা এআইইউডিএফৰ প্ৰধান বদৰুদ্দিন আজমলে ৰাজহুৱা স্থানত লাগ-বান নোহোৱা কথা কোৱাৰ লগতে খঙৰ ভমকত মানুহক প্ৰহাৰ কৰিবলৈ খেদি অহাৰ দৃশ্য অসমৰ ৰাইজে দেখি আহিছে। সেই আজমলৰ দলৰে বিধায়কে এইবাৰ ৰাজহুৱা স্থানত সকলো সীমা চেৰাই এগৰাকী সাধাৰণ লোকক কলপুলি উঘালি মূৰত উধাই-মুধাই কোব দিয়ে। এই ঘটনা সংঘটিত হৈছে ধুবুৰী জিলাৰ বিলাসীপাৰা পূব সমষ্টিত। বাহিৰ ছুৱাপাতা দৈখোৱা বজাৰত এখন পকী দলঙৰ আধাৰশিলা স্থাপনৰ সময়তে বিলাসীপাৰা পূব সমষ্টিৰ বিধায়ক চামছুল হুদাই গুণ্ডাগিৰী কৰে। সৰু কলপুলি ৰোপণ কৰাৰ লগতে কম দৈৰ্ঘ্যৰ ফিটা লগোৱাত খঙৰ ভমকত বিধায়ক ছামছুলে আইন হাতত তুলি লয়। নিজ হাতেৰে কলপুলি উঘালি এজন লোকক আক্ৰমণ কৰে বিধায়ক হুদাই। তিনিফুটীয়া কলপুলি, ৰঙাৰ ঠাইত গুলপীয়া ফিটা লগোৱাত দলঙৰ আধাৰশিলা স্থাপন কৰিব এৰি বিধায়কৰ কলপুলিৰে কৰ্মচাৰীক প্ৰহাৰ কৰাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বিলাসীপাৰা পূব সমষ্টিৰ বিধায়ক ছামছুল হুদাই আধাৰশিলা স্থাপন কৰিবলৈ গৈ ৰুদ্ৰমূৰ্তি ধৰাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। বাহিৰ ছুৱাপাতা দৈখোৱা বজাৰত পকী দলঙৰ আধাৰশিলা স্থাপন কৰিবলৈ গৈ এই কাণ্ড সংঘটিত কৰে বিধায়ক হুদাই। আধাৰশিলা স্থাপন কৰিবলৈ গৈ বিধায়কজনে দেখে যে কলপুলি দুটা সৰু, কলপুলিত ৰঙা ফিটাৰ সলনি বন্ধা হৈছে গুলপীয়া ফিটা। সেই দৃশ্য দেখিয়েই খং উঠে বিধায়কজনৰ। কাষত থিয় হৈ থকা দলং নিৰ্মাণৰ ঠিকা লাভ কৰা ঠিকাদাৰ অবিনাশ আগৰৱালৰ কৰ্মচাৰীত কলপুলি উঘালি প্ৰহাৰ কৰে। প্ৰথমে ঠিকাদাৰৰ কৰ্মচাৰীক চৰ শোধায়। তাৰ পিছতে কলপুলিৰে প্ৰহাৰ কৰে। ফিটা কাটিবলৈ পোতা কলপুলিৰে ঠিকাদাৰ অবিনাশ আগৰৱালৰ কৰ্মচাৰীক প্ৰহাৰ কৰাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।। অৱশেষত বিধায়কগৰাকীৰ ওচৰত ক্ষমা বিচাৰে ঠিকাদাৰ অৱিনাশ আগৰৱালাই। কিন্তু বিধায়কজনৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিবলৈ ভিন্নজনে দাবী উত্থাপন কৰিছে। এজন নিৰ্দোষী লোকক প্ৰহাৰ কৰা বিধায়ক শীঘ্ৰে ক গ্ৰেপ্তাৰ কৰিবলৈও চৰকাৰক দাবী জনাইছে একাংশ লোকে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# অগ্নিগৰ্ভ নাগপুৰ! দুই ফৈদৰ সংঘাতত

দুঘণ্টা ধৰি অগ্নিগৰ্ভ পৰিস্থিতিৰ হয়। প্ৰথমে ঐতিহাসিক মোগল শাসক ঔৰংজেবৰ সমাধিস্থল আঁতৰোৱাৰ দাবীক লৈ আৰম্ভ হোৱা এই প্ৰতিবাদে ক্ষন্তেকতে হিংসাত্মক ৰূপ ধাৰণ কৰে। বজৰংগ দল আৰু বিশ্ব হিন্দু পৰিষদৰ প্ৰতিবাদৰ মাজতে এক উৰাবাতৰি বিয়পি পৰাত সমগ্ৰ নাগপুৰত হিংসা সংঘটিত হয়। ৰাজপথত আক্ৰমণকাৰীৰ ৰূপ আছিল ভংয়কৰ-পুলিচক লক্ষ্য কৰি লোৱা হৈছিল, বাহনত জুই লগোৱা হৈছিল আৰু অবিৰতভাৱে শিলগুটি নিক্ষেপ কৰা হৈছিল। পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাৰ সময়ত বহু আৰক্ষী জোৱান আহত হয়। এই ঘটনাৰ পিছত মঙলবাৰে নাগপুৰ বিধানসভাত চৰম উত্তেজনা বিয়পি পৰে। এই সমগ্ৰ ঘটনাৰ বিশদ বিৱৰণ দি মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নভিছে কয় যে এই সংঘৰ্ষত ৩৩ জন আৰক্ষী জোৱান আহত হৈছে, য'ত ৩জন ডিচিপি ৰেংকৰ বিষয়াও আছিল। আনকি কুঠাৰেৰেও আক্ৰমণ কৰে এজন আৰক্ষীক। এই পৰ্যন্ত ৫খন এফআইআৰ দাখিল কৰা হৈছে আৰু ১১খন থানা এলেকাত সান্ধ্য আইন জাৰি কৰা হৈছে। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে মহাৰাষ্ট্ৰ ৰাজ্যিক সশস্ত্ৰ আৰক্ষী বাহিনীৰ ৫টা ইউনিট মোতায়েন কৰা হৈছে। নাগপুৰ আৰক্ষীৰ সূত্ৰ অনুসৰি এক উৰাবাতৰিৰ বাবেই এই সংঘৰ্ষ আৰম্ভ হয়। দাবী কৰা হয় যে প্ৰতীকী সমাধিৰ ওপৰত ৰখা কফনত ধৰ্মীয় প্ৰতীক আছিল। এই দাবীৰ সত্যতা পৰীক্ষা নকৰাকৈয়ে উত্তেজনা বিয়পি পৰে আৰু দুয়োটা গোটৰ মাজত সংঘৰ্ষৰ সৃষ্টি হয়। গোটেই নিশাটোত ৮০-১০০ জনীয়া এটা দলে মুকলিকৈ হাতত অস্ত্ৰ লৈ উত্তেজনাৰ সৃষ্টি কৰে। হিংসাত্মক পৰিস্থিতি ইমানেই তীব্ৰ যে একাধিক বাইক, এখন ক্ৰেন, দুখন জেচিবি, আৰু অন্যান্য চাৰিচকীয়া বাহনত জুই লগাই দিয়া হয়। ইফালে, এই সংঘাতক লৈ ৰাজনৈতিক প্ৰতিক্ৰিয়াও তীব্ৰতৰ হৈ পৰিছে। মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী একনাথ শিণ্ডেই এই হিংসাক 'পৰিকল্পিত ষড়যন্ত্ৰ' বুলি অভিহিত কৰি অভিযুক্তক কঠোৰ শাস্তি প্ৰদানৰ আশ্বাস দিয়ে। আনহাতে, শিৱসেনাৰ নেতা সঞ্জয় ৰাউটে পোনপটীয়াকৈ বিজেপি আৰু ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘক আক্ৰমণৰ লক্ষ্য কৰি লৈছে। তেওঁ কয়, "নাগপুৰ আৰএছএছৰ ঘৰ। ফাড়নবিছো ইয়াৰ বাসিন্দা। গতিকে তাত হিংসাত কোনে উচটনি দিছিল? এইটো স্পষ্ট যে এই সংঘৰ্ষ যে পৰিকল্পিত আৰু ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিত।" ইফালে শিৱসেনাৰ উদ্ধৱ গোটৰ সাংসদ প্ৰিয়ংকা চতুৰ্বেদীয়ে এই হিংসাক 'পূৰ্ব পৰিকল্পিত ষড়যন্ত্ৰ' বুলি অভিহিত কৰি মহাৰাষ্ট্ৰ চৰকাৰৰ ভূমিকাক লৈ প্ৰশ্ন উত্থাপন কৰিছে। আনহাতে বিজেপি নেতা মিলিন্দ দেওৱাই নাগৰিকক উৰাবাতৰিত পতিয়ন নাযাবলৈ অনুৰোধ জনাই আৰক্ষীক সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাইছে। আৰক্ষী সূত্ৰই জনোৱা মতে, এই পৰ্যন্ত ৫০ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। প্ৰশাসনে কয় যে এই হিংসাৰ আঁৰৰ প্ৰকৃত কাৰণৰ তদন্ত চলি আছে।

# আগমনিত পৰীক্ষাৰ্থীক চোকা অস্ত্ৰৰে আক্ৰমণ

**ই-সংবাদ, গোলকগঞ্জ, ১৮ মাৰ্চঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ অন্তৰ্গত বেলগুৰিত আজি পুৱা ১১.৩০ বজাত বেলগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পৰীক্ষা দিবলৈ যোৱা এগৰাকী পৰীক্ষাৰ্থীক স্থানীয় একাংশ উদণ্ড ছাত্ৰই চোকা অস্ত্ৰৰে আক্ৰমণ কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, আগমনিৰ জেনিথ জুনিয়ৰ কলেজৰ একাদশ শ্ৰেণীৰ ছাত্ৰ ফিৰদৌচ আলী (১৭) আজি বেলগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পৰীক্ষা দিবলৈ গৈছিল। পূৰ্বতে খাপপিটি থকা একে কলেজৰ সতীৰ্থ পৰীক্ষাৰ্থী তথা মইচা প্ৰথম খণ্ড গাঁৱৰ আয়নাল হকৰ পুত্ৰ মেহেদি ৰহমানে ফিৰদৌচক আটক কৰে। সাধাৰণ কথাত কাজিয়াত লিপ্ত হৈ মেহেদি ৰহমানে ওচৰৰ আন দুগৰাকীক ফোন কৰি মাতি আনি ফিৰদৌচ আলীক চোকা অস্ত্ৰৰে আক্ৰমণ কৰে। চিঞৰ-বাখৰ শুনি স্থানীয় ৰাইজ আগবাঢ়ি অহাত উদণ্ড ছাত্ৰৰ দলটো ফিৰদৌচক এৰি পলায়ন কৰে। স্থানীয় ৰাইজে তেওঁক উদ্ধাৰ কৰি আগমনি সমূহীয়া স্বাস্থ্যকেন্দ্ৰলৈ প্ৰেৰণ কৰে। উল্লেখ্য যে ফিৰদৌচ ভামডাঙা দ্বিতীয় খণ্ড গাঁৱৰ ছায়াদ আলীৰ পুত্ৰ। পৰিয়ালৰ লোকে মেহেদীৰ বিৰুদ্ধে আগমনি থানাত এজাহাৰ দাখিল কৰে। ছাত্ৰ-ছাত্ৰীৰ মাজত বৃদ্ধি পোৱা উচ্ছৃংখলতা সাম্প্ৰতিক সময়ত চিন্তাৰ কাৰণ হৈ পৰিছে। ঘটনাটোক লৈ অঞ্চলটোত প্ৰতিক্ৰিয়া অব্যাহত আছে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘অসমত কিতাপৰ দোকান কম, মদৰ

প্ৰজন্মৰ এটা অংশ শিপাৰ পৰা বিচ্ছিন্ন হৈ ড্ৰাগছ, নিচাজাতীয় সামগ্ৰীক আকোৱালি লৈ তিলতিলকৈ নিজৰ জীৱন ধ্বংস কৰি পেলাইছে। মহাব্যাধি ড্ৰাগছ, নিচাজাতীয় সামগ্ৰী সেৱনৰ ফলত বহু পৰিয়াল ধ্বংস হৈছে। নিতৌ দ্বন্দ্ব, খৰিয়াল, হিংসা, প্ৰতিহিংসাত নিমজ্জিত হৈছে। যৌন ব্যভিচাৰৰ পয়োভৰ ঘটিছে। বৰবিহৰ নিচাৰ পৰা মুক্ত কৰিবলৈ অভিভাৱক, পৰিয়াল, স্বেচ্ছাসেৱী সংস্থা যেনেদৰে সক্ৰিয় হ’ব লাগিছিল তেনেদৰে সক্ৰিয় হোৱা দেখা নাযায়। ফলত এটা প্ৰজন্ম বিপথে পৰিচালিত হোৱাত সমাজ ক্ৰমে বিশৃংখল হৈছে। এই সময়ত সকলোৰে কৰণীয় আছে যদিও ড্ৰাগছৰ দৰে মহাব্যাধিৰ বিৰুদ্ধে জাতীয় দল-সংগঠন সদা নিমাতে আছে। ৰাজ্য চৰকাৰে ড্ৰাগছ বিৰোধী অভিযান অব্যাহত ৰাখিছে যদিও সমাজত জনজাগৰণ অবিহনে এই মহাব্যাধিক নাশ কৰা সহজ নহয়। এই কথা হয়তো কিছু পলমকৈ বুজি পালে জাতীয় সংগঠন সদৌ অসম ছাত্ৰ সন্থা আৰু অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে। শেহতীয়াকৈ যুৱ-ছাত্ৰ পৰিষদে নলবাৰীৰ পৰা ড্ৰাগছৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰিছে। একাংশ লোকে উত্তৰ পূৰৰ মণিপুৰ, নাগালেণ্ড, মিজোৰাম আদি ৰাজ্যৰ পৰা ড্ৰাগছ সৰবৰাহ কৰি অসমৰ নৱ প্ৰজন্মৰ মাজত মেলি দিছে। সেই কথা হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ ড্ৰাগছৰ বিৰুদ্ধে গ্ৰহণ কৰা কঠোৰ স্থিতিত গম পোৱা গৈছে। প্ৰায়ে এই ৰাজ্যকেইখনৰ পৰা সৰবৰাহ কৰা কোটি কোটি টকাৰ ড্ৰাগছ ধৰা পৰে। যুৱ প্ৰজন্মই নিজৰ ভৱিষ্যত তিলতিলকৈ ধ্বংস কৰাত চিন্তিত সদৌ অসম ছাত্ৰ সন্থা। যুৱ প্ৰজন্ম যে ধ্বংসৰ দিশে গতি কৰিছে সেই কথা মৰ্মে মৰ্মে উপলব্ধি কৰি ৰাজ্যত জনজাগৰণ সৃষ্টিৰ প্ৰয়াস কৰিছে আছুৱে। আছুৱে অসমৰ বুকুৰ পৰা ড্ৰাগছ নিৰ্মূল কৰাৰ পণ লৈছে। ড্ৰাগছমুক্ত অসম গঢ়াৰ পণ লৈ আজি সদৌ অসম ছাত্ৰ সন্থাই আজিৰে পৰা কাৰ্যসূচী হাতত লৈছে। আজি আছুৰ আহ্বানত ৰাজপথলৈ হাজাৰ হাজাৰ লোক ওলাই অহা পৰিলক্ষিত হৈছে। আছু, অসম উন্নতি সভা-অসম সেনাৰ আহ্বানত আজি ৰাজ্যৰ প্ৰতিখন জিলা সদৰত ড্ৰাগছ বিৰোধী সজাগতা সমদল উলিয়াই ৰাজপথ কপাই তোলে আছুৱে। আছু, অসম উন্নতি সভা আৰু অসম সেনাৰ জিলা সমিতিসমূহৰ আহ্বানত বিভিন্ন আঞ্চলিক সমিতিৰ পৰা হাজাৰ হাজাৰ লোকে হাতে হাতে বেনাৰ পোষ্টাৰ লৈ সমদল উলিয়াই। আছুৰ লগতে বিভিন্ন জনগোষ্ঠীয় সংগঠন, আছা, আগছু, বিভিন্ন মহিলা সংগঠন, স্বেচ্ছাসেৱী সংস্থা, সাংবাদিক, ছাত্ৰ-ছাত্ৰীয়ে সমদলত অংশ লয়। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে গুৱাহাটী মহানগৰীতো আছুৱে সমদল উলিয়াই। সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ আহ্বানত গুৱাহাটীত ড্ৰাগছ বিৰোধী সজাগতা সমদল উলিওৱা পৰিলক্ষিত হয়। ড্ৰাগছৰ বিৰুদ্ধে সজাগ হওক, চে ন-টু ড্ৰাগছ, ড্ৰাগছ সৰবৰাহ বন্ধ কৰক আদি শ্ল’গানেৰে গুৱাহাটীৰ ৰাজপথ কপাই তোলে আছুৰ নেতা-কৰ্মীয়ে। উজানবজাৰৰ শ্বহীদ ন্যাসৰ পৰা বৃহৎ ৰেলী উলিয়াই আছুৱে ড্ৰাগছ মুক্ত অসম দাবী কৰে। কেইবাখনো কলেজৰ ছাত্ৰ-ছাত্ৰী, মহিলা সংগঠনে এই ৰেলীত অংশ লয়। আছুৰ মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই ড্ৰাগছৰ বিৰুদ্ধে মাতৃ সমাজ, মহিলা সমাজ, শিক্ষক সমাজক সক্ৰিয় ভূমিকা পালন কৰিবলৈ আহ্বান জনাইছে। অসমৰ চহৰে-নগৰে, গাঁৱে-ভূঁৱে নিৰ্দিষ্ট ফলপ্ৰসু কাৰ্যসূচী গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে ভট্টাচাৰ্যই। লগতে মুখ্য উপদেষ্টাগৰাকীয়ে কয় যে আমি চৰকাৰক কৈ আছো। চৰকাৰে ব্যৱস্থা লওক। লগতে আছুৱে এই অভিযান ব্যাপক ভাৱে, সুনিৰ্দিষ্টভাৱে আগুৱাই নিব। নতুন প্ৰজন্মৰ সুৰক্ষিত ভৱিষ্যত, অসমৰ সুৰক্ষিত ভৱিষ্যতৰ বাবে এইখন অসমত ড্ৰাগছৰ প্ৰচলন চলিব দিয়া নহ’ব। লগতে চৰকাৰৰ বিৰুদ্ধে ক্ষোভ ব্যক্ত কৰি সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই কয় যে অসমত এতিয়া কিতাপৰ দোকান যিমান তাতকৈ মদৰ দোকান বেছি। ৰাজহ সংগ্ৰহ হ’ব আৰু তাৰ বাবে ব্যাপক মদৰ প্ৰচলন কৰি থাকিব সেয়া মানি লোৱা নহ’ব। নতুন প্ৰজন্মক ধ্বংসৰ মুখলৈ ঠেলি দিয়াৰ এয়া এটা অনিয়ন্ত্ৰিত ব্যৱস্থা। চৰকাৰে নতুন প্ৰজন্মৰ সুৰক্ষিত ভৱিষ্যতৰ বাবে কঠোৰ ব্যৱস্থা ল’বই লাগিব বুলি কয় ভট্টাচাৰ্যই। ফাকুৱাক লৈ ব্যভিচাৰ হোৱাৰ প্ৰসংগ উল্লেখ কৰি ভট্টাচাৰ্যই কয় যে ফাকুৱাৰ সময়ত কিছু ঘটনা সংঘটিত হোৱা আমি দেখিছো। এনে কাণ্ডত আমি চিন্তিত আৰু উদ্বিগ্ন। আছুৰ সভাপতি উৎপল শৰ্মাই কয় যে ড্ৰাগছ মুক্ত অসম আমাৰ লক্ষ্য। চৰকাৰেও ড্ৰাগছ বিৰোধী অভিযান সঁচা অৰ্থত অব্যাহত ৰাখক কেৱল মাত্ৰ চমক সৃষ্টি কৰিবলৈ নহয়। আছু-উন্নতি সভা-অসম সেনাৰ ড্ৰাগছ বিৰোধী অভিযান অব্যাহত থাকিব। উত্তৰ প্ৰজন্মৰ সুৰক্ষিত ভৱিষ্যত সুৰক্ষিত হ’বই লাগিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গৰ্ভত ভ্ৰূণ! বন্যহস্তীক হত্যা কৰি কাটি

ভয়ংকৰ কাণ্ড সংঘটিত হৈছে। এটা গৰ্ভৱতী হাতীক সন্দেহযুক্ত চোৰাং চিকাৰীয়ে হত্যা কৰি মাংস কাটি নিয়াৰ সন্দেহ কৰা হৈছে। আজি গুৱাহাটীৰ অসম-মেঘালয় সীমান্তত গেলিব ধৰা আৰু উৰঁলি যোৱা হাতীৰ মৃতদেহ উদ্ধাৰৰ পিছতে এই সন্দেহ কৰা হৈছে। এজন জ্যেষ্ঠ বিষয়াই এটা ৰাষ্ট্ৰীয় সংবাদ এজেন্সিক জনোৱা মতে, ৰাজ্যৰ ৰাজধানীৰ উপকণ্ঠ এলেকা পূব আম্‌চিকোলা প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চলৰ টোপাটলি গাঁৱত হাতীৰ মৃতদেহটো উদ্ধাৰ হৈছে। মৃতদেহটো পচি গৈছিল আৰু আমি দেখিছিলো যে দেহৰ পৰা মাংস চোৰাং চিকাৰীয়ে কাটি নিছে। অৱশ্যে, ভ্ৰূণটো এতিয়াও মৃত হাতীটোৰ গৰ্ভতে আছে বুলি পিটিআইক কয় বন বিষয়াজনে। প্ৰাথমিক অনুসন্ধান অনুসৰি প্ৰায় ১৫ দিন পূৰ্বে মেঘালয়ৰ পৰা অহা সন্দেহযুক্ত চোৰাং চিকাৰীয়ে হাতীটোক হত্যা কৰিছিল বুলি সন্দেহ কৰা হৈছে। অসমৰ বন বিভাগৰ লোকে কয় যে আমি মেঘালয়ৰ বন বিভাগক অৱগত কৰাত তেওঁলোকে তদন্ত আৰম্ভ কৰিছে। এটা বন্যপ্ৰাণী হত্যাৰ গোচৰ পঞ্জীয়ন কৰি তদন্ত আৰম্ভ কৰিছে অসমৰ বন বিভাগে। বনৰীয়া হাতীৰ এনে কৰুণ মৃত্যুৱে অঞ্চলটোত শোকৰ ছাঁ পেলাইছে।

# বিধায়ক হেমাংগৰ পোষ্টাৰ ফালি ৰঙা ঘৰত সোমাল সুমিত

**ই-সংবাদ, মিৰ্জা/গুৱাহাটী, ১৮ মাৰ্চঃ** বিতৰ্কই লগ নেৰা হৈছে পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়াক। মাহেকে-পষেকে বিতৰ্কত নাম সাঙুৰ খোৱাটো যেন এক নিয়মত পৰিণত হৈছে। শেহতীয়াকৈ ইছলাম ধৰ্মৰ নবীক লৈ মন্তব্য কৰি হিন্দুত্ববাদীৰ ৰোষত পৰিছিল ঠাকুৰীয়া। সমষ্টিত ভূমি কেলেংকাৰী কৰাৰ অভিযোগ আনি বিৰোধীয়ে হেমাংগ ঠাকুৰীয়াক আক্ৰমণ কৰি অহাৰ সময়তে এইবাৰ সুমিত দাস নামৰ এজন যুৱকক গ্ৰেপ্তাৰ কৰাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ঠাকুৰীয়াই সমষ্টিত স্বেচ্ছাচাৰী শাসন চলোৱাৰ অভিযোগ উত্থাপন হৈছে। ছিপাঝাৰৰ বিধায়ক পৰামনন্দ ৰাজবংশীৰ বিৰুদ্ধে প্ৰতিবাদ কৰা দুই ভাতৃক গ্ৰেপ্তাৰৰ প্ৰতিক্ৰিয়া অব্যাহত থকাৰ সময়তে হেমাংগ ঠাকুৰীয়াৰ পোষ্টাৰ ফালি নৈত উটুৱাই দিয়াত মিৰ্জাৰ বটিয়াপাৰাৰ সুমিত দাস নামৰ যুৱকক গ্ৰেপ্তাৰ কৰাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। পলাশবাৰী আৰক্ষী থানাত বিধায়ক হেমাংগ ঠাকুৰীয়াই দাখিল কৰা এজাহাৰৰ ভিত্তিত চুমিত দাস ৰঙা ঘৰৰ আলহী হ’বলগীয়া হয়। জানিব পৰা মতে, মিৰ্জাৰ বটিয়াপাৰাৰ সুমিত দাসে এটা ভিডিঅ’ প্ৰস্তুত কৰিছিল। ভিডিঅ’টোত বিধায়ক হেমাংগ ঠাকুৰীয়াৰ মাতৃৰ নাম লৈ অশ্লীল শব্দ ব্যৱহাৰ কৰা বুলি অভিযোগ আনে ঠাকুৰীয়াই। সুৰাপান কৰি বিধায়কগৰাকীৰ পোষ্টাৰ ফালি নৈত উটুৱাই দিয়া বুলিও অভিযোগ আনিছে। মাতৃৰ বিৰুদ্ধে অশ্লীল শব্দ প্ৰয়োগ কৰি ভিডিঅ’ প্ৰস্তুত কৰাৰ অভিযোগ আনি থানাত এজাহাৰ দাখিল কৰে হেমাংগ ঠাকুৰীয়াই। আৰক্ষীয়ে পলম নকৰাকৈ বটিয়াপাৰাৰ সুমিত দাসক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে আদালতত হাজিৰ কৰাত আদালতে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ভূৱনৰ বিৰুদ্ধে মহাভিযোগ!

ধেমাজি জিলাত। ধেমাজি জিলা যুৱ কংগ্ৰেছৰ সভাপতি ৰহিম পেগু, প্ৰদেশ কংগ্ৰেছৰ এছটি কোষৰ সাধাৰণ সম্পাদক বিক্ৰম ৰামছিয়াৰী, মুৰ্কৰুচেলেং ব্লকৰ সভাপতি তুনিৰাম দলে, বাণীকান্ত দলে, কনকলতা পাটিৰ, ৰশ্মি দলেসহ কেইবাজনো কংগ্ৰেছ কৰ্মীক দুৰ্বৃত্তই আক্ৰমণ কৰাত সমগ্ৰ জিলাখনতে উত্তেজনা বিৰাজ কৰিছে। ধেমাজি জিলাৰ লগতে সমগ্ৰ অসমত কংগ্ৰেছ কৰ্মীসকল ক্ষোভিত হৈ পৰিছে। বিজেপিৰ গুণ্ডা বাহিনীয়ে কংগ্ৰেছ নেতাসকলৰ প্ৰাণ লোৱাৰ প্ৰয়াস কৰাৰ অভিযোগ উঠিছে। এই আক্ৰমণৰ ঘটনা জোনাইৰ বিধায়ক ভূৱন পেগুৰ পৃষ্ঠপোষকতাতে হোৱা বুলিও অভিযোগ কৰিছে ৰাজ্যিক কংগ্ৰেছে। এই সমগ্ৰ ঘটনা কংগ্ৰেছ দলৰ ক্ৰমবৰ্ধমান জনপ্ৰিয়তাৰ বাবেই বিজেপি কৰ্মীয়ে সংঘটিত কৰিছে বুলি অভিযোগ উত্থাপিত হৈছে। কংগ্ৰেছে দোষীক শীঘ্ৰে গ্ৰেপ্তাৰ নকৰিলে ৰাজ্য কঁপোৱাৰ হুংকাৰ প্ৰদান কৰিছে। জোনাই সমষ্টিৰ চিমেন চাপৰি এলেকাত পঞ্চায়তৰ প্ৰস্তুতি সভাত অংশগ্ৰহণ কৰিবলৈ গৈ থকাৰ সময়তে বগৰী চাপৰিত এটা বৃহৎ দুৰ্বৃত্তৰ দলে যিয়ে যেনেকৈ পাৰে তেনেকৈ কংগ্ৰেছৰ নেতা-কৰ্মীক আক্ৰমণ কৰে। দুৰ্বৃত্তৰ দলটোত আছিল প্ৰায় ২০ জনকৈ লোক। কংগ্ৰেছ নেতাসকল এআৰ-০১-এইচ-৯৩৫১ নম্বৰৰ যিখন স্কৰপিঅ' গাড়ী লৈ গৈছিল সেই গাড়ীখন ভাঙি চুৰমাৰ কৰি পেলায়। দুৰ্বৃত্তৰ দলটোত দা-কুঠাৰ, টাঙোন আদি আছিল। দিনৰ পোহৰত প্ৰায় ১১ বজাত এই ঘটনা সংঘটিত হোৱা বুলি জানিবলৈ দিয়ে কংগ্ৰেছে। কংগ্ৰেছে চিমেন চাপৰি আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰিছে। মনমোহন দলে, হিতেশ পেগু, মেঘা দলে, অনুপ দলে, ভৰেশ মিপুন, হেম পেগু, নৱজ্যোতি আৰাক, ভৰত পাটিৰ সহ প্ৰায় ১০ জনীয়া অচিনাক্ত লোকে আক্ৰমণ কৰা বুলি কংগ্ৰেছ দলে দিয়া এজাহাৰত উল্লেখ কৰা হৈছে। এগৰাকী কংগ্ৰেছ নেত্ৰীয়ে কয় যে চিমেন চাপৰিত চিনাকী পৰ্ব আৰু সভা অনুষ্ঠিত কৰাত যুৱ কংগ্ৰেছ, মহিলা কংগ্ৰেছৰ প্ৰতিনিধিসহ এটা দল গৈ আছিল। গণশক্তি আৰু বিজেপি দলে এই কাণ্ড সংঘটিত কৰাৰ অভিযোগ আনি কংগ্ৰেছ নেত্ৰীগৰাকীয়ে কয় যে ভয়ত কম্পমান হৈ থকাৰ বাবে এই আক্ৰমণ কৰিছে। ভূৱন পেগু ভয়ত কম্পমান হৈ আছে। আজিৰ আক্ৰমণে প্ৰমাণ কৰিছে ভূপেন পেগুৰ বেছি দিন নাই। কংগ্ৰেছৰ সভালৈ গৈ থকাৰ সময়তে অতৰ্কিতে আক্ৰমণ কৰাত ৫ জনতকৈ অধিক নেতা-কৰ্মী চিকিৎসালয়ত ভৰ্তি হ'বলগীয়া হয়। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই এই ঘটনাক তীব্ৰ গৰিহণা দিছে। এক বিবৃতিযোগে ভূপেন কুমাৰ বৰাই কংগ্ৰেছ নেতা-কৰ্মীৰ ওপৰত বিজেপিৰ গুণ্ডাবাহিনীৰ ধাৰাবাহিক আতিশায্য আৰু আক্ৰমণ অব্যাহত থকাত গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। বিজেপিৰ একাংশ সমৰ্থকে আইন নিজৰ হাতত লৈ সমগ্ৰ অসমত কংগ্ৰেছ কৰ্মীৰ ওপৰত যিধৰণৰ অত্যাচাৰ চলাইছে এই ঘটনাই অসমত যে গৃহমন্ত্ৰীৰ অস্তিত্ব শূন্য সেই কথাকেই প্ৰমাণ কৰিছে। বিবৃতিত ভূপেন কুমাৰ বৰাই এই অভিযোগ কৰি কয় যে জোনাই সমষ্টিৰ বগৰী চাপৰি এলেকাটোত পঞ্চায়তৰ প্ৰস্তুতি সভাত অংশগ্ৰহণ কৰিবলৈ যোৱা কংগ্ৰেছৰ ৫ জনকৈ নেতা-কৰ্মীক বিজেপিৰ গুণ্ডাবাহিনীয়ে নিৰ্মমভাৱে প্ৰহাৰ কৰি আহত কৰিছে আৰু কংগ্ৰেছ কৰ্মীসকলক ইতিমধ্যে চিকিৎসালয়ত ভৰ্তি কৰিবলগীয়া হৈছে। অসম প্ৰদেশ কংগ্ৰেছৰ এছচি বিভাগৰ সম্পাদক বিক্ৰম ৰামছিয়াৰী, মুককচেলেং ব্লক কংগ্ৰেছৰ সভাপতি তুনিৰাম দলে, ধেমাজি জিলা ব্লক কংগ্ৰেছৰ সভাপতি ৰহিম পেগুকে ধৰি ৫ জন কংগ্ৰেছ নেতা-কৰ্মীক বিজেপিৰ গুণ্ডাবাহিনীয়ে সভা চলি থকাৰ সময়তে নিৰ্মমভাৱে প্ৰহাৰ কৰিছে। অসমৰ মুখ্যমন্ত্ৰী তথা গৃহ বিভাগৰ দায়িত্বত থকা হিমন্ত বিশ্ব শৰ্মা আইন-শৃংখলা নিয়ন্ত্ৰণত যে সম্পূৰ্ণ ব্যৰ্থ সেই কথাকে প্ৰমাণ কৰিছে। অসম আৰক্ষীৰ সঞ্চালকপ্ৰধানো আইন-শৃংখলা পৰিস্থিতি নিয়ন্ত্ৰণত বাৰে বাৰে ব্যৰ্থ হোৱাৰ পৰিপ্ৰেক্ষিততে এতিয়া শাসকীয় বিজেপি দলে কংগ্ৰেছ কৰ্মীসকলক আক্ৰমণৰ লক্ষ্য কৰি আহিছে। ইমানৰ পিছতো পৰিস্থিতি পৰ্যালোচনা কৰাৰ পৰিৱৰ্তে আৰক্ষী সঞ্চাল প্ৰধানে হাত সাৰতি বহি থকাতো চৰম লজ্জাজনক। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই অসম আৰক্ষীৰ এনে পক্ষপাতিত্বমূলক ভূমিকাক তীব্ৰ গৰিহণা দিয়াৰ লগতে কংগ্ৰেছ কৰ্মীসকলক অধিক শক্তিশালীভাৱে আৰু একত্ৰিত হৈ ৰাইজৰ হকে মাত মতাৰ লগতে বিজেপি চৰকাৰৰ অনিয়ম-অনাচাৰৰ বিৰুদ্ধে প্ৰতিবাদ জনাবলৈ আহ্বান জনাইছে। কংগ্ৰেছীৰ ওপৰত আক্ৰমণে ৰাজ্যজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# আজি পৃথিৱী পাবহি সুনীতা উইলিয়ামছ

পৰা পৃথিৱীলৈ ৰাওনা হৈছে ভাৰতীয় মূলৰ মহাকাশচাৰী সুনীতা উইলিয়ামছ আৰু বুচ উইলম'ৰ। যদি সকলো ঠিকে থাকে তেন্তে বুধবাৰে ভাৰতীয় সময় অনুসৰি পুৱা প্ৰায় ৩:৩০ বজাত তেওঁলোকৰ ৰকেট ফ্ল'ৰিডাৰ উপকূলৰ পানীত অৱতৰণ কৰিব। গোটেই পৃথিৱীয়ে তেওঁলোকৰ উভতি অহাৰ বাবে অপেক্ষা কৰি আছে। ইফালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সুনীতা উইলিয়ামছক ভাৰত ভ্ৰমণলৈ আমন্ত্ৰণ জনাইছে। এখন চিঠিত তেওঁ লিখিছে, "আপুনি যিমান মাইল দূৰত নাথাকক কিয়, আপুনি আমাৰ হৃদয়ৰ অতি ওচৰত থাকিব।" তেওঁ লগতে কয় যে এই দেশৰ এগৰাকী বৰ্ণময় কন্যাক যদি আমি নিমন্ত্ৰণ কৰিব পাৰো তেন্তে এই দেশৰ বাবে গৌৰৱৰ বিষয় হ'ব। উল্লেখ্য যে, সুনীতা উইলিয়ামছ আৰু বুচ উইলম'ৰে ২০২৪ চনৰ জুন মাহত মাৰ্কিন সংস্থা ষ্টাৰলাইনৰ ৰকেটত মহাকাশলৈ যাত্ৰা কৰিছিল। পৰিকল্পনা আছিল মাত্ৰ আঠ দিনীয়া অভিযানৰ পিছত সোনকালে উভতি অহা। কিন্তু ৰকেটৰ যান্ত্ৰিক বিজুতিৰ বাবে সেই আঠদিনীয়া যাত্ৰাটো ন মাহৰ দীঘলীয়া বন্দীত্বলৈ পৰিণত হৈ পৰে! অৱশেষত মঙলবাৰে ভাৰতীয় সময় অনুসৰি পুৱা ১০:৩৫ বজাত ইলন মাস্কৰ স্পেচএক্সে প্ৰেৰণ কৰা ফেলকন নাইন ৰকেটত উঠি পৃথিৱীলৈ ৰাওনা হয়। নাছাৰ সূচী অনুসৰি তেওঁলোকৰ ৰকেটে পৃথিৱীৰ কক্ষপথত প্ৰৱেশ কৰি মঙলবাৰে নিশা ৯:১১ বজাত (ভাৰতীয় সময় অনুসৰি নিশা ২:৪১ বজাত) ঘূৰ্ণন আৰম্ভ কৰিব। তাৰ পিছত নিশা ৯:৫৭ বজাত (ভাৰতীয় সময় অনুসৰি পুৱতি নিশা ৩:২৭ বজাত) ফেলকন নাইন কেপচুল লাহে লাহে ফ্ল'ৰিডাৰ উপকূলৰ পানীত অৱতৰণ কৰিব। যদি সকলো পৰিকল্পনা অনুসৰি হয় তেন্তে অভিজ্ঞ মহাকাশচাৰী দুগৰাকী নিৰাপদে পৃথিৱীলৈ উভতি আহিব। দুয়োৰে আগমণক লৈ সকলো অধীৰ হৈ পৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মণিপুৰলৈ যাব ছুপ্ৰিম ক'ৰ্টৰ ন্যায়াধীশৰ

আইনী সাহায্য প্ৰদানৰ বাবে ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণে এক বিশেষ অভিযান আৰম্ভ কৰিব। এই পদক্ষেপৰ অংশ হিচাপে ২২ মাৰ্চত উচ্চতম ন্যায়ালয়ৰ পাঁচজনীয়া ন্যায়াধীশৰ এটা দলে মণিপুৰ ভ্ৰমণ কৰিব। ন্যায়াধীশ বি আৰ গভাই নেতৃত্বাধীন দলটোত থাকিব ন্যায়াধীশ সূৰ্য্যকান্ত, ন্যায়াধীশ বিক্ৰম নাথ, ন্যায়াধীশ কে ভি বিশ্বনাথন আৰু ন্যায়াধীশ কোটিশ্বৰ সিং। এই বিশেষ প্ৰতিনিধি দলটোৱে মণিপুৰৰ হিংসাৰ বলি হোৱা লোকসকলক প্ৰদান কৰা আইনী আৰু মানৱীয় সাহায্যৰ পৰ্যালোচনা কৰিব। ইয়াৰ উপৰিও স্থানচ্যুত লোকৰ সমস্যা সমাধানৰ উপায় আৰু সমাধান বিচাৰি উলিওৱাৰ উপায়ৰ বিষয়েও আলোচনা কৰা হ'ব। চেন্নাইৰ পৰাও এটা চিকিৎসা দল তাত উপস্থিত হ'ব, যিয়ে স্থানীয় ৰাইজৰ চিকিৎসাৰ প্ৰয়োজন অনুসৰি প্ৰয়োজনীয় সেৱা আগবঢ়াব। ইয়াৰ উপৰিও হিংসাত ক্ষতিগ্ৰস্ত বা হেৰুৱাই পেলোৱা সম্পত্তি আৰু ব্যক্তিগত নথি-পত্ৰ উদ্ধাৰৰ বাবেও বিশেষ পদক্ষেপ গ্ৰহণ কৰা হ'ব। ইয়াৰ পূৰ্বে নালছাৰ উদ্যোগত লোক আদালতৰ জৰিয়তে কোটি কোটি গোচৰৰ নিষ্পত্তি হৈছে, যাৰ ফলত জনসাধাৰণে ন্যায় লাভ কৰাত সহায় কৰিছে। কেৱল যোৱা সপ্তাহত লোক আদালতত ২.৫ কোটিতকৈ অধিক গোচৰ নিষ্পত্তি কৰা হৈছে। লক্ষ্যণীয় যে, হিংসাজৰ্জৰ মণিপুৰলৈ বিগত ডেৰ বছৰত অহা নাই প্ৰধানমন্ত্ৰী মোদী।




ৰাজ্যৰ অন্য প্ৰান্তৰ দৰে ওদালগুৰিতো আছুৰ ড্ৰাগছ বিৰোধী সজাগতা সমদল, ফটোঃ ই-সংবাদ, ওদালগুৰি

## সাংসদ ৰকিবুল, মুখ্যমন্ত্ৰীক হত্যাৰ ভাবুকি, এজনক আটক আৰক্ষীৰ

**ই-সংবাদ, গোলকগঞ্জ, ১৮ মাৰ্চঃ** ধুবুৰী লোকসভাৰ সাংসদ ৰকিবুল হুছেইনক হালাকুৰাৰ সোনাখুলিৰ এজন লোকৰ ফেচবুক একাউণ্টৰ পৰা হত্যাৰ ভাবুকি প্ৰদান কৰা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, শেষাংশ ৭ পৃষ্ঠাত

### গুৰু দুজনাৰ নামত বিশেষ ৰে'ল চলাবলৈকো দাবী

## প'ৰ্টেলক নাকী লগোৱাৰ আহ্বান দিলীপৰ

**ই-সংবাদ, ১৮ মাৰ্চঃ** শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ নামত দুখন ৰে'লৰ নামকৰণ কৰি অসমৰ পৰা দিল্লী, অসমৰ পৰা চেন্নাইলৈ চলাচল কৰোৱাৰ দাবী উত্থাপন কৰিছে দৰং-ওদালগুৰিৰ সাংসদ তথা ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই। বিজেপি সাংসদ দিলীপ ডেকাই আজি সদনত এই দাবী উত্থাপন কৰিছে। ২০২৫-২৬ বৰ্ষৰ ৰে'ল মন্ত্ৰালয়ৰ বাজেট সম্পৰ্কত বিতৰ্কৰ শেষাংশ ৯ পৃষ্ঠাত

## কামৰূপ জিলাৰ শিঙিমাৰীত ছাগলীৰ ফাৰ্মত অগ্নিকাণ্ড

**ই-সংবাদ, শুৱালকুছি, ১৮ মাৰ্চঃ** কামৰূপৰ দদৰা আৰক্ষী চকীৰ অন্তৰ্গত শিঙিমাৰী মাজৰ চুপাৰ অজিত বৰ্মনৰ ছাগলী ফাৰ্মত আজি দুপৰীয়া সংঘটিত হোৱা ভয়াবহ অগ্নিকাণ্ডত জীৱন্তে জাহ যায় প্ৰায় শতাধিক ছাগলীসহ ছাগলী শেষাংশ ৮ পৃষ্ঠাত চাওক

## মাজুলীৰ স্বাস্থ্যখণ্ডৰ পয়ালগা ছবি, ৬৭ চিকিৎসক পদৰ খালী ৪৩

### দুৰ্দশাৰ অৱসান বিচাৰি মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ

**ই-সংবাদ, মধ্য মাজুলী, ১৮ মাৰ্চঃ** মাজুলীৰ দৰে এখন পূৰ্ণাংগ জিলাৰ চিকিৎসা সেৱাৰ নামত আচলতে কি চলিছে সেইয়া কৈ থাকিলে যেন অন্তই নপৰিব। মাজুলীৰ পৰা এগৰাকী জনপ্ৰতিনিধি এটা সম্পূৰ্ণ কাৰ্যকালৰ বাবে অসমৰ মুখ্যমন্ত্ৰীৰ আসনত থকাৰ পিছতো আজিকোপতি মাজুলীৰ স্বাস্থ্য খণ্ডৰ উন্নতি সাধন নহল। মাজুলীত এতিয়া চিকিৎসালয়ৰ নামত অটকধুনীয়া কেইটামান বিল্ডিংৰ বাহিৰে চিকিৎসা খণ্ডৰ নামত এটা বৃহৎ শূণ্য বুলি কলেও বঢ়াই কোৱা নহব। মাজুলীৰ বিভিন্ন স্থানত থকা শেষাংশ ৭ পৃষ্ঠাত

## বৈঠালাংছ'ত হাতীৰ আক্ৰমণত যুৱকৰ মৃত্যু

**ই-সংবাদ, বৈঠালাংছ', ১৮ মাৰ্চঃ** পশ্চিম কাৰ্বি আংলং জিলাৰ বৈঠালাংছ' থানাৰ অন্তৰ্গত ছেকছ' আংলঙত কালি বিয়লি ভাগত বনৰীয়া হাতীৰ আক্ৰমণত এজন যুৱক নিহত হয়। নিহত যুৱকজন ছেকছ' আংলঙৰ ছাৰকিৰি ফুৰা শেষাংশ ৮ পৃষ্ঠাত

## প্ৰসিদ্ধ সাহিত্যিক, সমালোচক ভৱানী প্ৰসাদ অধিকাৰীৰ দেহাৱসান, শোক

**ই-সংবাদ, ১৮ মাৰ্চঃ** ৰাজ্যখনৰ প্ৰসিদ্ধ সাহিত্যিক, সমালোচক,শিক্ষাবিদ, গীতিকাৰ, শিক্ষাবিদ, অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰকাশন সচিব, সুদক্ষ সংগঠক অধ্যাপক ভৱানী প্ৰসাদ অধিকাৰীৰ বিয়োগত ৰাজ্য-জুৰি গভীৰ শোকৰ ছাঁ পৰিছে। তেওঁৰ শেষাংশ ৮ পৃষ্ঠাত

## ৰংঘৰৰ বাকৰিৰ বিদ্যুৎ চালিত মটৰৰ জৰিয়তে নিষ্কাষণ পানী, তীব্ৰ প্ৰতিক্ৰিয়া

**ই-সংবাদ, শিৱসাগৰ, ১৮ মাৰ্চঃ** চতুৰ্থ দিনৰ বাবে শিৱসাগৰৰ ঐতিহাসিক ৰংঘৰৰ বাকৰি কৃত্ৰিম বানত ডুব গৈ থকাত ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। কেন্দ্ৰীয় পুৰাতত্ব বিভাগ , শিৱসাগৰ জিলা প্ৰশাসন আৰু ৰংঘৰৰ সৌন্দৰ্যবৰ্ধন প্ৰকল্প নিৰ্মাণকাৰী ঠিকাদাৰী প্ৰতিষ্ঠানৰ গাফিলতি , অদূৰদৰ্শিতাৰ বাবেই চাৰিদিন কৃত্ৰিম বানে প্লাৱিত কৰি ৰাখিছে শেষাংশ ৮ পৃষ্ঠাত

### জামিন আবেদন হ'ল নাকচ

## তেজপুৰৰ জেলতে থাকিব লাগিব মহবুবুল, ক'ৰ্টে নিদিলে সকাহ

**ই-সংবাদ, ১৮ মাৰ্চঃ** ইউএছটিএমৰ আচাৰ্য মহবুবুল হকক গ্ৰেপ্তাৰৰ পাছত ৰাজ্যৰ বিভিন্ন স্থানত তেওঁৰ বিৰুদ্ধে ৰুজু কৰা একাধিক গোচৰৰ চলি আছে বিচাৰ প্ৰক্ৰিয়া। শোণিতপুৰৰ ঢেকিয়াজুলি থানাত তেওঁৰ বিৰুদ্ধে ৰুজু হোৱা এক গোচৰৰ জামিন আবেদন মঙলবাৰে শেষাংশ ৯ পৃষ্ঠাত

## মাজুলী দলঙৰ বাবে ১০১৯ কোটিৰ সংশোধিত ব্যয় অনুমোদন

**ই-সংবাদ, ১৮ মাৰ্চঃ** কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত নিৰ্মীয়মান মাজুলী-যোৰহাট সংযোগী দুই লেনযুক্ত দলংখন সম্পূৰ্ণ কৰাৰ বাবে ১০১৯.১৬ কোটি টকাৰ সংশোধিত ব্যয়ৰ বাবে অনুমোদন জনাইছে। ৬ মাৰ্চত পথ পৰিবহন আৰু ঘাইপথৰ সচিবৰ অধ্যক্ষতাত অনুষ্ঠিত ব্যয় বিত্ত সমিতিয়ে সংশোধিত ব্যয় অনুমোদনৰ অনুমোদন জনাইছে। মাজুলী আৰু যোৰহাটৰ মাজত এক গুৰুত্বপূৰ্ণ সংযোগ ৰাষ্ট্ৰীয়



ঘাইপথত ৬.৮ কিলোমিটাৰ দৈৰ্ঘ্যৰ দলংখন (পেকেজ ২) দীৰ্ঘদিনে নিৰ্মাণ স্থবিৰ হৈ আছে। বিশ্বৰ সৰ্ববৃহৎ নদী দ্বীপ মাজুলীৰ সৈতে যোগাযোগ উন্নত কৰাৰ বাবে দীৰ্ঘদিনীয়া দাবীৰ অন্তত নিৰ্মাণ আৰম্ভ কৰা শেষাংশ ৮ পৃষ্ঠাত

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# মাজুলীৰ স্বাস্থ্যখণ্ডৰ পয়ালগা ছবি

৩১ টা স্বাস্থ্য কল্যাণ কেন্দ্ৰ, পাঁচ উপ স্বাস্থ্য কেন্দ্ৰৰ লগতে মাজুলীৰ মূল চিকিৎসালয় বুলি কলে মাজুলীৰ গড়মূৰ স্থিত শ্ৰী শ্ৰী পীতাম্বৰ দেৱ গোস্বামী জিলা চিকিৎসালয়, ৩০ বিচনা যুক্ত কমলাবাৰী সামূহিক চিকিৎসালয় আৰু জেংৰাইমূখ স্থিত জেংৰাইমূখ আদৰ্শ চিকিৎসালয়েই হৈছে দুই লক্ষতকৈও অধিক জনসাধাৰণৰ স্বাস্থ্যৰ সেৱাৰ ক্ষেত্ৰত একমাত্ৰ ভৰসা। কিন্তু দুৰ্ভাগ্যজনক কথা এয়েই যে মাজুলীৰ স্বাস্থ্য কল্যাণ কেন্দ্ৰ বা উপ-স্বাস্থ্য কেন্দ্ৰত দূৰৰে কথা মাজুলীৰ খোদ জিলা চিকিৎসালয় খনতেই এতিয়া জ্বৰ কাঁহৰ চিকিৎসাৰ বাহিৰে আন চিকিৎসা সেৱা প্ৰদানত যেন একপ্ৰকাৰে ব্যৰ্থ হোৱাৰ দৰেই হৈছে। জিলা চিকিৎসালয় খনত এতিয়া এক্স ৰে'ৰ সুবিধাৰ পৰাও ৰোগী বঞ্চিত হবলগীয়া হৈছে। ইয়াৰ বিপৰীতে এক্স ৰে' মেচিন বেয়া বুলিহে এখন ফলক চিকিৎসালয়খনত আঁৰি থোৱা আছে। ইফালে আল্টাচাইণ্ড মেচিনৰ অপাৰেটৰ আৰু ৰেডিঅ'লজিষ্টৰ অভাৱৰ লগতে চিকিৎসালয় খনৰ ৬৭ টা চিকিৎসকৰ পদৰ বিপৰীতে ৪৩ টা পদেই খালী হৈ আছে বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে যোৱা ২০২২ বৰ্ষৰ ৬ অক্টোবৰত তেতিয়াৰ স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্তই মাজুলী জিলা চিকিৎসালয়ত উপস্থিত থাকি এগৰাকী অতিৰিক্ত এনাছথেটিকছ, ৰেডিঅলজিষ্ট, জেনেৰেল চাৰ্জাৰী, কাৰ্দিয়ৰ সূচল চিকিৎসা, মেডিকেল কলেজৰ সহযোগত কাৰিকৰী চিকিৎসা সেৱাৰ ব্যৱস্থা শীৰ্ঘেই ব্যৱস্থা কৰাৰ লগতে মন্ত্ৰী গৰাকীয়ে তেতিয়াই এমাহৰ ভিতৰত চিকিৎসালয় খনৰ পৰিৱৰ্তন অনাৰ আশ্বাস প্ৰদান কৰিছিল। ইফালে একেটা বৰ্ষৰ ১৮ ছেপ্টেম্বৰতো মাজুলীৰ তেতিয়াৰ অভিভাৱক মন্ত্ৰী ডাঃ ৰনোজ পেগুৱেও মাজুলীৰ মানুহে যাতে মাজুলীতে গল্ড ব্লাডাৰৰ দৰে অপাৰেচন কৰিব পাৰে তাৰ বাবে প্ৰয়োজনীয় এজন এনাথেচিকলজিষ্ট, এজন জেনেৰেল চাৰ্জন আৰু এগৰাকী ৰেডিঅলজিষ্ট দিয়াৰ ব্যৱস্থা কৰা হ'ব বুলি ঘোষণা কৰি গৈছিল। কিন্তু দুয়োগৰাকী মন্ত্ৰীৰ ঘোষণাৰ আজি তিনিটা বছৰৰ পিছতো ঘোষণাৰ এটা প্ৰতিশ্ৰুতিও কাৰ্যকৰী নহল। আনহাতে চিকিৎসালয় খনত এটা বিভাগৰ বিপৰীতে আন বিভাগত অস্ত্ৰোপচাৰৰ ব্যৱস্থা নথকাৰ লগতে বৰ্তমান সময়ত মাজুলীৰ স্বাস্থ্য বিভাগৰ অধীনত যি তিনিখন নৌকা এম্বুলেঞ্চ আছে ই সম্পূৰ্ণৰূপে বিকল হৈ থকাত এতিয়া ৰোগীৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। মাজুলীত যোৱা লোকসভা নিৰ্বাচনত মুখ্যমন্ত্ৰীয়ে মাজুলীৰ পৰাই নিৰ্বাচনৰ প্ৰচাৰ অভিযান আৰম্ভ কৰি মাজুলীত চিকিৎসা মহাবিদ্যালয় স্থাপনৰ কথা ঘোষণা কৰি গৈছিল যদিও যোৰহাট লোকসভা সমষ্টিতোত বিজেপি প্ৰাৰ্থী পৰাজয় বৰণ কৰাত এতিয়া সেই প্ৰতিশ্ৰুতি যেন অপ্ৰাসংগিক হোৱাৰ দৰেই হ'ল। মাজুলীত চিকিৎসা মহাবিদ্যালয় স্থাপনৰ বাবে ৩ শ বিঘা মাটিৰ অভাৱ বুলি আগন্তুক নিৰ্বাচনত এক অজুহাত দেখাবলৈ শাসকীয় দল ইতিমধ্যে সাজু হোৱা বুলি এক সূত্ৰই জানিবলৈ দিছে। ইফালে মাজুলীৰ চিকিৎসা খণ্ডৰ পয়ালগা ছবিখনে উদ্বিগ্ন কৰি তুলিছে মাজুলীৰ বিভিন্ন দল-সংগঠনক। সাম্প্ৰতিক সময়ত মাজুলীৰ চিকিৎসা খণ্ডৰ পয়ালগা অৱস্থাৰ অৱসান ঘটাই উন্নত চিকিৎসা সেৱাৰ দাবীৰে আজি মাজুলীৰ অতিৰিক্ত উপায়ুক্ত ভৰত কোঁৱৰৰ জড়িয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ,মাজুলী জিলা সমিতিয়ে এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ মাজুলী জিলা সমিতিৰ সভাপতি মুনীন্দ্ৰ ভুঞা আৰু সাধাৰণ সম্পাদক সীমান্ত বৰা স্বাক্ষৰিত স্মাৰক পত্ৰত সংগঠনটোৱে উল্লেখ কৰে যে গড়মূৰ জিলা চিকিৎসালয়ৰ শোচনীয় আন্তঃগাঁঠনিৰ পৰিপ্ৰেক্ষিতত স্বাস্থ্যৰ দিশত মাজুলীবাসী ৰাইজে যথেষ্ট অসুবিধাৰ সন্মুখীন হৈ আহিব লগা হৈছে। মাজুলীৰ প্ৰায় দুইলক্ষ জনসাধাৰণৰ স্বাস্থ্য ও চিকিৎসাৰ ক্ষেত্ৰত একমাত্ৰ ভৰষা গড়মূৰ জিলা চিকিৎসালয়খনিৰ এনে দুৰৱস্থাই বাৰুকৈয়ে বিপাঙত পেলাইছে মাজুলীবাসীক।বিভিন্ন সময়ত মাজুলীবাসীয়ে জিলা চিকিৎসালয়খনিৰ সৰ্বাঙ্গীন উন্নয়ণৰ বাবে আবেদন-নিবেদন বা কাৰ্যসূচী ৰূপায়ণ কৰি চৰকাৰক দাবী জনাই আহিছে যদিও এইক্ষেত্ৰত মাজুলীয়ে সুফল পাবলৈ সক্ষম হোৱা নাই বুলি সংগঠনটোৱে উল্লেখ কৰি মাজুলীৰ দুই লক্ষ জনসাধাৰণৰ বৃহত্তৰ স্বাৰ্থত সমস্যাসমূহৰ শীৰ্ঘেই সমাধান কৰি স্বাস্থ্যখণ্ড উন্নয়ণত বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনায় আৰু অন্যথা মাজুলীৰ দুইলক্ষ জনগণৰ বৃহত্তৰ স্বাৰ্থত আগন্তুক দিনত সংগঠনটোৱে মাজুলীবাসীৰ সহযোগত গণতান্ত্ৰিক কায্যসূচী ৰূপায়ণ কৰিবলৈ বাধ্য থাকিম বুলি উল্লেখ কৰে। স্মাৰক পত্ৰত সংগঠনটোৱে বহুকেইটা দাবী উল্লেখ কৰে। দাবীসমূহৰ ভিতৰত ক্ৰমে বৰ্তমান সময়ত জিলা চিকিৎসালয় খনৰ এক্সৰে মেচিনটো বিকল হৈ আছে। যাৰ ফলত শ শ ৰোগীয়ে এক্সৰে কৰিব নোৱাৰি চিকিৎসাৰ পৰা বঞ্চিত হ'ব লগা হৈছে। সেয়ে উক্ত মেচিনটো শীঘ্ৰে কাৰ্যক্ষম কৰা, জিলা চিকিৎসালয় খনত আল্টাচাইণ্ড মেচিন উপলদ্ধ যদিও দুভাগ্যজনক কথাটো হ'ল ইয়াক ব্যৱহাৰ কৰাবলৈ অপাৰেটৰ আৰু ৰেডিঅ'লজিষ্ট নাই। যাৰবাবে ই পৰিত্যক্ত অৱস্থাত আছে ফলত ৰোগীসকলৰ সমস্যাৰ সৃষ্টি হৈছে। সেয়ে অতি শীঘ্ৰে চিকিৎসালয়খনত অপাৰেটৰ,ৰেডিঅ'লজিষ্ট নিযুক্তি দিবলৈ দাবী জনাইছে। চিকিৎসালয়খনত ৬৭ টা চিকিৎসকৰ পদ আছে যদিও ৪৩ টাই খালী হৈ আছে। উক্ত পদসমূহ শীঘ্ৰে পূৰণ কৰিবলৈ দাবী জনাইছে। ইমান এখন বিয়াগোম জিলা চিকিৎসালয়ত দুভাগ্যজনক এই যে,এটা বিভাগতহে অস্ত্ৰোপ্ৰচাৰ হয়। সেয়ে সকলো বিভাগতে অস্ত্ৰোপ্ৰচাৰৰ ব্যৱস্থা কৰিবলৈ আহ্বান জনোৱা, বৰ্তমান সময়ত মাজুলীৰ স্বাস্থ্য বিভাগৰ অধীনত যি তিনিখন নৌকা এম্বুলেঞ্চ আছে ই সম্পূৰ্ণৰূপে বিকল হৈ আছে। যাৰ পৰিপ্ৰেক্ষিতত তৎকালীনভাৱে ৰেফাৰ দিয়া ৰোগীসমূহ উন্নত চিকিৎসাৰ বাবে যোৰহাটলৈ নিয়াৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি হৈছে। এই সমস্যাৰ পৰা পৰিত্ৰান পোৱাৰ স্বাৰ্থত নৌকা এম্বুলেঞ্চসমূহ শীঘ্ৰে কাৰ্যক্ষম কৰিবলৈ দাবী জনোৱা আৰু চিকিৎসকৰ পৰ্যাপ্ত আৱাস গৃহ নিৰ্মাণৰ ব্যৱস্থা কৰাৰ দাবী উত্থাপন কৰে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# সাংসদ ৰকিবুল, মুখ্যমন্ত্ৰীক হত্যাৰ

কালি হালাকুৰা আৰক্ষী তালাচী চকীৰ অন্তৰ্গত সোনাখুলি প্ৰথম খণ্ড গাঁৱৰ মোস্তাফা আলীৰ পুত্ৰ আনছাৰ আলীৰ ফেচবুক একাউণ্টৰপৰা সাংসদ ৰকিবুল হুছেইনৰ ফেচবুক একাউণ্টৰ কমেণ্ট বক্সত হত্যাৰ ভাবুকি প্ৰদান কৰিছিল। এই সন্দৰ্ভত সাংসদ হুছেইনে দিল্লীৰপৰা ই-মেইল যোগে ধুবুৰী সদৰ থানালৈ এজাহাৰ প্ৰদান কৰে। এজাহাৰ সন্দৰ্ভত গোলকগঞ্জ আৰক্ষী যোগাযোগ কৰাত আনছাৰ আলী নিশাতে গৈ গোলকগঞ্জ থানাত উপস্থিত হয়। গোলকগঞ্জ থানাত তেওঁ এজাহাৰ দিব বিচাৰে যদিও ভাৰপ্ৰাপ্ত বিষয়াই এজাহাৰ হালাকুৰা আৰক্ষী তালাচী চকীত দিয়াৰ পৰামৰ্শ দিয়ে। কোনো অজ্ঞাত লোকে তেওঁৰ নাম আৰু ফটো ব্যৱহাৰ কৰি বিভিন্নজনক ভাবুকি প্ৰদান কৰা বুলি নিশাই আনছাৰ আলীয়ে হালাকুৰা আৰক্ষী চকীত এজাহাৰ দাখিল কৰে। উল্লেখ্য যে যোৱা ২৪ ডিচেম্বৰত একেটা একাউণ্টৰপৰা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক হত্যাৰ ভাবুকি প্ৰদান কৰিছিল। এই সন্দৰ্ভত ২৬ ডিচেম্বৰত গোলকগঞ্জ আৰক্ষীয়ে পুৱা ১০ বজাত যুৱকজনক আটক কৰি থানালৈ নিয়ে। তেওঁ ব্যৱহাৰ কৰা তিনিটাকৈ মোবাইল আৰক্ষীয়ে জব্দ কৰি তদন্ত চলায়। দীৰ্ঘসময় সোধা-পোছাৰ অন্তত মোবাইল তিনিটা জব্দ কৰি নিশা এক বজাত যুৱকজনক এৰি দিয়ে। মোবাইল তিনিওটা আৰক্ষীৰ হাতত জমা থকাৰ সময়তে পুনৰ ১৬ মাৰ্চত একেটা একাউণ্টৰপৰা বিটিআৰৰ কাৰ্যবাহী পৰিষদ সজল সিংহক সামাজিক মাধ্যমত হত্যাৰ ভাবুকি প্ৰদান কৰিছিল। তাৰ পিছদিনা অৰ্থাৎ কালি আকৌ সাংসদ ৰকিবুল হুছেইনক সামাজিক মাধ্যমত হত্যাৰ ভাবুকি প্ৰদান কৰে। ঘটনা সন্দৰ্ভত আনছাৰে এয়া দুষ্ট-চক্ৰৰ কৰ্ম বুলি দাবী কৰে। আৰক্ষীৰ নিৰ্দেশত আনছাৰ আজি পুৱা হালাকুৰা তালাচী চকীত উপস্থিত হয়। পিছত হালাকুৰা আৰক্ষীয়ে তেওঁক গোলকগঞ্জ থানালৈ প্ৰেৰণ কৰে। গোলকগঞ্জ আৰক্ষীয়ে আটক কৰি সোধা-পোছা অব্যাহত ৰাখিছে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# কামৰূপ জিলাৰ শিঙিমাৰীৰ ছাগলী

ফাৰ্মখন। প্ৰাপ্ত তথ্য অনুসৰি, আজি দুপৰীয়া ২ মান বজাত শিঙিমাৰী মাজৰ চুপা নিবাসী খেতিয়ক অজিত দাসৰ ছাগলী ফাৰ্মখনত আকস্মিকভাৱে জুইৰ সূত্ৰপাত ঘটে। নিমিষতে জুয়ে আগুৰি ধৰে ছাগলী ফাৰ্মখনৰ চাৰিওকাষ। ফলত ফাৰ্মখনত থকা শতাধিক ছাগলীৰ লগতে কেইবাটাও হাঁহ-মুৰ্গী জুইত জাহ যায়। স্থানীয় ৰাইজে অগ্নিনিৰ্বাপক বাহিনীক খবৰ দিয়াত ঘটনাস্থলীত অগ্নিনিৰ্বাপক বাহিনী উপস্থিত হৈ স্থানীয় ৰাইজ আৰু দদৰা আৰক্ষীৰ সহযোগত জুই নিৰ্বাপণ কৰে। বাতৰি যুগুত কৰা সময়লৈকে অগ্নিকাণ্ডৰ প্ৰকৃত কাৰণ জানিব পৰা হোৱা নাই যদিও ফাৰ্মখনৰ ওচৰতে জাৱৰৰ দ'মত জুই লগাই দিয়াত তাৰ পৰা ওলোৱা ফিৰিঙতিৰ বাবেই জুইৰ সূত্ৰপাত হোৱা বুলি স্থানীয় ৰাইজে সন্দেহ প্ৰকাশ কৰিছে। কৃষি ফাৰ্মৰ জৰিয়তে জীৱন নিৰ্বাহৰ বাট মুকলি কৰা অজিত বৰ্মনৰ চকুৰ সন্মুখতে সংঘটিত হোৱা এই বিধ্বংসী অগ্নিকাণ্ডত ছাগলীসহ ফাৰ্মখন হেৰুৱাই সম্প্ৰতি তেওঁ শোকত ভাগি পৰিছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# বৈঠালাংছ'ত হাতীৰ আক্ৰমণত যুৱকৰ

(২৮) বুলি জানিব পৰা গৈছে। খবৰ মতে, পশ্চিম কাৰ্বি আংলং জিলাৰ বৈঠালাংছ' থানাৰ অন্তৰ্গত তথা ছেকছ' আংলং খণ্ড বন কাৰ্যালয়ৰ অধীনৰ পাহাৰীয়া অঞ্চলৰবোৰত কিছুদিনৰ পৰা বনৰীয়া হাতীৰ জাকটোৱে উপদ্ৰৱ চলাই আহিছে। ছেকছ' পাহাৰৰ দুৰ্গম অঞ্চলত পকৰা বাঁহ পাৰিবলৈ যোৱাত হাতী জাকটোৰ মুখামুখি হয়। হঠাৎ হাতীৰ জাকটোৱে খেদি আহি গছকি দিয়াত থিতাতে মৃত্যু হয় ছাৰকিৰি ফুৰাৰ। এই ঘটনাৰ পাছতে স্থানীয় ৰাইজ উত্তেজিত হৈ ছেকছ' আংলং বন কাৰ্যালয়টোত অগ্নি সংযোগ কৰি দিয়াত কাৰ্যালয়টো সম্পূৰ্ণৰূপে ভস্মীভূত হয়। ইয়াৰ পাছতো হামৰেণ বন সংমণ্ডলৰ কোনো এজন বিষয়া-কৰ্মচাৰী ঘটনাস্থলীত উপস্থিত হোৱা পৰিলক্ষিত নহ'ল বুলি স্থানীয় ৰাইজে অভিযোগ কৰে। উল্লেখ্য যে প্ৰায় সাতজনীয়া বনৰীয়া হাতীৰ জাকটোৱে বৃহত্তৰ ছেকছ' আংলং অঞ্চলৰ হংক্ৰাম, হাঞ্চে গাঁও, বৰথল, বৰথৈচ' আদি গাঁৱত নিতৌ উপদ্ৰৱ অব্যাহত ৰাখিছে। উল্লেখ্য যে খাদ্যৰ সন্ধানত সংৰক্ষিত বনাঞ্চলৰ পৰা ওলাই অহা বনৰীয়া হাতীৰ জাকটোৱে কৃষি পথাৰৰ লগতে তামোল বাগানত প্ৰৱেশ কৰি বিস্তৰ ক্ষতি সাধন কৰিছে। বিগত সময়ত এই হাতীৰ জাকটোক স্থানীয় ৰাইজে খেদি পঠিয়াবলৈ কেইবাবাৰো চেষ্টা কৰিছিল। কিন্তু হাতীৰ জাকটোৱে মানুহলৈ যি ধৰণে চোঁচা লৈ আহে, সেই ভয়াৱহ পৰিস্থিতিৰ সন্মুখীন হোৱাৰ পাছতো এই ক্ষেত্ৰত বন বিভাগে বনৰীয়া হাতীৰ উপদ্ৰৱ ৰোধ কৰাৰ চেষ্টাৰ পৰা বিৰত আছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ৰংঘৰৰ বাকৰিৰ পানী নিষ্কাষণত

ৰংঘৰৰ চৌহদ। বৰষুণৰ পানী উলাই যোৱা নলা নৰ্দমা সমূহ মাটিৰে পোত গৈ থকা আৰু সমীপৰ মিছাজানেৰেও পানী যাব নোৱাৰা হৈ থকাত এনে বিপদ ৰংঘৰলৈ নামি আহিছে যদিও গা লৰা নাই সংশ্লিষ্ট বিভাগৰ। ইপিনে ৰংঘৰৰ চৌহদৰ কৃত্ৰিম পানী নিষ্কাসনৰ বাবে আজি নিশা ব্যৱহাৰ কৰিছে ইলেক্ট্ৰিক মটৰ ৱাটাৰ পাম্প। এটা সৰু বিদ্যুৎ চালিত মটৰেৰে পানী ৰংঘৰৰ বাকৰিৰ পৰা নলালৈ উলিয়াই দিছে। ৰংঘৰৰ সৌন্দৰ্যবৰ্ধন প্ৰকল্প নিৰ্মাণকাৰী ঔম ঠিকাদাৰ প্ৰতিষ্ঠানে কেইগৰাকীমান শ্ৰমিক নিয়োগ কৰি মটৰেৰে পানী বাহিৰ কৰি আছে যদিও এয়া স্থায়ী সমাধান নহয়। বৰষুণ দিলেই পুনৰ কৃত্ৰিম বানত ডুব যাব ৰংঘৰৰ চৌহদ। এনেধৰণৰ আভুৱা ভৰা কাম কৰাতকৈ ৰংঘৰক কৃত্ৰিম বান মুক্ত কৰিবলৈ সংশ্লিষ্ট বিভাগক সময় থাকোতেই ব্যৱস্থা লোৱাৰ লগতে স্থায়ী সমাধানৰ দাবী জনাইছে সচেতন মহলে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# প্ৰসিদ্ধ সাহিত্যিক, সমালোচক ভৱানী

আকস্মিক বিয়োগে অসমৰ ভাষা-সাহিত্যৰ বাবে এক অপূৰণীয় ক্ষতি বুলি সকলোৱে একেমুখে কৈছে। এক শোক-বাৰ্তাত বহুভাষিক সাহিত্য মঞ্চ, অসম চমুকৈ 'বহুবাক'ৰ প্ৰধান সম্পাদক দীপক শৰ্মাই কয়- " ভৱানী প্ৰসাদ অধিকাৰী চাৰৰ চিন্তা আছিল বিশ্ব জনীন। অসমীয়া সাহিত্যৰ এজন উজ্জ্বল ভোটাতৰা । আজীৱন অসমৰ অসমীয়াৰ প্ৰকৃত উন্নয়ন বিচৰা লোক।" যশস্বী অসমীয়া সাহিত্যৰ পণ্ডিত, গৱেষক, সুবক্তা ভৱানী প্ৰসাদ অধিকাৰীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰে- অসম জনজাতি সাংস্কৃতিক মহাসভাৰ সভাপতি দেৱেন্দ্ৰনাথ বসুমতাৰী, অসম বিধান সভাৰ প্ৰাক্তন অধ্যক্ষ পৃথিবী মাঝি, আকাশবাণী, গুৱাহাটীৰ অৱসৰপ্ৰাপ্ত সঞ্চালক তথা বোলছবি পৰিচালক অৱনী ৰঞ্জন পাঠক, স্বৰ্ণ জয়ন্তী গৰকা সাংস্কৃতিক অনুষ্ঠান "সুৰতীৰ্থ"ৰ সভাপতি চিন্ময় চৌধুৰী আৰু সাধাৰণ সম্পাদক হীৰেণ শৰ্মা, মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱৰ জীৱন-দৰ্শন অধ্যয়ন সমিতি, অসমৰ সভাপতি ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, পূৰ্বোত্তৰ ভাষা কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তাৰিণী কান্ত গোস্বামী, বিষ্ণুপ্ৰিয়া মণিপুৰী সাহিত্য পৰিষদ, অসমৰ সভাপতি দিলস্ লক্ষ্মীন্দ্ৰ সিংহ, নাৰী কল্যাণ মঞ্চ, অসমৰ সচিব প্ৰধান ড০ অসমী গগৈ, অসম সাহিত্য সভাৰ প্ৰাক্তন কোষাধ্যক্ষ কিশোৰ কুমাৰ জৈন আৰু প্ৰাক্তন সহকাৰী সম্পাদক কমল কলিতা, সাংস্কৃতিক অনুষ্ঠান "জ্যোতিৰূপা"ৰ সাধাৰণ সম্পাদক ড০ নৰেন হাজৰিকা, অসম কবি সমাজৰ প্ৰাক্তন সভাপতি ৰমেন কলিতা, নিখিল ৰাভা লেখিকা সমাৰোহ সমিতি,অসমৰ মুখ্য উপদেষ্টা ড০ মলিনা দেৱী ৰাভা, অখিল ভাৰতীয় সাহিত্য পৰিষদৰ গুৱাহাটী জিলা সমিতিৰ সভাপতি নিশুতি মজুমদাৰ, আৰোহণ আৰ্টিষ্ট গীল্ডৰ সভাপতি দিলীপ নাথ, সাহিত্য আলোচনী "সংযোগ"ৰ সম্পাদক প্ৰশান্ত গগৈ,অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কামৰূপ জিলা সমিতিৰ সভাপতি মদন দাস আৰু সম্পাদক বিনোদ কলিতা, সুখ্যাত গীতিকাৰ -কণ্ঠশিল্পী ডিজেন কাকতি, দক্ষিণ কামৰূপ প্ৰেছ ক্লাবৰ উপদেষ্টা কমল চন্দ্ৰ মেধি, অসম শিশু সাহিত্য সমাজ, পৰাগজ্যোতি প্ৰকাশন, স্বেচ্ছাসেৱী সংগঠন "ৰং" আদি দল-সংগঠনে। সকলোৱে একেমুখে কয়- ভৱানী প্ৰসাদ অধিকাৰী বিয়োগে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰাত যথেষ্ট ক্ষতি কৰিলে । সকলোৱে শোক-সন্তপ্ত পৰিয়ালৰ প্ৰতি গভীৰভাৱে সমবেদনা জ্ঞাপন কৰে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# মাজুলী দলঙৰ বাবে ১০১৯ কোটিৰ

হৈছিল যদিও ভিন্ন কাৰণত আজিলৈ দলংখনৰ কাম আগনাবাঢ়িল। এই দলংখন সম্পূৰ্ণ হোৱাৰ ফলত বিশ্বৰ সৰ্ববৃহৎ নদী দ্বীপৰ সংযোগ সহজ হ'ব। মাজুলীৰ আন্তঃগাঁথনি উন্নয়নত এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে চিহ্নিত হ'ব। অৰ্থনৈতিক বিকাশ আৰু পৰ্যটন বৃদ্ধি হ'ব। কিয়নো মাজুলীৰ মূল ভুখণ্ডৰ সৈতে কেৱল নদীপথেৰে ফেৰীৰে যোগাযোগ কৰিবলগীয়া হয়। আজি সামাজিক মাধ্যম যোগে এই কথা ৰাজহুৱা কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে ব্ৰহ্মপুত্ৰৰ ওপৰত মাজুলী আৰু যোৰহাট সংযোগী ২ লেনযুক্ত দলং নিৰ্মাণৰ বাবে ভাৰত চৰকাৰৰ পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে সংশোধিত ব্যয় আকলনৰ অনুমোদন জনাইছে। এই অনুমোদন মৰ্মে বিশ্বৰ সৰ্ববৃহৎ নদীদ্বীপৰ সৈতে এই গুৰুত্বপূৰ্ণ যোগাযোগ ব্যৱস্থা সম্পূৰ্ণ কৰাৰ বাবে ১০১৯,১৬,৫৫,০১৫ টকাৰ সংশোধিত ব্যয় নিৰ্ধাৰণ কৰা হৈছে। এতিয়া এই ঘোষণাৰ পিছত উক্ত দলংখনৰ কেতিয়া নিৰ্মাণ সম্পূৰ্ণ হয় সেয়া হ'ব লক্ষণীয়।

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# প’ৰ্টেলক নাকী লগোৱাৰ আহ্বান

সময়ত এই দাবী উত্থাপন কৰে। সদনত এখন ৰে’ল শংকৰদেৱৰ স্মৃতিত নামকৰণ কৰি অসম-দিল্লী পথ, আনখন মাধৱদেৱৰ সন্মানত অসম-চেন্নাইৰ মাজত চলাচল কৰাৰ দাবী জনায়। সদনত দিয়া ভাষণত শইকীয়াই শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱে অসমৰ ধৰ্মীয় আৰু সাংস্কৃতিক ঐতিহ্যলৈ মূল্যৱান অৱদান আগবঢ়োৱাৰ কথা উল্লেখ কৰি চৰকাৰক সন্মান জনাবলৈ কয়। তদুপৰি তেওঁ ৰঙিয়া আৰু ওদালগুৰিৰ মাজেৰে ডিব্ৰুগড় আৰু গুৱাহাটীক সংযোগ কৰিব পৰা এখন বন্দে ভাৰত এক্সপ্ৰেছ ৰে’ল আৰম্ভ কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে গুৱাহাটী আৰু ওড়িশাৰ মাজত পোনপটীয়া ৰে’ল সেৱাৰ দাবী কৰে। অসমত বসবাস কৰা ওড়িশাৰ মূলৰ ৪.৫ নিযুত বাসিন্দাক সেৱা আগবঢ়াব। দৰং জিলাত ৰে’ল সংযোগ নথকাত শইকীয়াই উদ্বেগ প্ৰকাশ কৰি এই বিষয়ত তেওঁৰ পূৰ্বৰ আৱেদনৰ বিষয়ে তথ্য বিচাৰে। তেওঁ লগতে ক’ভিদ মহামাৰীৰ সময়ত প্ৰত্যাহাৰ কৰা বিভিন্ন ষ্টেচনত ষ্টপিং পইণ্ট আৰম্ভ কৰাৰ দাবী জনায়। বাজেটত ভাৰতীয় ৰে’লৱেক ২,৬৫,২০০ কোটি টকা আবণ্টন কৰাৰ লগতে সমগ্ৰ দেশত ৰে’ল আন্তঃগাঁথনি নিৰ্মাণৰ প্ৰচেষ্টাক প্ৰশংসা কৰে শইকীয়াই। আনহাতে, ডিজিটেল/প’ৰ্টেল নিউজ চেনেলৰ বাবে নিৰ্দিষ্ট নীতি প্ৰস্তুত কৰাৰ দাবী জনাইছে ভাৰত চৰকাৰক। সদনৰ নিয়ম ৩৭৭ৰ অধীনত পত্ৰ প্ৰদান কৰি শইকীয়াই কয় যে দেশত কাঠফুলাৰ দৰে গঢ়ি উঠা একাংশ অতি নিম্নমানৰ ডিজিটেল-প’ৰ্টেল নিউজ চেনেলে দেশৰ গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ মৰ্যাদা হানি কৰিছে। একাংশ অনলাইন নিউজ প’ৰ্টেলে মিছা বাখ্যাৰে ৰাজনৈতিক, সাংস্কৃতিক, সামাজিক বিভিন্ন ক্ষেত্ৰত নেতিবাচক প্ৰভাৱ পেলাইছে। কাঠফুলাৰ দৰে গঢ়ি উঠা এনে ডিজিটেল-পৰ্টেল নিউজ চেনেলসমূহ নিয়ম-নীতিৰ মাজেৰে অনুমতি প্ৰদান কৰা আৰু ইয়াৰ পৰিচালনা আৰু নিয়ন্ত্ৰণৰ বাবে ভাৰত চৰকাৰক এটি নিয়ন্ত্ৰক কৰ্তৃত্ব গঠন কৰিবলৈ সদনত দাবী জনায়।

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# তেজপুৰৰ জেলতে থাকিব লাগিব

খাৰিজ কৰে তেজপুৰ প্ৰথম শ্ৰেণীৰ ন্যায়িক দণ্ডাধীশৰ আদালতে। এই সন্দৰ্ভত যোৱা বৃহস্পতিবাৰে তেজপুৰ আদালতত হাজিৰ কৰোৱাত আদালতে মহবুবুল হকক ন্যায়িক জিম্মালৈ প্ৰেৰণৰ নিৰ্দেশ দিছিল। আদালতে ইউ এছ টি এমৰ উপাচাৰ্য মহবুবুল হকৰ হাজিৰ ভাৰ্চুৱেলী লয়। মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতৰ প্ৰথম শ্ৰেণীৰ ন্যায়িক দণ্ডাধীশে তেওঁৰ জামিন আবেদন নাকচ কৰা বুলি কয় চৰকাৰী অধিবক্তা মুনিন বৰুৱাই। বৰ্তমান তেজপুৰ কেন্দ্ৰীয় কাৰাগাৰতে থাকিব লাগিব মহবুবুল হক। শোণিতপুৰ জিলাৰ ঢেকিয়াজুলি আৰক্ষী থানাত তেওঁৰ বিৰুদ্ধে ৰুজু হোৱা এক গোচৰৰ ভিত্তিত ইউ এছ টি এমৰ আচাৰ্যগৰাকীক তেজপুৰ আদালতত যোৱা ১৩ মাৰ্চত হাজিৰ কৰোৱা হৈছিল। হকৰ বিৰুদ্ধে পাথাৰকান্দি, গোঁসাইগাঁৱৰ পাছতে ঢেকিয়াজুলিতো গোচৰ ৰুজু কৰা হৈছিল। ঢেকিয়াজুলি আৰক্ষী থানাত তেওঁৰ বিৰুদ্ধে মোকছেদ আলী নামৰ এজন লোকে দাখিল কৰা এজাহাৰৰ ভিত্তিত ভাৰতীয় ন্যায় সংহিতাৰ ১১১(৪)/৩১৮(৪)/৩১৬(৫)/৩৩৬(৩) আৰ/ ডব্লিউ১১(১)দ্য় পাব্লিক এগজামিনেছন (প্ৰিভেনছন অৱ আনফেয়াৰ মিনছ) আইনৰ ২২৪ ধাৰা অনুসৰি ৰুজু হোৱা ৫৫/২৫নম্বৰ গোচৰৰ বাবে ১৩ মাৰ্চৰ দুপৰীয়া ১-৩০ বজাত হকক তেজপুৰ আদালতত হাজিৰ কৰোৱা হৈছিল। পুৱতি নিশাই হকক তেজপুৰ সদৰ আৰক্ষী থানালৈ অনা হৈছিল। চৰকাৰী অধিবক্তাই কয় যে তেওঁৰ বিৰুদ্ধে যিসমূহ ধাৰা প্ৰয়োগ কৰা হৈছে এই সকলো জামিনবিহীন ধাৰা। সেইসমূহলৈ লক্ষ্য কৰি আদালতে দুই পক্ষৰ যুক্তি শুনি তেওঁৰ জামিন আবেদন খাৰিজ কৰে। ইতিমধ্যে তেওঁৰ বিৰুদ্ধে বিভিন্ন থানাত গোচৰ আছে আৰু পৰৱৰ্তী শুনানিলৈ তেওঁ তেজপুৰ কেন্দ্ৰীয় কাৰাগাৰত থাকিব।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘ভাষাই গঢ়িছে বৰাক-ব্ৰহ্মপুত্ৰৰ মাজত

সেৱাশ্ৰমৰ শতবৰ্ষ উদযাপনত অংশ লৈ নতুন মন্দিৰ উদ্বোধন কৰে। লগতে দেশভক্ত তৰুণৰাম ফুকন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তী উদযাপন কাৰ্যসূচীত অতিথি হিচাপে উপস্থিত থাকে মুখ্যমন্ত্ৰী। শিলচৰৰ এছ এম দেৱ অসামৰিক চিকিৎসালয়ত ২৪ কোটি টকা ব্যয়ৰ ক্ৰিটিকেল কেয়াৰ ব্লকৰ শিলান্যাস, শিলচৰৰ নতুন আৰৰ্ত ভৱনৰ শিলান্যাস কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। তৰুণৰাম ফুকন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তীত ভাষণ দি হিমন্ত বিশ্ব শৰ্মাই অসমৰ বঙালী আৰু অসম ভাষীৰ মাজত উত্তেজনা আছিল যদিও আজি পাৰস্পৰিক সন্মানৰ পথ মুকলি হৈছে বুলি দাবী কৰে। তেওঁ কয় যে অসমত এটা সময় আছিল যেতিয়া বিভিন্ন কাৰণত বাংলা ভাষী আৰু অসমীয়া ভাষীৰ মাজত সংঘাত হৈছিল। অৱশ্যে, শেহতীয়া বছৰবোৰত প্ৰতিযোগিতাৰ পৰিৱৰ্তে, পাৰস্পৰিক সন্মানৰ বৃদ্ধি হৈছে বুলি দাবী কৰে। যাৰ ফলত এনে এক পৰিৱেশ সৃষ্টি হৈছে য’ত বাঙালী আৰু অসমীয়া ভাষী উভয়ে তেওঁলোকৰ সুবিধা আৰু পছন্দ অনুসৰি নিজ নিজ ভাষা ব্যৱহাৰ কৰিছে। ভাষাৰ দ্বাৰা ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাবাসীৰ মাজত সমন্বয়ৰ এক সাঁকো নিৰ্মাণ হৈছে। ২০১৪ চনৰ পাছত মিটাৰগজৰ ঠাইত ব্ৰডগজ ৰে’ললাইন স্থাপনৰ পৰা শেহতীয়া বাংলা আৰু অসমীয়া ভাষাক ধ্ৰুপদী ভাষা হিচাপে পৰিচয় দি দুয়োটি ভাষাৰে স্বকীয়তা আৰু স্বতন্ত্ৰতাক সন্মান প্ৰদানেৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই সমন্বয়ৰ সাঁকোক অধিক কটকটীয়া কৰে। নলবাৰীস্থিত গৰ্ডন উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু পাছত কামৰূপত ৰংমহল উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অসমীয়াৰ লগতে ইংৰাজী ভাষাকো মাধ্যম হিচাপে প্ৰৱৰ্তন কৰাত তাৰ সুফল হিচাপে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি হৈছে। প্ৰাসংগিকতাৰ প্ৰতি লক্ষ্য ৰাখি একেটা আৰ্হিকে আধাৰ কৰি বৰাক উপত্যকাৰ শিক্ষানুষ্ঠানৰ পৰা লাভ কৰা আবেদন মৰ্মে বৰাকৰ শিক্ষানুষ্ঠানত বাংলা ভাষাৰ লগতে ইংৰাজী ভাষাকো মাধ্যম হিচাপে ব্যৱহাৰৰ কথা আমি ভাবিছো। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শেহতীয়াকৈ বাঙালী আৰু অসমীয়া দুয়োকে ধ্ৰুপদী ভাষাৰ মৰ্যাদা দিয়াৰ সিদ্ধান্তই ৰাজ্যখনত ভাষাক লৈ হৈ অহা উত্তেজনা হ্ৰাস কৰিছে। প্ৰধানমন্ত্ৰীৰ এই সিদ্ধান্তৰ পিছত ভাষাসমূহৰ উৎপত্তি সন্দৰ্ভত বৌদ্ধিক চক্ৰৰ মাজত আলোচনাই এক নতুন ৰূপ লৈছে। বাঙালী আৰু অসমবাসীৰ মাজত সংঘাত হ্ৰাস পাইছে। শৰ্মাই আৰু কয় যে সেই দিনবোৰ গ’ল যেতিয়া ব্ৰহ্মপুত্ৰ উপত্যকা আৰু বৰাক উপত্যকাৰ লোকসকলৰ মাজত অসন্তুষ্টি আছিল। আমাৰ চৰকাৰে দুয়োটা অঞ্চলতে সমান বিকাশ নিশ্চিত কৰিছে আৰু অসমীয়া আৰু বাংলা দুয়োটাকে ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ দিয়াত দুয়োটা সম্প্ৰদায়ে সমান সন্মান লাভ কৰিছে। শিলচৰত দেশভক্ত তৰুণ ৰাম ফুকন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বাৰ্ষিকী অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে শিক্ষাৰ আধুনিকীকৰণ, কৃত্ৰিম বুদ্ধিমত্তা, ইণ্টাৰনেট অৱ থিংছ আৰু ঔদ্যোগিক দক্ষতাৰ নতুন পাঠ্যক্ৰম ঘোষণা কৰে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে দেশভক্ত তৰুণৰাম ফুকন ভাৰতৰ স্বাধীনতা আন্দোলনৰ ইতিহাসত এক চিৰনমস্য ব্যক্তিসত্তা। আধুনিক অসম নিৰ্মাণৰ বাটত তেখেতৰ ভূমিকা আছিল অপৰিসীম। সাহিত্যৰ পৰা সামাজিক-ৰাজনৈতিক ক্ষেত্ৰলৈ সমৃদ্ধ জীৱনৰাজিৰে ফুকনৰ কৰ্ম-আদৰ্শ পৰৱৰ্তী প্ৰজন্মৰ বাবে প্ৰেৰণাস্বৰূপ।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# কাৰ্বি আংলঙত খিলঞ্জীয়াৰ ভূমি অধিগ্ৰহণৰ বিৰুদ্ধে দল-সংগঠনৰ বৃহৎ প্ৰতিবাদ

**ই-সংবাদ, বৈঠালাংছ', ১৮ মাৰ্চঃ** কাৰ্বি আংলং জিলাৰ ১৮০০০ বিঘা ভূমি সামৰি বিশাল সৌৰশক্তি প্ৰকল্প নিৰ্মাণৰ বিৰুদ্ধে পাহাৰীয়া জিলা দুখনৰ আঞ্চলিক ৰাজনৈতিক দল এপিএইছএলচি, ভূমি অধিকাৰ যৌথ সংগ্ৰাম সমিতি আৰু কাৰ্বি আংলং সৌৰশক্তি প্ৰভাৱিত গণ অধিকাৰ সমিতিৰ উদ্যোগত পশ্চিম কাৰ্বি আংলং জিলাৰ ডংকামোকামত সোমবাৰে এক বৃহৎ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ হয়। জাতি-মাটি-ভেটিৰ শ্লোগান দিয়া শাসনাধিষ্ঠ বিজেপি চৰকাৰখনৰ যেন এতিয়া অসমৰ ভূমিপুত্ৰৰ মাটি অধিগ্ৰহণেই প্ৰধান লক্ষ্য হৈ পৰিছে। উন্নয়ন আৰু বিকাশৰ নামত অসমৰ খাটিখোৱা জনতাক নিজৰ মাটিৰপৰা উচ্ছেদ কৰি আম্বানী আৰু আদানীৰ দৰে বৃহৎ বনিয়াৰ স্বাৰ্থ পূৰণ কৰাটো বিজেপি নেতৃত্বাধীন শাসনাধিষ্ঠ অসম চৰকাৰৰ এতিয়া প্ৰাথমিক আৰু প্ৰধান কৰ্তব্য হৈ পৰিছে। শেহতীয়াকৈ ষষ্ঠ অনুসূচীৰ নীতি-নিয়ম আৰু মূল সত্তাক সম্পূৰ্ণ নস্যাৎ কৰি কাৰ্বি আংলঙৰ খটখটিস্থিত লংকাথাৰত প্ৰায় ১৮০০০ বিঘা মাটিত এছিয়ান ডেভেলপমেন্ট বেংকৰ সাহায্যত ১০০০ মেগাৱাটযুক্ত এক বৃহৎ সৌৰশক্তি প্ৰকল্প নিৰ্মাণৰ বাবে অসম চৰকাৰ আগবাঢ়িছে। ইয়াৰ ফলত বৃহৎ অঞ্চলটোৰ ২৩ খন গাঁৱৰ ২০০ বছৰৰ পৰা বাস কৰি অহা প্ৰায় ২০ হেজাৰ কাৰ্বি, আদিবাসী আৰু নগা মানুহক উচ্ছেদ কৰি এই মাটি অধিগ্ৰহণ কৰা হব বুলি জানিব পৰা গৈছে। অৱশ্যে, এই প্ৰস্তুতি অসম চৰকাৰে হাতত লোৱাৰ লগতে কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদেও ইয়াত অনুমতি প্ৰদান কৰিছে বুলি জানিব পৰা গৈছে। অৱশ্যে, এই প্ৰকল্পৰ নামত হ'বলগীয়া মাটি অধিগ্ৰহণ অসমৰ ইতিহাসৰ অন্যতম এক বৃহৎ মাটি অধিগ্ৰহণৰ ঘটনা হ'ব। সমগ্ৰ বিষয় সন্দৰ্ভত প্ৰতিবাদকাৰী দলটোৱে সাংবাদিকক জানিবলৈ দিয়ে যে আটাইতকৈ দুৰ্ভাগ্যজনক কথা এইটোৱেই যে প্ৰস্তাৱিত অঞ্চলৰ গাঁওবাসীক সম্পূৰ্ণ অন্ধকাৰত ৰাখি আৰু কোনো জনমত নোলোৱাকৈ অসম চৰকাৰে এই কাম কৰিবলৈ আগবাঢ়িছে, যিকাৰ্য্য স্থানীয় মানুহৰ প্ৰতি অন্যায়জনক। প্ৰস্তাৱিত মাটিবোৰত অঞ্চলটোৰ স্থানীয় লোকে দীৰ্ঘদিনৰপৰা খেতি-বাতি কৰি আহিছে। মূলতঃ বাহ খেতি, কলগছ, ৰবি শস্যৰ খেতি, চিত্ৰনলাৰ খেতি ব্যৱসায়িকভাৱে কৰা এই বৃহৎ অঞ্চলটো জীৱ-জন্তুৰো অন্যতম গুৰুত্বপূৰ্ণ আবাসস্থলী। জান, জুৰি, লৈ-উপনৈ আদিৰে পৰিপূৰ্ণ অসম-নাগালেণ্ড সীমান্তৰ এইটো এটা গুৰুত্বপূৰ্ণ জৈৱ-বৈচিত্ৰ্যৰে ভৰা অঞ্চল। কিন্তু কাৰ্বি আংলং স্বায়িত্তশাসিত পৰিষদ আৰু অসম চৰকাৰে এই মাটি দীৰ্ঘদিন ধৰি ব্যৱহাৰৰ অনুপোযোগী মাটি হিচাপে চিহ্নিত কৰি ভূমি নীতিৰ চৰম উলংঘা কৰিছে। বিটিআৰ, মিকিৰ বামুণী, কাজিৰঙা, ৰাভা হাছং আদিকে ধৰি অসমৰ বিভিন্ন প্ৰান্তত চৰকাৰীভাৱে অবৈধ ভূমি অধিগ্ৰহণৰ ঘটনা সংঘটিত হ'বলৈ লৈছে। এডভান্টেজ অসমৰ নামত এই কাম এতিয়া চৰকাৰে তীব্ৰগতিত কৰিবলৈ মন মেলিছে। সাধাৰণ খাটিখোৱা মানুহৰ জীৱন-জীৱীকাৰ প্ৰতি পিঠি দি কেৱল বৃহৎ বণিয়াৰ স্বাৰ্থত চৰকাৰে এই কাম কৰি আছে। যদি উন্নয়ন আৰু বিকাশৰ নামত সাধাৰণ মানুহ নিজৰ ঘৰ-বাৰী- খেতিপথাৰৰ পৰা উচ্ছেদিত হব লগা হয়, তেন্তে চৰকাৰে কাৰবাবে এডভান্টেজ কৰি আছে বুলিও প্ৰতিবাদকাৰীয়ে প্ৰশ্ন উত্থাপন কৰে। প্ৰায় ২০০০০ কাৰ্বি, নগা, আদিবাসী মানুহৰ জীৱন-জীৱীকাৰ প্ৰতি দৃষ্টি ৰাখি প্ৰস্তাৱিত সৌৰশক্তি প্ৰকল্প বন্ধ কৰিব লাগে। যদি কাৰ্বি আংলং তথা অসমৰ বিদ্যুৎ নাটনি পূৰণ কৰিবলৈ চৰকাৰে সঁচাকৈয়ে বিচাৰিছে তেনেহ'লে সৰু সৰু সৌৰশক্তি প্ৰকল্পৰ জৰিয়তে সেই নাটনি পূৰণ কৰক। দিল্লী তথা কেন্দ্ৰীয় চৰকাৰৰ বিদ্যুৎ চাহিদা পূৰণ কৰিবলৈ কাৰ্বি আংলঙৰ মানুহক উচ্ছেদ কৰা হ'ব, সেই কথা কেতিয়াও মানি ল'ব নোৱাৰি বুলিও প্ৰতিবাদীকাৰীয়ে অভিযোগ উত্থাপন কৰে। তদুপৰি, কোনোবা বৃহৎ বণিয়াৰ মুনাফাৰ স্বাৰ্থত কাৰ্বি আংলঙৰ মানুহে জীৱন-জীৱিকা হেৰুৱাবলগীয়া হোৱা বিষয়টো চৰম পৰিতাপৰ বিষয়। যিহেতু সমগ্ৰ ভাৰতবৰ্ষত পুনৰ্নবীকৰণ শক্তিপ্ৰকল্পসমূহ আদানীক গটাই দিয়া হৈছে, ভৱিষ্যতে এই প্ৰকল্পৰ লগত যে আদানী জড়িত হৈ নপৰিব সেই কথা নস্যাৎ কৰিব নোৱাৰি। লগতে এই বৃহৎ প্ৰকল্পৰ বাবে কোনো পাৰিপাৰ্শ্বিক অধ্যয়নো হোৱা নাই আৰু National Board of Wildlife ৰ সংকেত পোৱাৰ কোনো প্ৰক্ৰিয়াও সমাপ্ত কৰা হোৱা নাই। ইয়াৰ লগতে অসমৰ ডাৱৰীয়া পৰিৱেশ তথা বৰষুণ আদিৰ ফলত এই প্ৰকল্প কিমান সফল হ'ব সেইটোও এটা গুৰুত্বপূৰ্ণ কথা। গতিকে বৃহৎসংখ্যক জনজাতীয় ৰাইজৰ জীৱন জীৱিকা তথা বৃহৎ অঞ্চলটোৰ জৈৱ বৈচিত্ৰ্যৰ স্বাৰ্থত এই প্ৰকল্প বন্ধ কৰাৰ অন্য গত্যন্তৰ নাই বুলি সাংবাদিকৰ আগত মন্তব্য কৰে। আজিৰ এই বৃহৎ প্ৰতিবাদত অল পাৰ্টি হিলছ লিডাৰ্ছ কমিটি চমুকৈ এপিএইছএলচি দলৰ সভাপতি জন ইংতি কাথাৰ, উপ-সভানেত্ৰী ৰিচা মিলিকপী, সাংগঠনিক সম্পাদক কুৰুছিং তিমুং, কাৰ্বি আংলং সৌৰশক্তি প্ৰকল্প প্ৰভাৱিত গণ অধিকাৰ কমিটি উপদেষ্টা ক্ৰমে প্ৰণৱ দলে, বিক্ৰম হাঞ্চে, ভূমি অধিকাৰ যৌথ সংগ্ৰাম সমিতি, অসমৰ আহ্বায়কদ্বয় ক্ৰমে সুব্ৰত তালুকদাৰ, নিলয় চলিহাৰ লগতে শতাধিক সদস্য-সদস্যা আৰু সাধাৰণ ৰাইজ উপস্থিত থাকে।

# যোৰহাটৰ ভিন্ন প্ৰান্তত অইল ইণ্ডিয়াৰ মকড্ৰিল আৰু গাঁও জাগৰণ কাৰ্যসূচী সম্পন্ন

**ই-সংবাদ, দুলীয়াজান, ১৮ মাৰ্চঃ** আজি অইল ইণ্ডিয়া লিমিটেডৰ যোৰহাটস্থিত পাম্প ষ্টেচন নং ৩ আৰু নুমলীগড় টাৰ্মিনেলে যোৰহাট জিলাৰ দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সহযোগত লাহদৈগড় আউটপ'ষ্ট, টীয়ক ৰাজহ চক্ৰৰ অন্তৰ্গত মেলেঙত অফছাইট মকড্ৰিল আৰু গাঁও জাগৰণ কাৰ্যসূচী আয়োজন কৰে। এই কাৰ্যসূচীৰ উদ্দেশ্য আছিল সাধাৰণ জনতাক সজাগ কৰা, জৰুৰীকালীন প্ৰস্তুতি পৰ্যালোচনা কৰা। বিভিন্ন চৰকাৰী সংস্থাসমূহ যেনে জিলা প্ৰশাসন, জিলা দুযোৰ্গ ব্যৱস্থাপনা প্ৰাধিকৰণ, টীয়ক চক্ৰ কাৰ্যালয়, যোৰহাট আৰক্ষী, অগ্নি আৰু আপদ প্ৰশমন সেৱা, যোৰহাট, চিভিল ডিফেন্স আৰু এ পি ডি চি এলৰ কাকজান উপ-বিভাগে এই অনুশীলনত অংশগ্ৰহণ কৰে। তদুপৰি, অ' এন জি চিৰ যোৰহাট এছেট আৰু এ জি চি এল, যোৰহাটো এই আখৰা কাৰ্যসূচীত উপস্থিত থাকে। এই অনুষ্ঠানত অইল ইণ্ডিয়া লিমিটেডৰ কাৰ্য্যবাহী সঞ্চালক জ্যোতি প্ৰকাশ পৰমানন্দ দাস আৰু মুখ্য মহাপ্ৰবন্ধক দ্বিপেন্দ্ৰ দাসে নেতৃত্ব দিয়ে। এই মকড্ৰিলত সংশ্লিষ্ট সকলো সংস্থাই সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল আৰু ইয়াত সমন্বিত জৰুৰীকালীন প্ৰতিক্ৰিয়া কৌশলসমূহৰ ওপৰত বিশেষভাৱে গুৰুত্ব প্ৰদান হৈছিল। মকড্ৰিলত এক দুৰ্ঘটনা সদৃশ পৰিৱেশৰ সৃষ্টি কৰা হয়, য'ত তেল পৰিবাহী পাইপলাইনৰ পৰা তেল নিৰ্গত হৈ অগ্নিকাণ্ডৰ সূত্ৰপাত হয় আৰু ইয়াৰ পাছতে জৰুৰীকালীন সেৱাৰ সহায়ত সংশ্লিষ্ট বিভাগসমূহৰ একত্ৰিত প্ৰচেষ্টাৰে অগ্নি নিৰ্বাপন কৰা হয়। ইয়াৰ জৰিয়তে অগ্নিনিৰ্বাপক প্ৰযুক্তি, উদ্ধাৰ প্ৰক্ৰিয়া আৰু প্ৰাথমিক চিকিৎসা ব্যৱস্থাৰ প্ৰদৰ্শন কৰা হয়। শেষত গাঁৱৰ লোকসকলৰ বাবে এক সজাগতা সভা অনুষ্ঠিত হয়, য'ত সুৰক্ষা প্ৰক্ৰিয়া, জৰুৰীকালীন যোগাযোগ, আৰু অগ্নি দুৰ্ঘটনাৰ সময়ত ল'বলগীয়া সাৱধানতাৰ বিষয়ে শিক্ষামূলক আলোচনা কৰা হয়। এই প্ৰচেষ্টাই আন্তঃসংস্থাগত সহযোগিতা শক্তিশালী কৰাৰ লগতে গাঁওবাসীৰ সজাগতা বৃদ্ধি কৰিব আৰু তেল-গেছ পাইপলাইন সম্পৰ্কীয় অঞ্চলসমূহত সুৰক্ষা ব্যৱস্থা অধিক শক্তিশালী কৰি তুলিব বুলি অইল ইণ্ডিয়াই আশা প্ৰকাশ কৰিছে।

## মাজুলী কংগ্ৰেছত একনায়কত্ববাদৰ অভিযোগ লীডাৰশ্বীপ ডেভেলপমেণ্ট মিছনৰ কনভেনৰৰ

# ভীষণ ক্ষোভেৰে কংগ্ৰেছ ত্যাগ প্ৰণৱজ্যোতি বাৰিকৰ

**ই-সংবাদ বিশেষ, মাজুলী, ১৮ মাৰ্চঃ** মাজুলী জিলা কংগ্ৰেছৰ সভাপতি কোযেশ্বৰ বৰাৰ নেতৃত্বত বৰ্তমান মাজুলী জিলা কংগ্ৰেছত অৰাজকতাৰ লগতে একনায়কত্ববাদে বিৰাজ কৰিছে বুলি বিস্ফোৰক অভিযোগ উত্থাপন কৰে সদ্যপদত্যাগী কংগ্ৰেছ নেতা প্ৰণৱজ্যোতি বাৰিকে। বাৰিকে কয়, যোৱা ৬ মাৰ্চ তাৰিখে মাজুলী জিলা মহিলা কংগ্ৰেছৰ এখন বৰ্দ্ধিত কাৰ্যনিৰ্বাহক সভাত অসম প্ৰদেশ মহিলা কংগ্ৰেছৰ সন্মানীয় সভানেত্ৰী মীৰা বৰঠাকুৰ গোস্বামী উপস্থিত থাকিব লগাত জিলা কংগ্ৰেছৰ সভাপতি হিচাপে কোযেশ্বৰ বৰাক সাক্ষাৎ কৰিবলৈ জিলা মহিলা কংগ্ৰেছৰ সভানেত্ৰী কমলালক্ষী পগাগ আৰু তত্ত্বাৱধায়ক প্ৰণৱজ্যোতি বাৰিকে ঘৰত গৈয়ো লগ কৰিব নোৱাৰাত দুই-তিনিদিন ভ্ৰাম্যভাষত যোগাযোগ কৰিব বিছাৰিও যোগাযোগ কৰিব পৰা নাছিল। অৱশেষত জিলা সভানেত্ৰীয়ে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সম্পাদক তথা মাজুলী জিলাৰ তত্ত্বাৱধায়ক মেঘনাথ চেত্ৰীক জনোৱাৰ পিছতহে জিলা সভাপতিয়ে সভানেত্ৰীলৈ ফোন কৰে। বাৰিকে লগতে কয় যে অসম প্ৰদেশ মহিলা কংগ্ৰেছৰ সভানেত্ৰী আহিবলগীয়া গুৰুত্বপূৰ্ণ এখন সভাৰ আলাপ-আলোচনাৰ পৰা দূৰত্ব বজায় ৰাখিব বিচৰাটোৱে জিলা কংগ্ৰেছৰ সভাপতিয়ে যে সামগ্ৰিকভাৱে জিলা কংগ্ৰেছৰ সকলো উইংছৰ সাংগঠনিক সুদৃঢ়তা নিবিচাৰে তাকে প্ৰতিপন্ন কৰিছে। তাৎপৰ্যপূৰ্ণভাৱে মীৰা বৰঠাকুৰৰ সভাখন সফল হোৱাৰ ঠিক এদিনৰ পিছতে প্ৰণৱজ্যোতি বাৰিকক মাত্ৰ দুই মাহৰ আগতে লাভ কৰা জিলা মহিলা কংগ্ৰেছৰ তত্ত্বাৱধায়কৰ দায়িত্বৰ পৰাই আঁতৰাই দি একনায়কত্ববাদী আৰু নিজকে চাৰিজনীয়া জিলা কংগ্ৰেছৰ চালিকা শক্তি বুলি ভবাকেইজনে প্ৰকাৰন্তে তেওঁলোকৰ ব্যক্তিগত সিদ্ধান্তত উঠা-বহা কৰাৰ যি ভাবুকি প্ৰদান কৰিছে তাক বাৰিকে কেতিয়াও সহজভাৱে ল'ব নোৱাৰে বুলি জানিবলৈ দিয়ে। জিলা কংগ্ৰেছৰ পি এ চি কমিটীৰ সিদ্ধান্ত মৰ্মে জিলা কংগ্ৰেছৰ উপ-সভাপতি সকলক উইংছৰ তত্ত্বাৱধায়কৰ দায়িত্ব দিয়াৰ স্বাৰ্থত প্ৰণৱজ্যোতি বাৰিকক জিলা মহিলা কংগ্ৰেছৰ তত্ত্বাৱধায়কৰ দায়িত্বৰপৰা আঁতৰোৱা হৈছিল বুলি জিলা কংগ্ৰেছে জনোৱাৰ প্ৰসংগত বাৰিকে কয় যে ই কেৱল পূৰ্বতে ব্লক কংগ্ৰেছত জিলা কংগ্ৰেছৰ উপ-সভাপতিয়ে তত্ত্বাৱধায়ক হিচাপে কাৰ্যনিৰ্বাহ কৰি উপ-সভাপতিসকলক আঁতৰাই তাৰ ঠাইত প্ৰদেশ কংগ্ৰেছৰ সম্পাদক তথা বিষয়ববীয়াক নিজ নিজ ব্লকত দায়িত্ব দি একেপাট শৰতে প্ৰণৱজ্যোতি বাৰিকৰ সহযোগত মাজুলীত মহিলা কংগ্ৰেছৰ উত্থান ৰোধ কৰাৰ সুপৰিকল্পিত এক ৰণনীতিহে আছিল। তেওঁ কয়, যোৱা ডিচেম্বৰ মাহৰ ১৫ তাৰিখে অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে জিলা কংগ্ৰেছ কমিটিসমূহক এক নিৰ্দেশনাৰ যোগে নিৰ্দিষ্ট কৰি দিয়া পদবীধাৰী ব্যক্তিসকলক লৈ জিলা পি এ চি কমিটিখন গঠন কৰিবলৈ জনাইছিল আৰু সেই কমিটীখন গঠনৰ পিছত অনুমোদনৰ বাবে প্ৰদেশ কংগ্ৰেছলৈ পঠাব লাগে। কিন্তু সেইমৰ্মে যোৱা জানুৱাৰী মাহৰ পহিলা সপ্তাহতে পি এ চি কমিটী গঠনৰ এখন সভা মাজুলীত অনুষ্ঠিত হৈছিল যদিও তাত সূত্ৰ অনুসৰি তত্ত্বাৱধায়কৰ সন্দৰ্ভত কোনো আলোচনা হোৱা নাছিল। যিহেতু সেই সময়ত জানুৱাৰী ফেব্ৰুৱাৰী মাহত পঞ্চায়ত নিৰ্বাচন হোৱাৰ ধাৰণা কৰা হৈছিল, সেয়েহে তেনেসময়ত এনেবোৰ সিদ্ধান্ত লোৱাৰ অৱকাশ নাছিল। ইয়াৰ লগতে বাৰিকে কয় যে পি এ চি কমিটীৰ সিদ্ধান্তমৰ্মে প্ৰদেশ কংগ্ৰেছৰ সম্পাদক বিষ্ণুকমল পায়েঙক তেওঁৰ নিজা মাজুলী ব্লকৰ আৰু প্ৰদেশ কংগ্ৰেছৰ সদস্য ৰাজীৱ লোচন পেগুক তেখেতৰ নিজা ব্লক উজনি মাজুলীত তত্ত্বাৱধায়কৰ দায়িত্ব দিয়াটো কোনো কাৰণতে সাংবিধানিক নাছিল। এ পি চি চিৰ সম্পাদক হিচাপে বিষ্ণুকমল পায়েঙে যিহেতু বেলেগ জিলাত তত্ত্বাৱধায়কৰ দায়িত্ব পালন কৰি আছিলেই তাৰপিছতো কেৱল পি এ চি কমিটীৰ সদস্য হোৱাৰ বাবেই ক্ষমতাৰ অপব্যৱহাৰ কৰি নিজৰ সুবিধাৰ্থে সাধাৰণ কৰ্মীক প্ৰভাৱিত কৰিবলৈ লোৱা তেনে সিদ্ধান্তক হাস্যকৰ বাহিৰে একো নহয় বুলিও বাৰিকে কটাক্ষ কৰে। বাৰিকে প্ৰাক্তন মন্ত্ৰী ৰাজীৱ লোচন পেগুক প্ৰত্যাহ্বান জনাই কয় যে তেখেতৰ দিনত যিমানখিনি কৰ্মীক সুবিধা দিলে আজি তাৰ অধিকাংশই দল ত্যাগ কৰি বেলেগ দললৈ গ'ল বা যাবলৈ ২০১৪ চনতে সুযোগ কৰি দিয়া হ'ল। গতিকে তেওঁলোকে আজি ব্লকত কৰ্মীৰ ওচৰত তত্ত্বাৱধায়কৰ প্ৰভুত্ব খটাবলৈ যোৱা মানে জ্বলা জুইত ঘিউ ঢলাৰ বাহিৰে একো নহয়। প্ৰণৱজ্যোতি বাৰিকৰ প্ৰয়াত পিতৃ ডিম্বেশ্বৰ বাৰিকে ৰাজীৱ লোচন পেগুৰ প্ৰয়াত পিতৃ ইন্দ্ৰেশ্বৰ পেগুৰ নিৰ্বাচনত জিকাটো দূৰৰে কথা কেৱল ভোটকেন্দ্ৰত নীল ভাঙিবৰ বাবেই কাৰোবাৰ পিটন খাই ভোট দিবলৈ গৈছিল। অসম আন্দোলনৰ বেয়া দিনবোৰতো বহুতো অত্যাচাৰ সহ্য কৰি চৰকাৰে সুৰক্ষাৰ বাবে দিয়া পুলিচ গাৰ্ড লৈও কংগ্ৰেছ কৰিছিল। আনকি ৰাজীৱলোচন পেগুৰ নিৰ্বাচনবোৰতো স্বৰ্গীয় ডিম্বেশ্বৰ বাৰিকে চাইকেল চলাই গাঁৱে গাঁৱে গৈ দল কৰিছিল। তাৰপিছতো বাৰিকৰ পৰিয়ালে আজি কিয় কংগ্ৰেছ কৰিব লাগে বুলি ৰাজীৱ লোচন পেগুৱে সপক্ষে এটা যুক্তি দিব পাৰিবনে বুলি প্ৰত্যাহ্বান জনায়। বাৰিকে লগতে কয় আজিলৈকে মাজুলীলৈ তত্ত্বাৱধায়কৰ দায়িত্ব লৈ অহা অধিকাংশই পৰৱৰ্তী সময়ত দল ত্যাগ কৰিছে। গতিকে এনেক্ষেত্ৰত সচেতন দলীয় কৰ্মীয়ে সাহসেৰে মনৰ ভাব প্ৰকাশ কৰিব লাগে বুলি কৈ চিৰদিনৰ বাবে দলীয় সাধাৰণ সদস্যৰ পদ ত্যাগ কৰাৰ কথা ঘোষণা কৰি ইয়াৰ বিষয়ে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন কুমাৰ বৰা আৰু মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাক অৱগত কৰিছে বুলি জানিবলৈ দিয়ে। লগতে বাৰিকে মাজুলী জিলা কংগ্ৰেছৰ তত্ত্বাৱধায়ক মেঘনাথ চেত্ৰীক উদ্দেশ্যি কয় যে গৌৰৱ গগৈৰ ফেনছ ক্লাবলৈ আমাৰ সকলোৱে সমৰ্থন আৰু সহযোগিতা আছে, যাৰবাবে মাজুলীত গৌৰৱ গগৈ ফেনছ ক্লাবে লোৱা কাৰ্য্যসূচীসমূহ সফল হোৱাৰ স্বাৰ্থত আমি দিনমণি দত্তৰ স্কেনাৰত হাজাৰ টকাপৰ্যন্ত ড'নেচন দি পাইছো। কিন্তু আপোনাৰ দলীয় দায়িত্ব আৰু ফেনছ ক্লাবৰ দায়িত্ব একাকাৰ কৰা উচিত নাছিল, যাৰবাবে আজি এনে অৱস্থাৰ সৃষ্টি হৈছে।

# বুদ্ধগয়াৰ মহাবোধি বিহাৰ পৰিচালনাৰ দায়িত্ব বৌদ্ধসকলক দিয়াৰ দাবী বৌদ্ধ সংস্থাৰ

**ই-সংবাদ, মথুৰাপুৰ, ১৭ মাৰ্চঃ** অসম বৌদ্ধ মহাসভাৰ আহ্বানক্ৰমে ১৬ মাৰ্চৰ সন্ধ্যা চক্ৰাই বৌদ্ধ বিহাৰ সমিতি, চক্ৰাই বৌদ্ধ যুৱক সংঘ, চক্ৰাই বৌদ্ধ মহিলা সমিতিৰ বিষয়ববীয়াসকল আৰু দায়ক-দায়িকাসকলে ১০৮ ডাল মমবাতি প্ৰজ্বলন কৰি যোৱা ১২ ফেব্ৰুৱাৰীৰপৰা বুদ্ধগয়াত আমৰণ অনশন কৰি থকা বৌদ্ধ ভিক্ষু-ভিক্ষুণী, দায়ক-দায়িকাসকলক সমৰ্থন আৰু শ্ৰদ্ধা নিবেদন কৰে। বুদ্ধগয়াত চলি থকা এই আমৰণ অনশনৰ উদ্দেশ্য হৈছে ভাৰতত থকা বিভিন্ন ধৰ্মীয় অনুষ্ঠানবোৰৰ দৰে বুদ্ধগয়াৰ মহাবোধি মহাবিহাৰখন পৰিচালনা কৰিবলৈ মুক্ত আৰু স্বাধীনভাৱে বৌদ্ধসকলক দায়িত্ব অৰ্পণ কৰা। বিহাৰ চৰকাৰৰ ১৯৪৯ বি টি এক্ট মতে গয়াৰ বুদ্ধ বিহাৰখনৰ পৰিচালনা সমিতিৰ চাৰিজন সদস্য বৌদ্ধ আৰু বাকী পাঁচজনেই অবৌদ্ধ সদস্য। এই এক্টখন ভংগ কৰিবলৈ বৌদ্ধসকলে বিভিন্ন সময়ত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰক অনুৰোধ আৰু দাবী জনাই আহিছে যদিও ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে কোনো সঁহাৰি নজনোৱাত ১২ ফেব্ৰুৱাৰীৰপৰা আমৰণ অনশন কৰাৰ সিদ্ধান্ত দেশ-বিদেশৰ ভিক্ষু-ভিক্ষুণী তথা দায়ক-দায়িকাসকলে ল'বলৈ বাধ্য হয়। দেশৰ প্ৰধান মন্ত্ৰীয়ে বিদেশত গৈ বুদ্ধৰ দেশৰপৰা আহিছো বুলি পৰিচয় দিয়ে। সেই বুদ্ধৰ অনুগামী বৌদ্ধসকলক বুদ্ধগয়াৰ মহাবোধি বিহাৰখন প্ৰধান মন্ত্ৰীয়ে পৰিচালনাৰ সম্পূৰ্ণ দায়িত্ব দিবলৈ সকলোৱে অনুৰোধ আৰু দাবী কৰিছে। আনহাতে, চৰাইদেউ জিলাৰ চলাপথাৰ শ্যাম গাঁৱৰ বুদ্ধ বিহাৰতো একেই দাবী জনায়।

# জাগীৰোডৰ ভেৰভেৰীত ৩দিনীয়াকৈ অনুষ্ঠিত হ'ব চতুৰ্থ বাৰ্ষিক ভাগৱত প্ৰবচন

**ই-সংবাদ, জাগীৰোড, ১৮ মাৰ্চঃ** মহাভাগৱতৰ ভক্তিৰসেৰে তিনিদিনৰ বাবে মুখৰিত হৈ পৰিব জাগীৰোডৰ ভেৰভেৰীৰ সমগ্ৰ অঞ্চল। বিগত বৰ্ষসমূহৰ দৰে এইবেলিও ভেৰভেৰী গাঁৱৰ ৰাইজৰ উদ্যোগত ভেৰভেৰী নামঘৰত ২১, ২২ আৰু ২৩ মাৰ্চত তিনিদিনীয়াকৈ আয়োজন কৰিছে চতুৰ্থ বাৰ্ষিক ভাগৱত প্ৰৱচন। সমগ্ৰ অঞ্চলবাসীৰ লগতে বিশ্ব শান্তিৰ কামনাৰে বিগত বৰ্ষসমূহৰ দৰে আয়োজন কৰিছে এই মহান অনুষ্ঠানৰ। প্ৰথম দিনা অৰ্থাৎ ২১ মাৰ্চ শুকুৰবাৰে পুৱা প্ৰথম কাৰ্যসূচী হিচাপে বন্তি প্ৰজ্বলন কৰি তিনিদিনৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব গাঁৱৰ পূজাৰী ঘনকান্ত শইকীয়াই। তাৰ পিছতে ধৰ্মধ্বজা উত্তোলন কৰিব মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড০ হৰমোহন কলিতাই। ইয়াৰ পিছতেই আৰম্ভ হ'ব মুখ্য কাৰ্যসূচী মহাভাগৱত শোভাযাত্ৰাৰ। এই শোভাযাত্ৰাৰ ভাগৱতৰ বাহক হিচাপে থাকিব পূজাৰী যতীন শইকীয়া আৰু মুখ্য নামতি বিনন্দ শইকীয়া। আনহাতে, ভাগৱত শোভাযাত্ৰাৰ শুভ উদ্বোধন কৰিব বিশিষ্ট সমাজসেৱক শ্যাম সুন্দৰ শৰ্মা, থানেশ্বৰ ডেকা আৰু বাঘজাপ গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি প্ৰদীপ দেউৰীয়ে। প্ৰায় ১০ কিলোমিটাৰ সামৰি উলিওৱা এই শোভাযাত্ৰাত অঞ্চলৰ প্ৰায় ১০/১২ খন গাঁৱৰ ৰাইজে অংশগ্ৰহণ কৰিব। ইয়াৰ পিছতেই আৰম্ভ হ'ব পূজা-অৰ্চনা আৰু নিৰ্মালি প্ৰদান। পূজাৰ আৰম্ভণি কৰিব ঘনকান্ত শইকীয়াই আৰু নিৰ্মালি প্ৰদান কৰিব বলোৰাম ডেকাই। দুপৰীয়া নাম প্ৰসংগৰ আৰম্ভ কৰিব নামাচাৰ্য তিথিৰাম শইকীয়াই। নাম সামৰণিৰ পিছতহে তিনিদিনৰ বাবে আৰম্ভ হ'ব ভাগৱত প্ৰৱচনৰ। এই তিনিদিন এক আধ্যাত্মিক পৰিৱেশে বিৰাজ কৰিব সমগ্ৰ অঞ্চল। কেইবাগৰাকীও পাঠাচাৰ্য আৰু ব্যাখ্যাচাৰ্যই ভাগৱত প্ৰৱচনত অংশগ্ৰহণ কৰিব। বিশেষকৈ ব্যাখ্যাচাৰ্য, অসম বৈদিক বৈষ্ণৱ মহাসভাৰ সভাপতি তথা গোমোঠা মহৰা সত্ৰৰ সত্ৰাধিকাৰ গৌতম গোস্বামীৰ অংশগ্ৰহণে সৌষ্ঠৱ বৃদ্ধি কৰিব বুলি উদযাপন সমিতিয়ে জানিবলৈ দিয়ে। এই অবিৰত ভাগৱত প্ৰৱচনত সকলো শ্ৰেণীৰ ভক্তপ্ৰাণ ৰাইজৰ সহায়-সহযোগ আৰু উপস্থিতি কামনা কৰিছে সভাপতি যতীন শইকীয়া, কাৰ্যকৰী সভাপতি হলিৰাম শইকীয়া, সম্পাদক দিপুমণি শইকীয়া, উপ-সভাপতি ৰমেন শইকীয়াসহ সম্পাদক তিলক শইকীয়াৰ লগতে গাঁওবাসীয়ে।

# কালাতলীত ভয়াৱহ পথ দুৰ্ঘটনাত থিতাতে নিহত এটি শিশু

**ই-সংবাদ, বকো, ১৮ মাৰ্চঃ** কামৰূপ জিলাৰ ছয়গাঁও আৰক্ষী থানাৰ অন্তৰ্গত কালাতলীত মঙলবাৰে আবেলি এক ভয়াৱহ পথ দুৰ্ঘটনা সংঘটিত হয়। এই ভয়াৱহ পথ দুৰ্ঘটনাটোত এটি শিশু থিতাতে নিহত হয়। উল্লেখ্য যে, গুৱাহাটী দিশৰ পৰা সোণতলী অভিমুখে গৈ থকা ইলিজা পাৰবিন নামৰ বাছ এখনে কালাতলী বজাৰত এটি কণমানি শিশুক মহটিয়াই নিয়াত থিতাতে শিশুটিয়ে কৰুণ মৃত্যুক আঁকোৱালি লয়। মৃত্যু হোৱা শিশুটি আজাদুল হক(১২) বুলি জানিব পৰা গৈছে। দুৰ্ঘটনা সংঘটিত হোৱাৰ পিছতে বজাৰত থকা কিছুসংখ্যক উত্তেজিত লোকে দুৰ্ঘটনা সংঘটিত কৰা বাছখনত বিভিন্ন বস্তুৰে আক্ৰমণ কৰে। উত্তেজিত ৰাইজৰ আক্ৰমণত দুৰ্ঘটনা সংঘটিত কৰা বাছখনৰ কিছু পৰিমাণে ক্ষয়-ক্ষতি হয়। দুৰ্ঘটনাৰ খবৰ পাই ঘটনাস্থলীত ততাতৈয়াকৈ জোৰশিমলু আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া পংকজ দাসৰ নেতৃত্বত এটি আৰক্ষীৰ দল উপস্থিত হৈ দুৰ্ঘটনাৰ বুজ লৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰি শিশুটিৰ মৃতদেহ আৰু দুৰ্ঘটনা সংঘটিত কৰা যাত্ৰীবাছখন জোৰশিমলু আৰক্ষী চকীলৈ লৈ যায়। দুৰ্ঘটনা সংঘটিত কৰা বাছখনৰ নম্বৰ AS-14 C-7754। বাছৰ খুন্দাত মৃত্যু হোৱা শিশুটিৰ মৃতদেহ ইতিমধ্যে ছয়গাঁও আৰক্ষী থানালৈ লৈ যোৱা হয় আৰু কাইলৈ দিনৰ ভাগত শিশুটিৰ মৰোণোত্তৰ পৰীক্ষা কৰা হব বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে।

# সৰুচৰাই পৰ্বতীয়াত ব'হাগী উৎসৱ

**ই-সংবাদ, পশ্চিম যোৰহাট, ১৮ মাৰ্চঃ** সৰুচৰাই পৰ্বতীয়া গাঁৱত এইবেলিও ব'হাগী উৎসৱ উদযাপনৰ প্ৰস্তুতি চলোৱা হৈছে। এই উদ্দেশ্যে হিমাংশু দত্তক সভাপতি, মিণ্টু দত্ত, অনুজ বৰা, দিৱজ্যোতি বৰাক উপ-সভাপতি, দেৱব্ৰত সাউদক সম্পাদক, অবিনাশ কলিতা, সত্যজিৎ কলিতা, প্ৰৱালমণি শইকীয়াক সহকাৰী সম্পাদক, গৌৰীশংকৰ সাউদক কোষাধ্যক্ষ আৰু গাঁওখনৰ যুৱক-যুৱতীসকলক সদস্যৰূপে লৈ এখন সমিতি গঠন কৰি প্ৰস্তুতি চলোৱা হৈছে। শংকৰদেৱ পাঠাগাৰৰ সমীপৰ মঞ্চত অনুষ্ঠিত হ'বলগীয়া ব'হাগী উৎসৱত ৰাইজৰ সহযোগিতা উদ্যোক্তাসকলে কামনা কৰিছে। ২০১৪ চনৰ পৰা সণ্ডালনীকৈ পৰ্বতীয়া গাঁৱৰ যুৱক-যুৱতীসকলে ব'হাগী উৎসৱ পালন কৰি আহিছে।

# নেইষ্টৰ ৬৫ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন



**ই-সংবাদ, পশ্চিম যোৰহাট, ১৮ মাৰ্চঃ** উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (নেইষ্ট)-ৰ ৬৫ সংখ্যক প্ৰতিষ্ঠা দিৱস ১৮ মাৰ্চত পালন কৰা হয়। আৰম্ভণিতে জয় নায়ক দেৱেশ্বৰ শৰ্মাৰ আৱক্ষ মূৰ্তিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে মুখ্য অতিথি জি সতীশ ৰেড্ডী, সঞ্চালক ভি এম তিৱাৰী আৰু বৰ্তমান-অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলে। তাৰ পাছতে ডক্টৰ জে এন বৰুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত সভাখনত আদৰণি ভাষণত ডক্টৰ বীৰেন্দ্ৰ এম তিৱাৰীয়ে পূৰ্বৰ আঞ্চলিক গৱেষণা গাৰ বৰ্তমান নেইষ্ট প্ৰতিষ্ঠা হোৱা কেইবছৰমানৰ ভিতৰতে প্ৰতিষ্ঠানখনে আগবঢ়োৱা অগ্ৰগতিৰ সম্পৰ্কত ব্যাখ্যা কৰে। মুখ্য অতিথি অধ্যাপক ৰেড্ডীয়ে ৰাষ্ট্ৰীয় উন্নয়নত বৈজ্ঞানিক গৱেষণা আৰু উদ্ভাৱনৰ ভূমিকাৰ গুৰুত্ব আৰোপ কৰি ভাৰতবৰ্ষৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ডক্টৰ এ পি জে আব্দুল কামালৰ উত্তৰাধিকাৰক সোঁৱৰণ কৰাৰ লগতে বৰ্তমানৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ (আত্ম নিৰ্ভৰ ভাৰত) পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। প্ৰতিৰক্ষা প্ৰযুক্তিৰ ক্ষেত্ৰত ভাৰতৰ উন্নতি আৰু উদ্ভাৱনত নেইষ্টৰ ভূমিকাৰ সম্পৰ্কেও ব্যাখ্যা কৰে। যুৱকসকলক উচ্চ চিন্তা কৰিবলৈ, কঠোৰ পৰিশ্ৰম কৰিবলৈ আৰু উদ্ভাৱনক আকোঁৱালি ল'বলৈ আহ্বান জনায়। তেওঁ নেইষ্টৰ 'বাৰ্ষিক প্ৰতিবেদন ২০২৩-২০২৪' উন্মোচন কৰাৰ লগতে গৱেষণামূলক পদক্ষেপৰ 'হাইলাইটছ্' উন্মোচন কৰে। লগতে তেওঁ বিজ্ঞানী, কৰ্মচাৰী, প্ৰকল্পৰ কৰ্মচাৰীসকলকো প্ৰশংসা-পত্ৰ প্ৰদান কৰে। ডক্টৰ কল্যাণী মেধিয়ে ধন্যবাদ জ্ঞাপন কৰা অনুষ্ঠানত বিজ্ঞানী, শিক্ষাৰ্থী, ক্ষুদ্ৰ উদ্যোগী, কৃষক উদ্যোগী, আত্মসহায়ক গোটৰ লগতে বহুসংখ্যক লোক উপস্থিত থাকে। তাৰপাছতে ফুলখেতি অভিযানৰ অধীনত প্ৰশিক্ষণ অনুষ্ঠিত হয়। সমল ব্যক্তি হিচাপে অসমৰ অৰ্কিড মেন খ্যানজিৎ গগৈ, অসম গৌৰৱ বঁটা বিজয়ী বিশ্বজিৎ বৰাৰ লগতে ডক্টৰ মণ্টু ভূঞা, ডক্টৰ ঋতুৰাজ কোঁৱৰ, ডক্টৰ দিপুল কলিতা, ডক্টৰ দীপাংকৰ নেওগ, ডক্টৰ পংকজ ভ্ৰালি,ডক্টৰ দীপান্বিতা বানিক, ডক্টৰ কল্পনাৰু দত্তই অংশগ্ৰহণ কৰে। তদুপৰি, পুৱা ৯ বজাৰ পৰা বিয়লি ৪ বজালৈকে নেইষ্টৰ দুৱাৰ মুকলি ৰখাত শিক্ষাৰ্থী, কৃষক, শিল্পী, উদ্যোগী আৰু বহুসংখ্যক লোকে গৱেষণা প্ৰতিষ্ঠানখন পৰিদৰ্শন কৰি উদ্ভাৱনসমূহৰ অন্বেষণ কৰাৰ লগতে বিজ্ঞানীসকলৰ সৈতে মত বিনিময় কৰে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# বাক্সাত ৯টা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ উদ্বোধন মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মৰ

**ই-সংবাদ, মুছলপুৰ, ১৮ মাৰ্চঃ** বাক্সা জিলাৰ কেবাটাও স্থানত আজি আদৰ্শ অংগনাবাড়ী কেন্দ্ৰ উদ্বোধন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। শিশুৰ সৰ্বাংগীন বিকাশৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ পদক্ষেপৰ অন্যতম অংশ স্বৰূপে অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ অধীনত চাপাগুৰি বিধানসভা সমষ্টিত নিৰ্মাণ সম্পূৰ্ণ হৈ উঠা নটাকৈ অংগনৱাড়ী কেন্দ্ৰ উদ্বোধন কৰে স্থানীয় বিধায়ক তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই। আটকধুনীয়াকৈ নিৰ্মাণ কৰি উলিওৱা বাস্কা উন্নয়ন খণ্ডৰ ১ নং কাটলিগাঁও অংগনৱাড়ী কেন্দ্ৰ, পশ্চিম ৰামপুৰ আদৰ্শ অংগনৱাড়ী কেন্দ্ৰকে ধৰি ৯টা অংগনৱাড়ী কেন্দ্ৰ উদ্বোধন কৰি ৰাজ্য চৰকাৰৰ সমাজ কল্যাণ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই আনন্দ প্ৰকাশ কৰে। তেওঁ আজিৰ শিশু কাইলৈ দেশৰ ভৱিষ্যত, সেয়েহে শিশুসকলক খাদ্যৰ লগতে পঢ়া-শুনাত যাতে ভাল এটি পৰিৱেশ এই আদৰ্শ গৃহৰ দ্বাৰা পাব পাৰে তাৰ বাবে অভিভাৱক তথা শিক্ষকসকলে গুৰুত্ব দিব লাগিব বুলি উল্লেখ কৰি আদৰ্শ কেন্দ্ৰসমূহৰ দ্বাৰা অসমৰ ভৱিষ্যৎ প্ৰজন্মৰ বুনিয়াদী শিক্ষা আৰু বিকাশৰ ধাৰা শক্তিশালী হ'ব বুলি মন্তব্য কৰে। তেওঁ চাপাগুৰি বিধানসভা সমষ্টিত ৪২টা অংগনৱাড়ী কেন্দ্ৰ প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত বুলি উল্লেখ কৰি পুনৰ ৪০টা নতুন অংগনাবাড়ী কেন্দ্ৰ নিৰ্মাণৰ কাম আৰম্ভ হ'ব বুলি জানিবলৈ দিয়ে। মুঠ ৮২টা অংগনৱাড়ী কেন্দ্ৰ চাপাগুৰি বিধানসভা সমষ্টিত স্থাপন কৰি এই আদৰ্শ কেন্দ্ৰসমূহৰ জৰিয়তে শিশুসকলৰ অধ্যয়নৰ ক্ষেত্ৰত অধিক সুবিধা প্ৰদানৰ লগতে পুষ্টি আৰু খেলাৰ সা-সুবিধা দিয়া হ'ব বুলি মন্তব্য কৰে। ইফালে, সাংবাদিকৰ সৈতে হোৱা এক আছুতীয়া সাক্ষাৎকাৰত মন্ত্ৰীগৰাকীয়ে ব্যক্তিগত খণ্ডত গঢ়ি উঠা প্ৰাক-বিদ্যালয় শিক্ষানুষ্ঠানসমূহত বৰ্তমানে একাংশ আৰ্থিকভাৱে স্বচ্ছল অভিভাৱকে নিজৰ সন্তানৰ নামভৰ্তি কৰালেও এটা সময়ত কিন্তু সকলোৱে চৰকাৰী খণ্ডলৈ ঢাপলি মেলিব বুলি মন্তব্য কৰে। চৰকাৰী শিক্ষা খণ্ডৰ উত্তৰণত ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান বাধাৰ প্ৰাচীৰ হ'ব নোৱাৰে বুলিও তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই। আজিৰ কাৰ্যসূচীত মন্ত্ৰীগৰাকীক জিলা আয়ুক্ত গৌতম দাস, জিলা সমাজ কল্যাণ বিষয়াই সহযোগ কৰে।

# কামপুৰ, কঠিয়াতলী, ৰেংবেঙত পথ দুৰ্ঘটনা, নিহত ২, আহত ৬

**ই-সংবাদ, কামপুৰ, ১৮ মাৰ্চঃ** নগাঁও জিলাৰ কামপুৰ, কঠিয়াতলী আৰু ৰেংবেঙত আজি পৃথকে পৃথকে সংঘটিত হোৱা পথ দুৰ্ঘটনাত দুজন লোক নিহত হোৱাৰ লগতে ছজনকৈ লোক আহত হয়। কামপুৰ নগৰৰ পুৰণি বাছ আস্থানৰ সমীপৰ পথৰ গতিৰোধকত সংঘটিত হোৱা মটৰ চাইকেল দুৰ্ঘটনাত কান্দাপাৰৰ ফইজুল আহমেদ নামৰ আৰোহীজন থিতাতে নিহয় হয়। ইফালে, কঠিয়াতলীত সংঘটিত হোৱা পৃথক মটৰ চাইকেল দুৰ্ঘটনাত আমিৰ হুছেইন নামৰ আৰোহীজন নিহত হয়। তদুপৰি ৰেংবেঙত নগাঁৱৰ দিশৰ পৰা ডবকা অভিমুখে গৈ থকা এখন ই-ৰিক্সাত ৱেগনাৰ এখনে পাছফালৰ পৰা খুন্দা মৰাৰ ফলত আন এক দুৰ্ঘটনা সংঘটিত হয়। উক্ত দুৰ্ঘটনাটোত ই-ৰিক্সাখনৰ ছজন যাত্ৰী আহত হয়। আহত আটাইকে ততালিকে চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। ৱেগনাৰখনৰ নম্বৰ এ এছ-০৯ জে-২০৩৫।

# পুলিবৰ গন্ধিয়া গাঁৱত ভাওনা প্ৰতিযোগিতা আৰম্ভ

**ই-সংবাদ, পশ্চিম যোৰহাট, ১৮ মাৰ্চঃ** পুলিবৰ গন্ধিয়া গাঁও যুৱ মঞ্চই অঞ্চলটোৰ ৰাইজৰ সহযোগত গুৰু সংস্কৃতি সমন্বয় ক্ষেত্ৰত সদৌ অসম ভিত্তিত অনুষ্ঠিত কৰা ভাওনা প্ৰতিযোগিতা আৰম্ভ হৈছে। প্ৰথমদিনা দুৰ্লভ বৰাৰ সম্পাদনাত প্ৰকাশিত স্মৃতিগ্ৰন্থ 'ৰস-সংহিতা' উন্মোচন কৰি আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ডক্টৰ পীতাম্বৰ দেৱগোস্বামীয়ে কয়, 'ভাওনাই অসমীয়া সমাজত প্ৰভাৱ বিস্তাৰ কৰি আহিছে। আধ্যাত্মিক সংগতি থকা পৰিৱেশৰ সূচনা কৰে। সাংস্কৃতিক দিশত জনসাধাৰণক আগুৱাই নিয়ে ভাওনাই। ভাওনা 'নাটক' নহয়, 'নাট'হে। মুক্তাৱলী, একাৱলী, বিলাপে নাৰীগৰাকীয়ে ভয়ত বিহ্বল নহৈ কিদৰে একান্ত মনে কৃষ্ণক স্তুতি কৰি পৰিত্ৰাণ পায়, তাকে প্ৰদৰ্শন কৰে। গায়ন-বায়ন, নৃত্য-গীত, ঢোঁটয়-ভটিমা আদিয়ে আধ্যাত্মিক সত্তা প্ৰদান কৰে। কৃষ্ণ প্ৰৱেশৰ গীত, বিলাপৰ গীত গোৱাই ভকত-বৈষ্ণৱ, আই-মাতৃসকলক তথা উপস্থিত থকা লোকসকলক আৱদ্ধ কৰি ৰাখে।' তাৰপূৰ্বে সত্ৰাধিকাৰগৰাকীক উদ্যোক্তাসকলে চেলেং-গামোচা পিন্ধাই জাপি-সঁফুৰা প্ৰদানেৰে সম্বৰ্ধনা জনায়। বিশিষ্ট অতিথিৰূপে অভিনেতা অভিতাভ বৰদলৈ, ভাৰতীয় ইতিহাস সংকলন সমিতি অসম, যোৰহাটৰ সভাপতি অসীম কুমাৰ বৰা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ যোৰহাটৰ সম্পাদক বিশ্বজিৎ গায়নৰ লগতে ভালেসংখ্যক লোক উপস্থিত থাকে নিতৌ দুখনকৈ ভাওনা হোৱা প্ৰতিযোগিতাৰ ২৬ মাৰ্চত সামৰণি পৰিব। প্ৰথম দিনা পুৱা লেটুগ্ৰাম সত্ৰৰ পৱন মহন্তই আসন প্ৰতিষ্ঠা, সমিতিৰ সভাপতি তোযেশ্বৰ বৰা, কাৰ্যকৰী সভাপতি বিদ্যুৎ বৰাই ধৰ্মধ্বজা উত্তোলন, মুখ্য সম্পাদক অমল বৰাই স্মৃতি তৰ্পণ কৰাৰ পাছতে অচ্যুত মহন্তই ভকতসকলৰ সৈতে নাম-কীৰ্তন কৰে। প্ৰতিদিনেই নাম-কীৰ্তন কৰা হয়।

# বিলাসীপাৰাত অগপৰ ধুবুৰী জিলা সমিতিৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভা সম্পন্ন, একাধিক প্ৰস্তাৱ গ্ৰহণ

**ই-সংবাদ, বিলাসীপাৰা, ৮ মাৰ্চঃ** বিলাসীপাৰাৰ কলিতা ভৱনত অসম গণ পৰিষদ দলৰ ধুবুৰী জিলা সমিতিৰ এখন বৰ্ধিত কাৰ্যনিৰ্বাহ সভা অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে ধুবুৰী জিলা অসম গণ পৰিষদৰ সভাপতি অমল সাহাই। উক্ত সভাত উপস্থিত থাকে ধুবুৰী জিলাৰ তত্ত্বাৱধায়ক ভূপেন ৰায় আৰু পঞ্চায়ত নিৰ্বাচনী সমিতিৰ সদস্যদ্বয় প্ৰশান্ত কুমাৰ বৰুৱা আৰু মহিবুল হক, অগপৰ ভাৰ্ষিক সংখ্যালঘুৰ সাধাৰণ সম্পাদক মিঠুন ৰায়, অগপ দলৰ ধুবুৰী জিলাৰ বিভিন্ন পৰ্যায়ৰ নেতা-কৰ্মীৰ লগতে বিলাসীপাৰা বিধান পৰিষদৰ সভাপতি অমৰেন্দ্ৰ নাথ, সাধাৰণ সম্পাদক জীতেন শৰ্মা, কামৰুজ্জামান সেখ, বীৰসিং জৰুৱা সমষ্টিৰ সভাপতি ওছমান গণি আদি। কাৰ্যনিৰ্বাহক সভাত কেইবাটাও প্ৰস্তাৱ গ্ৰহণ কৰি ধুবুৰী জিলাৰ তত্ত্বাৱধায়ক ভূপেন ৰায়ৰ জৰিয়তে অগপ দলৰ কেন্দ্ৰীয় সমিতিলৈ প্ৰেৰণ কৰা হয়।

Nucleomed-পেটিচিটি স্কেন / PETCT Scan- 970701223

# কাৰ্বি আংলঙৰ জামুগুৰি হলি পথাৰত শ্ৰীশ্ৰী ৰাধা কৃষ্ণ দৌল মহোৎসৱ উদযাপন

**ই-সংবাদ, হাওৰাঘাট, ১৮ মাৰ্চঃ** চিৰসেউজ কাৰ্বি আংলং জিলাৰ লাংহিন সমষ্টিৰ অন্তৰ্গত জামুগুৰি হলি পথাৰত অৱস্থিত ৰাধা কৃষ্ণ মন্দিৰৰ প্ৰাংগণত পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৬৮ সংখ্যক শ্ৰী শ্ৰী ৰাধা কৃষ্ণ দৌল মহোৎসৱ উদযাপন কৰা হয়।জামুগুৰিৰ ৰাধা কৃষ্ণ মন্দিৰতকীৰ্তন, পূজা-অৰ্চনা আৰু দূৰ দুৰণিৰ পৰা অহা ভক্তৰ সমাগম ঘটে। নাম-ৰাধা কৃষ্ণ নামেৰে মুখৰিত হৈ পৰে শ্ৰী শ্ৰী ৰাধা কৃষ্ণ মন্দিৰ। তদুপৰি দৌল উৎসৱৰ লগত সংগতি ৰাখি মহোৎসৱৰ বাকৰিত আনন্দ মেলা আৰু বাণিজ্য মেলাৰো আয়োজন কৰে উদযাপন সমিতিয়ে। সমগ্ৰ লাংহিন অঞ্চলটোৰ লগতে জিলাখনৰ ভিন্ন স্থানৰ পৰা দৰ্শনাৰ্থীসকলৰ সমাগম ঘটে।কাৰ্যসূচীত গীত-মাত, নৃত্য, খেল-ধেমালি আৰু সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হয়। ইপিনে, পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা শ্ৰী শ্ৰী ৰাধা কৃষ্ণ দৌল মহোৎসৱটি সুন্দৰভাৱে পৰিচালনা কৰে দৌল মহোৎসৱ পৰিচালনা সমিতিৰ সভাপতি উমাকান্ত বসুমতাৰী, সম্পাদক ৰবি শংকৰ বসুমতাৰী, হেমন্ত বসুমতাৰী, অশোক বসুমতাৰীৰ লগতে সুভাৰাম বাগলাৰীয়ে।

# ওদালগুৰিত ড্ৰাগছ্ বিৰোধী সজাগতা সমদল

**ই-সংবাদ, ওদালগুৰি, ১৮ মাৰ্চঃ** সদৌ অসম ছাত্ৰ সন্থা, উন্নতি সভা, অসম সেনাৰ আহ্বানত সদৌ ওদালগুৰি জিলা ছাত্ৰ সন্থাৰ উদ্যোগত জিলা সদৰত ড্ৰাগছ্ বিৰোধী সজাগতা সমদল বাহিৰ কৰা হয়। ওদালগুৰি জিলা ছাত্ৰ সন্থাৰ শ্বহীদ ভৱনৰ পৰা উলিওৱা এই সমদলত, ড্ৰাগছ্ সেৱন বন্ধ কৰক, ড্ৰাগছ্ সৰবৰাহ বন্ধ কৰক, আমাক ড্ৰাগছ্মুক্ত অসম লাগে, সমাজৰ পৰা ড্ৰাগছ্ নাশ হওঁক ইত্যাদি শ্লোগান প্ৰদান কৰে। চহৰখনৰ মাজমজিয়াৰে বাহিৰ হোৱা এই সমদলত ওদালগুৰি জিলাৰ তিনিওটা সংগঠনৰ কেইৰাটাও আঞ্চলিক সমিতিৰ বিষয়ববীয়া সদস্যসকল উপস্থিত থাকে।

# দৰঙত আকৌ মানৱ সমাজক লজ্জানত কৰিলে এজনে

**ই-সংবাদ, দুনী, ১৮ মাৰ্চঃ** জীয়ৰী-বোৱাৰীতে সীমাবদ্ধ নাথাকি এইবাৰ দৰঙৰ মহলীয়াপাৰাত মানৱ সমাজক লজ্জানত কৰিলে মিঞাই। এটি কণমানি শিশুক যৌন নিৰ্যাতন চলালে পূব বংগীয় মূলৰ শ্ৰমিকে। ইতিমধ্যে, মুন্নাথ আলী নামৰ শ্ৰমিকটোক পাথৰিঘাট আৰক্ষী চকীয়ে কৰায়ত্ত কৰি ছিপাঝাৰ থানাত গোচৰ ৰুজু কৰি জে'ললৈ প্ৰেৰণ কৰিছে। উল্লেখ্য যে, মহলীয়াপাৰাত এপিডিচিএলৰ এক পাৱাৰ হাউচৰ নিৰ্মাণ চলি আছে আৰু নিৰ্মাণকাৰী শ্ৰমিকে কেম্প এটা সাজি লৈছিল। পাৱাৰ হাউচৰ নিৰ্মাণৰ দায়িত্ব খুদি নামৰ ঠিকাদাৰে লাভ কৰিছিল আৰু মুন্নাথ নামৰ শ্ৰমিকটো উক্ত কামতেই নিয়োগ কৰিছিল। এজাহাৰ অনুসৰি, পূৰ্ববংগীয় মূলৰ মুন্নাথ আলী নামৰ শ্ৰমিকজনে আজি ফুচুলাই চতুৰ্থ শ্ৰেণীত পঢ়ি থকা শিশুটিক মাতি নি যৌন আতিশয্য চলায়। যৌন আতিশয্য চলাই থকা অৱস্থাতে মুন্নাথ আলীক হাতে-লোটে ধৰি পাথাৰিঘাট আৰক্ষীক গতাই দিয়ে। উক্ত এজাৰৰ ভিত্তিতে প্ৰাথমিক তদন্তৰ অন্তত পাথৰিঘাট আৰক্ষীয়ে আটক কৰে দলগাঁৱৰ মুন্নাথ আলীক। ইতিমধ্যে ছিপাঝাৰ আৰক্ষীয়ে গোচৰ নং ৪৭/২৫ নং গোচৰ ৰুজু কৰি মুন্নাথক জে'ললৈ প্ৰেৰণ কৰে। ইপিনে, হিন্দু ছাত্ৰক পূৰ্ববংগীয় শ্ৰমিকে আতিশয্য চলোৱা জঘন্য কাণ্ডক ধিক্কাৰ দি পাৱাৰ হাউচ নিৰ্মাণ কাৰ্যক বন্ধ কৰি দিয়াৰ হুমকি দিছে স্থানীয় ৰাইজে। ইফালে, উক্ত ঘটনাক লৈ সমগ্ৰ অঞ্চলটোত এক চেপা উত্তেজনাময় পৰিৱেশে বিৰাজ কৰা পৰিলক্ষিত হৈছে।

# আফ্ৰিকাৰ ৰোডছ বিশ্ববিদ্যালয়ত গুণ মৰাণৰ এশৰীয়া কবিতা প্ৰকাশ

**ই-সংবাদ, গেলেকী, ১৮ মাৰ্চঃ** আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন কবি তথা গেলেকী প্ৰেছ ক্লাৱৰ উপ-সভাপতি গুণ মৰাণৰ কেইটামান এশৰীয়া কবিতা Institute for the study of the Englishes of Africa (ISEA), Rhodes University য়ে প্ৰকাশ কৰিছে বুলি বিভাগটোৰ সচিব Nomangesi Kelemi-এ কবি মৰাণক মেইলযোগে অৱগত কৰিছে। উল্লেখ্য যে এশৰীয়া কবিতা বিশ্বত প্ৰথম ৰাছিয়াত প্ৰকাশ পাইছিল। কবি গুণ মৰাণে অসমীয়া সাহিত্যত প্ৰতিটো এশৰীয়া কবিতাক একোটাকৈ শিৰোনাম দি এশৰীয়া কবিতা সুদীৰ্ঘ সময় ধৰি চৰ্চা কৰি আহিছে। অসমীয়া সাহিত্যত প্ৰতিটো এশৰীয়া কবিতাক একোটাকৈ শিৰোনাম দি অভিনৱভাৱে এশৰীয়া কবিতা ৰচনা কৰা তেওঁৱেঁই প্ৰথম অসমীয়া কবি। এই এশৰীয়া কবিতাকেইটা অসমৰ বিশিষ্ট অনুবাদক নীৰেন্দ্ৰনাথ ঠাকুৰীয়াই অসমীয়া পৰা ইংৰাজীলৈ অনুবাদ কৰিছে। আফ্ৰিকাৰ ৰোডছ বিশ্ববিদ্যালয়ে প্ৰকাশ কৰা গুণ মৰাণৰ এশৰীয়া কবিতাকেটা ইতিমধ্যে অসমৰ সম্ভ্ৰান্ত আলোচনী তথা অসমৰ বিশিষ্ট সাহিত্যিক ড০ ৰীতা চৌধুৰীৰ সম্পাদনাত প্ৰকাশিত গৰীয়সী আলোচনীত প্ৰকাশ পাইছে। কবি গুণ মৰাণে অসমীয়া সাহিত্যলৈ এই সুনাম কঢ়িয়াই অনাৰ খবৰ শুনি সকলো উৎফুল্লিত হৈ কবি মৰাণক শুভেচ্ছা জনাইছে।




# হাজোত বিজেপিৰ অটল স্মৃতি সভা

ই-সংবাদ, হাজো, ১৮ মাৰ্চঃ আজি আবেলি ভাৰতীয় জনতা পাৰ্টিৰ উত্তৰ কামৰূপ জিলাৰ উদ্যোগত তীৰ্থনগৰী হাজোৰ লৌহমানৰ বিষ্ণুৰাম মেধি প্ৰেক্ষাগৃহত ভাৰতৰত্ন প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ জন্ম শতবাৰ্ষিকীৰ শুভক্ষণত এখন অটল স্মৃতি সভা অনুষ্ঠিত হয়। উত্তৰ কামৰূপ জিলা বিজেপিৰ সভাপতি ভাস্কৰ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত স্মৃতিচাৰণ সভাত বিজেপিৰ প্ৰাক্তন সভাপতি তথা ৰঙিয়া সমষ্টিৰ বিধায়ক ভবেশ কলিতা উপস্থিত হৈ প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ জীৱনদৰ্শন, মূল্যবোধক স্মৰণ কৰি তেওঁ জীৱনকালত দেশমাতৃৰ প্ৰতি আগবঢ়োৱা অনবদ্য অৱদানক শ্ৰদ্ধাৰে স্মৰণ কৰে। সভাত উত্তৰ কামৰূপ জিলা বিজেপিৰ সহস্ৰাধিক নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰে।

# তামুলপুৰত বিশুদ্ধ ভোটাৰ তালিকা সন্দৰ্ভত বিভিন্ন ৰাজনৈতিক দলৰ কৰ্মীৰে জিলা প্ৰশাসনৰ বৈঠক

**ই-সংবাদ, তামুলপুৰ, ১৮ মাৰ্চঃ** নৱগঠিত তামুলপুৰ নিৰ্বাচনী জিলাত এখন বিশুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত সন্দৰ্ভত আজি জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীৰ অধ্যক্ষতাত এখনি সভা অনুষ্ঠিত হয়। বিভিন্ন ৰাজনৈতিক দলৰ বিষয়ববীয়াৰ উপস্থিতিত অনুষ্ঠিত সভাখনত বিশুদ্ধ ভোটাৰ তালিকা সন্দৰ্ভত বিভিন্ন আলোচনা কৰা হয়। বিশেষকৈ যিসকল নতুন ভোটাৰৰ নাম তালিকাত অন্তৰ্ভুক্ত হোৱা নাই, তেওঁলোকে ফৰ্ম-৬-ৰ যোগেদি আবেদন কৰিব পাৰিব। আনহাতে, যিসকলৰ নামৰ শুধৰণিৰ প্ৰয়োজন তেওঁলোকেও নিৰ্দিষ্ট ফৰ্মৰ যোগেদি আবেদন কৰিব পাৰিব। এইক্ষেত্ৰত বি এল এ আৰু বি এল অ'সকলৰ সৈতে জনসাধাৰণে যোগাযোগ কৰিব পাৰিব। আজিৰ সভাখনত বিভিন্ন ৰাজনৈতিক দলৰ কৰ্মীৰ উপৰি বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

# নগাঁৱৰ পশ্চিমাঞ্চলত ধূলিৰ ধুমুহাত ব্যাহত জনজীৱন

**ই-সংবাদ, বেবেজীয়া, ১৮ মাৰ্চঃ** বৰষুণৰ অভাৱত সৃষ্টি হোৱা শুকান বতৰৰ মাজতে মঙলবাৰে নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ গ্ৰামাঞ্চলত সৃষ্টি হোৱা ধূলিৰ ধুমুহাই ৰাইজক ব্যাপক সমস্যাৰ সন্মুখীন কৰায়। আচলতে পুৱাৰে পৰা কিছু সময়ৰ অন্তৰে অন্তৰে আহি থকা বতাহৰ বাবেই এনে পৰিস্থিতিৰ সৃষ্টি হয়। সমগ্ৰ দিন ধৰি অব্যাহত থকা এনে বতাহে গ্ৰামাঞ্চলবোৰৰ বাট-পথ, ঘৰ-বাৰী সৰ্বত্ৰে ধূলিময় কৰি তোলাৰ বিপৰীতে সময়ে সময়ে ধূলিৰ আচ্ছাদনে বাট-পথ চিনিব নোৱাৰা কৰি পেলোৱাৰ দৰে অকল্পনীয় পৰিস্থিতিৰ সৃষ্টি কৰে। একপ্ৰকাৰ বতাহে ধূলিময় কৰি পেলায় গ্ৰামাঞ্চলৰ পৰিৱেশ। যাৰ ফলত জিলাখনৰ চকলাঘাট, ৰাইদঙীয়া, হাতীচোং, দলংঘাট, বটদ্ৰৱা, জাজৰি, হাতীচোং, কাকমাৰী, জামুগুৰি, গেদাৰবড়ি, চমুৱাগাঁও, কাছমাৰী, ভালুকমাৰী আদি গ্ৰামাঞ্চলৰ জনজীৱন ব্যাহত কৰাৰ লগতে গঞ্জাৰাইজক এক অস্বস্তিকৰ পৰিস্থিতিৰ সন্মুখীন কৰায়। আনকি কোনো কোনো সময়ত বতাহৰ মাত্ৰা অধিক বৃদ্ধি হোৱাৰ হেতু ধূলিবোৰ চৌপাশ উৰি ফুৰাত ৰাইজে স্বাভাৱিকভাৱে চলাফিৰা কৰাত ব্যাঘাত জন্মাৰ লগতে গ্ৰামাঞ্চলবোৰৰ পথৰ মুকলি অংশত পথচাৰীয়ে যাতায়াত কৰাত অভাৱনীয় সমস্যাত পৰা দেখা যায়। ইয়াৰ বিপৰীতে ধূলিৰ সমান্তৰালভাৱে বতাহৰ কোবত সৰি পৰা গছৰ শুকান পাতেৰে মানুহৰ চোতাল, বাট-পথ, ৰাজহুৱা স্থান, দোকান-বজাৰ আদি ভৰাই পেলাই সকলোবোৰ কদৰ্যময় কৰি তোলে। সেয়ে গঞ্জাৰাইজে ধূলিৰ প্ৰকোপৰ পৰা পৰিত্ৰাণ পাবৰ বাবে সঘনে ঘৰৰ চোতাল বা পদূলিত পানী ছটিওৱাৰ লগতে দৰ্জা-খিৰিকী দিনতে বন্ধ কৰি থ'বলগীয়াত পৰে। তদুপৰি সঘনে আহি থকা বতাহৰ বাবেই দিনটোত বাৰে বাৰে বিদ্যুত সৰবৰাহ ব্যাহত হোৱাত গঞ্জাৰাইজ আন এক সমস্যাৰে মুখামুখি হ'বলগীয়া হয়।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নং ত যোগাযোগ কৰক।

## নগাঁৱৰ ন-মাটি চাৰিআলিত ট্ৰাক-স্কুটিৰ সংঘৰ্ষ

ই-সংবাদ, বেবেজীয়া, ১৮ মাৰ্চঃ নগাঁও জিলাৰ জাজৰি আৰক্ষী থানাৰ অন্তৰ্গত ন-মাটি চাৰিআলিত মঙলবাৰে বিয়লি প্ৰায় দুই বজাত সংঘটিত হোৱা এক ভয়াৱহ পথ দুৰ্ঘটনাত এজন কিশোৰ আৰু এগৰাকী মহিলা গুৰুতৰভাৱে আহত হয়। প্ৰাপ্ত খবৰ মতে, নগাঁও-মৰিগাঁও সংযোগী ৰাজ্যিক ঘাইপথটোৰে গৈ থকা এ এছ-০১ এল চি-৫৩২৩ নম্বৰৰ এখন ট্ৰাকৰ লগত পথ পাৰ হ'বলৈ বিচৰা এ এছ-১২ এ ডি ৪৬২৮ নম্বৰৰ এখন স্কুটিৰ মাজত সংঘৰ্ষ লগাত দুৰ্ঘটনাটো সংঘটিত হয়। ফলত জিলাখনৰ কাছমাৰীৰ বৰাগাঁও নিবাসী প্ৰণৱ ডেকাৰ পুত্ৰ শংকৰজ্যোতি ডেকা(২১) নামৰ যুৱকজনৰ লগতে স্কুটিখনৰ পিছৰ আসনত বহি অহা স্থানীয় গোসাঁইবৰিৰ নিতু ডেকা(৪০) নামৰ মহিলাগৰাকী গুৰুতৰভাৱে আহত হয়। দুৰ্ঘটনাটো ইমানেই ভয়াৱহ আছিল যে স্কুটিখন একপ্ৰকাৰ বিধ্বস্ত হৈ পৰাৰ বিপৰীতে ট্ৰাকখনে নিয়ন্ত্ৰণ হেৰুৱাই পথৰ কাষ থকা এটা বিদ্যুত বিভাগৰ ট্ৰেন্সফৰ্মাৰৰ কিছু ক্ষতি কৰি এটা গাঁতত সোমাই পৰে। ইফালে, দুৰ্ঘটনাৰ খবৰ পাই জাজৰি আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ আহত দুয়োকে উদ্ধাৰ কৰি সংকটজনক অৱস্থাত নগাঁৱৰ চিকিৎসালয়ত ভৰ্তি কৰে যদিও পিছত চিকিৎসকে দুয়োকে উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰে।

# ডিব্ৰুগড়ত 'বনৰীয়া ঘোঁৰা' শীৰ্ষক সদৌ অসম মুকলি কাৰাটে প্ৰতিযোগিতা আয়োজন

**ই-সংবাদ, ডিব্ৰুগড়, ১৮ মাৰ্চঃ** উজনিৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ হীৰক জয়ন্তী উপলক্ষে ডিব্ৰুগড় জিলা কাৰাটে সন্থা আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যৌথ উদ্যোগত দুদিনীয়া কাৰ্যসূচীৰে অহা ২১ আৰু ২২ মাৰ্চত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বিষ্ণুৰাভা ৰংগ মঞ্চত বনৰীয়া ঘোঁৰা শীৰ্ষক সদৌ অসম মুকলি কাৰাটে প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। এই প্ৰতিযোগিতাত অসমৰ বিভিন্ন জিলাৰ এহেজাৰো অধিক কাৰাটে খেলুৱৈয়ে অংশগ্ৰহণ কৰিব। প্ৰতিযোগিতাৰ লক্ষ্য হল তৃৰ্ণমূল পৰ্যায়ৰ কাৰাটে খেলুৱৈসকলক এখনি মঞ্চ দি উলিয়াই অনা। প্ৰণিধানযোগ্য যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ে ২০১৭ চনত কাৰাটেক খেল হিচাপে অন্তভুৰ্ক্ত কৰি উত্তৰ-পূৰ্বাঞ্চলত পোন প্ৰথমবাৰৰ বাবে আন্তঃ মহাবিদ্যালয় কাৰাটে প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিল। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত ভাৰতবৰ্ষৰ আন আন বিশ্ববিদ্যালয়ে কাৰাটে প্ৰতিযোগিতা অন্তভুৰ্ক্ত কৰিছিল। গৌৰৱৰ বিষয় ডিব্ৰুগড় বিশ্ববিদ্যালয়ে ধাৰাবাহিকভাৱে আন্তঃবিশ্ববিদ্যালয় কাৰাটে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি পদক আনিবলৈ সক্ষম হৈছে। এই বনৰীয়া ঘোঁৰা কাৰাটে প্ৰতিযোগিতাৰ বাবে ইতিমধ্যে আয়োজক সমিতিয়ে আয়োজন তুংগত কৰি তুলিছে। এই প্ৰতিযোগিতাতে অসম কাৰাটে সংগঠক বঁটা বিশিষ্ট কাৰাটে সংগঠক, সদৌ অসম কাৰাটে সন্থাৰ সাধাৰণ সম্পাদক আদৰ্শ চৌধুৰীক দিয়াৰ কথা আয়োজক সমিতিয়ে উল্লেখ কৰে। আদৰ্শ চৌধুৰীয়ে অসমত সিঁচৰতি হৈ থকা বিভিন্ন কাৰাটে সন্থা একত্ৰিত কৰি এখনি মঞ্চত দি সদৌ অসম কাৰাটে সন্থা গঠন কৰাত মুখ্য ভূমিকা পালন কৰিছিল। যিখন সন্থা বৰ্তমান অসমৰ একমাত্ৰ অসম অলিম্পিক সন্থাৰ স্বীকৃতি প্ৰাপ্ত সন্থা। এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলগীয়া সকলোকে আদৰণি জনাইছে বুলি ডিব্ৰুগড় জিলা কাৰাটে সন্থাৰ অঞ্জন চেতিয়াই জানিবলৈ দিয়ে।

# মাহতলিত ৰাজ মিস্ত্ৰীৰ ৰূপত স্কুটি চোৰ

**ই-সংবাদ, দুনী, ১৮ মাৰ্চঃ** ঘৰৰ চৌহদৰ বেৰ নিৰ্মাণ কৰিবলৈ আহি চুৰি কৰি লৈ গ'ল গৃহস্থৰ স্কুটি। গাড়ীৰ গৰাকীয়ে চোৰক কৰায়ত্ত কৰি গতাই দিলে আৰক্ষীক। এই ঘটনা সংঘটিত হৈছে দুনীৰ নিকটৱৰ্তী মাহতলি গাঁৱত। জানিব পৰা মতে, নীলমণি শইকীয়াৰ ঘৰত পকী বেৰৰ কাম কৰিবলৈ আহে দুই পকা মিস্ত্ৰী। ৫ মাৰ্চত বেৰ নিৰ্মাণৰ কাম শেষ কৰি আৰু দুদিন গৃহস্থৰ ঘৰত থাকে দুই পকা মিস্ত্ৰী। সুবিধা বুজি ৭ মাৰ্চত AS-13 R-5127 নম্বৰৰ স্কুটিখন চুৰি কৰে। লগে লগে স্কুটিৰ গৰাকীয়ে এই সন্দৰ্ভত অৱগত কৰে বুঢ়া আৰক্ষী চকীত। আৰক্ষীক অৱগত কৰাৰ সমান্তৰালভাৱে স্কুটিৰ গৰাকীয়েও চলাই যায় অনুসন্ধান। অৱশেষত স্কুটিৰ গৰাকীয়ে গুৱাহাটীৰ পৰা চোৰ শুকচান আলীক কৰায়ত্ত কৰি আৰক্ষীক গতাই দিয়ে। ইয়াৰ পাছতে বুঢ়া আৰক্ষীয়ে শুকচান আলীৰ সহযোগী চৈয়দ নবিদুল হুছেইনক গুৱাহাটীৰ পৰা আটক কৰে। দুই চোৰে স্কুটি চোৰ কৰাৰ কথা স্বীকাৰ কৰাৰ পাছতে দুয়োকে লৈ অনুসন্ধান অব্যাহত ৰাখিছে আৰক্ষীয়ে। জনা মতে, স্কুটিখন ধুবুৰীলৈ প্ৰেৰণ কৰিছে দুই চোৰে। ইয়াৰ লগতে স্কুটিৰ ডিকিত থকা গৃহস্থৰ ATM কাৰ্ডখনৰ জৰিয়তে ইতিমধ্যে একাউন্টত থকা দহ হাজাৰ টকাও উলিয়াই নিয়ে দুই চোৰে।

# কামৰূপৰ দদৰাত বিদ্যুত বিতৰণ উপ-কেন্দ্ৰ মুকলি

**ই-সংবাদ, শুৱালকুছি, ১৮ মাৰ্চঃ** অসম শক্তি বিতৰণ কোম্পানীৰ আমিনগাঁও উপ-সংমণ্ডলৰ অধীনত কামৰূপৰ দদৰাত নিৰ্মাণ কৰা শক্তি বিতৰণ উপ-কেন্দ্ৰটো আজি ৰাইজৰ সেৱাত মুকলি কৰে শক্তি বিভাগে। এই উপলক্ষে দদৰা শক্তি বিতৰণ উপ-কেন্দ্ৰটো মুকলি কৰে মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীয়ে। কেন্দ্ৰটো মুকলি কৰি তেওঁ কয় যে দদৰা শক্তি বিতৰণ উপ-কেন্দ্ৰটিৰ ৩৩১১ কে ভি বিদ্যুত যোগানৰ ক্ষমতা থাকিব। এতিয়াৰে পৰা অঞ্চলটোৰ ৰাইজে নিয়মীয়াকৈ বিদ্যুত লাভ কৰিব। পূৰ্বৰ তুলনাত উন্নত মানৰ ভ'ল্টেজ লাভ কৰিব বিদ্যুত গ্ৰাহকে। আনহাতে, অনুষ্ঠানত উপস্থিত থাকি বিশিষ্ট সমাজকৰ্মী তথা বিজেপি নেতা মানিক দাসে কয় যে দদৰাত স্থাপন কৰা এই শক্তি কেন্দ্ৰটোৰ জৰিয়তে পূব বংশৰ অঞ্চলৰ আজ্জাঠুৰি, দদৰা, শিঙিমাৰী, বৌমাৰী, পাকোৰকোণা, পছৰীয়া, আলিকাষ, বামুণবড়ী, বৰগাঁও, বঙলাগড় আদি দদৰা, শিঙিমা, পছৰীয়া ৩ খন পঞ্চায়তৰ ৰাইজ উপকৃত হ'ব বুলি মন্তব্য কৰে। আজিৰ শক্তি বিতৰণ উপ-কেন্দ্ৰ মুকলি অনুষ্ঠানত উপস্থিত থাকে আমিনগাঁও বিদ্যুত উপ-সংমণ্ডলৰ প্ৰৱন্ধক দীপজ্যোতি বৰা, বিশিষ্ট সমাজকৰ্মী মানিক দাস, নৃপেন ডেকা, মুন মেধি, দদৰা পঞ্চায়তৰ প্ৰাক্তন সভাপতি মনেশ্বৰ বৈশ্য, কৰুণা দাস আদি।

# ৰঙিয়াত আছুৰ উদ্যোগত ড্ৰাগছ বিৰোধী সজাগতা সমদল

**ই-সংবাদ, ৰঙিয়া, ১৮ মাৰ্চঃ** ৰঙিয়াত আজি আছুৰ উদ্যোগত ড্ৰাগছ বিৰোধী সজাগতামূলক সমদল অনুষ্ঠিত কৰা হয়। আছুৰ লগতে অসম উন্নতি সভা আৰু অসম সেনাৰ আহ্বানত আয়োজিত সমদলত কামৰূপ জিলা ছাত্ৰ সন্থা, কামৰূপ জিলা উন্নতি সভা আৰু অসম সেনাৰ কামৰূপ জিলা সমিতিৰ সদস্যসকলে অংশগ্ৰহণ কৰে। সমদলত অংশগ্ৰহণকাৰীসকলে হাতে হাতে বেনাৰ-ফেষ্টুন লৈ 'ড্ৰাগছৰ প্ৰচলন বন্ধ কৰক', 'ড্ৰাগছৰ বিৰুদ্ধে সজাগ হওক', 'ড্ৰাগছ বেপাৰী হুছিয়াৰ' আদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্যালয়ৰ পৰা আৰম্ভ হোৱা সমদলটি ৰঙিয়া নগৰৰ মূল পথসমূহ পৰিভ্ৰমণ কৰি আকাশ-বতাহ মুখৰিত কৰি তোলে। ইফালে, কাৰ্যসূচীত আছুৰ কেন্দ্ৰীয় কাৰ্যালয় সম্পাদক ভৱজ্যোতি ডেকাই অংশগ্ৰহণ কৰি অসমক ড্ৰাগছ মুক্ত কৰি ভৱিষ্যৎ প্ৰজন্মক ৰক্ষা কৰাৰ বাবে ৰাজ্য চৰকাৰ আৰু আৰক্ষী বিভাগক কঠোৰ পদক্ষেপ লোৱাৰ আহ্বান জনায়। আজিৰ এই কাৰ্যসূচীক লৈ ৰাইজেও সন্তুষ্টি প্ৰকাশ কৰিছে।

# টাই ৰীতি-নীতিৰে ৭৪ সংখ্যক স্মৃতি তৰ্পণ অনুষ্ঠানৰ সামৰণি

**ই-সংবাদ, মথুৰাপুৰ, ১৮ মাৰ্চঃ** অসমীয়া জাতিৰ পিতৃপুৰুষ স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ লগতে অন্য স্বৰ্গদেউসকলৰ প্ৰতি শ্ৰদ্ধা জনোৱাৰ উদ্দেশ্যৰে ১৭, ১৮ মাৰ্চত দুদিনীয়া কাৰ্যসূচীৰে চৰাইদেউ মৈদামক্ষেত্ৰত আয়োজন কৰা ৭৪ সংখ্যক স্মৃতি তৰ্পণ অনুষ্ঠানটি আজি সামৰণি পৰে। উল্লেখ্য যে প্ৰতি বছৰে চত মাহৰ কৃষ্ণ চতুৰ্থীৰ দিনা আয়োজন কৰা এই অনুষ্ঠানৰ প্ৰথম দিনা ধৰ্মধ্বজ্জা উত্তোলন কৰে উদযাপন সমিতিৰ সভাপতি সত্যন কোঁৱৰে। ইয়াৰ পাছতে চাওলুং চ্যুকাফাই উপাসনা কৰা লাংকুৰিত চোমদেউলৈ ভোগ পায়স আগবঢ়োৱা হয়। আজি দ্বিতীয় দিনা টাই পুৰুহিতে (মলুং) আহোমৰ স্বৰ্গদেউ, উপৰিপুৰুষ, পুলিন-পুথাওসকলক শ্ৰদ্ধাৰে সোৰৰি বাঁহৰ মেহেঙা সাজি, লোকলাও, কণী, বৰা চাউল, কুকুৰা, কল, ধূপ, গুৱা-পাণ, চাকি-শলিতা জ্বলাই নৈবদ্য আগবঢ়াই বান-ফী পূজা সম্পন্ন কৰে। ৰাজ পৰিয়ালৰ লগতে বিভিন্ন প্ৰান্তৰ পৰা অহা ৰাইজৰ উপস্থিতিত ১২২৮ ৰ পৰা ১৮২৬ চনলৈ সুদীৰ্ঘ কাল শাসন কৰা ৩৯ জন স্বৰ্গদেউৰ লগতে আৰাধ্য দেৱতা লেংডশ, ঙি-খুন লুং আৰু ঙি-খুন লাইৰ স্মৃতিত ৪২ খন পায়সৰ শৰাই আগবঢ়াই শ্ৰদ্ধাঞ্জলি জনাই আশিস গ্ৰহণ কৰে। আজিৰ অনুষ্ঠানত স্থানীয় বাসীন্দা তথা সোণাৰিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, নাগালেণ্ড বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য তথা তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ বলীন কোঁৱৰ, শিক্ষাবিদ ৰোহিনী মহন, অধিবক্তা ডম্বৰু ৰাজকোঁৱৰ, আহোম ৰয়েল ছ'চাইটিৰ কমলা ৰাজকোঁৱৰ, আটাচুৰ দিগন্ত চাংমাইকে ধৰি বহু গণ্য মান্য ব্যক্তি উপস্থিত হৈ চাওফাসকলৰ আশিস গ্ৰহণ কৰে।

# পৰ্বতঝোৰাৰ বৈনাগুৰীত গৰু চোৰৰ সন্ত্ৰাস, ধৃত চোৰ

**ই-সংবাদ, পৰ্বতঝোৰা, ১৮ মাৰ্চঃ** কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ ৰূপচী আৰক্ষী চকীৰ অন্তৰ্গত বৈনাগুৰি দ্বিতীয় খণ্ড গাঁৱত যোৱা নিশা গৰু চোৰ কৰিবলৈ আহি এটা চোৰ ৰাইজৰ হাতত আটক হোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। উল্লেখ্য যে যোৱা নিশা বন্যাগুৰি গাঁৱৰ এজন লোকৰ গোহালী ঘৰত এন্ধাৰৰ সুযোগ লৈ গৰু চুৰি কৰাৰ উদ্দেশ্যেএটা চোৰ সোমাই পৰে। দীৰ্ঘদিন ধৰি অঞ্চলটোত গৰু চোৰে সন্ত্ৰাসৰ সৃষ্টি কৰাত অঞ্চলটোৰ ৰাইজে সৰ্তক দৃষ্টি ৰখাৰ সময়তে যোৱা নিশা উক্ত গাঁওৰে এজন লোকৰ গোহালী ঘৰত গৰু চুৰি কৰাৰ বাবে চোৰ সোমোৱাৰ উমান পাই ৰাইজে চিঞৰ-বাখৰ কৰে। পিছত ৰাইজে পলাবলৈ চেষ্টা কৰা মহৰ আলী নামৰ গৰু চোৰটোক আটক কৰিবলৈ সক্ষম হয়। ৰাইজে ধৃত গৰু চোৰক ৰূপসী আৰক্ষীক গতাই দিয়ে। ধৃত গৰু চোৰটোৰ ঘৰ ওচৰৰে দাৰুচুকা গাঁও বুলি জানিব পৰা গৈছে। বৰ্তমান আৰক্ষীয়ে গৰু চোৰটোক জেৰা অব্যাহত ৰাখিছে।

# ‘জেৰেঙাৰ সতী’ নাটক প্ৰতিযোগিতাত মৰিয়নিৰ দুটাকৈ নাট্য দলৰ সফলতা

**ই-সংবাদ, মৰিয়নি, ১৮ মাৰ্চঃ** শিৱসাগৰ জিলাৰ জাঁজী জামুগুৰিৰ বিষ্ণুপ্ৰিয়া সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত ১৬ আৰু ১৭ মাৰ্চত দুদিনীয়া কাৰ্যসূচীৰে সম্পন্ন হোৱা সদৌ অসম ভিত্তিক গণেশ গগৈৰ ‘জেৰেঙাৰ সতী’ নাট প্ৰতিযোগিতাত যোৰহাট জিলাৰ মৰিয়নিৰ দুটাকৈ নাট্য দলে দলীয় শাখাত শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। দক্ষিণ যোৰহাট আহোম সভাই প্ৰথম শ্ৰেষ্ঠ দল পোৱাৰ বিপৰীতে মৰিয়নিৰ বিষ্ণুজ্যোতি সামাজিক সাংস্কৃতিক গোষ্ঠী, চেলেংহাটে দ্বিতীয় আৰু মৰিয়নিৰে গিবন কুশীলৱ নাট্য গোষ্ঠী, নকচাৰীয়ে তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়। ব্যক্তিগত শাখাতো বিষ্ণুজ্যোতি সামাজিক সাংস্কৃতিক গোষ্ঠী চেলেংহাটৰ অৰ্ণৱ দত্তই শ্ৰেষ্ঠ অভিনেতা, দেৱবিকাশ দত্তই শ্ৰেষ্ঠ খলনায়ক, ঝৰ্ণা ফুকনে দ্বিতীয় শ্ৰেষ্ঠ অভিনেত্ৰী আৰু অমৰজ্যোতি লাহনে দ্বিতীয় শ্ৰেষ্ঠ পুৰস্কাৰ লাভ কৰে।

# ৰহমৰীয়াত ধুমুহাৰ তাণ্ডৱত গৃহহাৰা বহু পৰিয়াল

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ১৮ মাৰ্চঃ** ব’হাগ বিহুৰ পূৰ্বেই উজনি অসমত ধুমুহা-বৰষুণে তাণ্ডৱ আৰম্ভ কৰিছে। যোৱা নিশা প্ৰচণ্ড ধুমুহাৰ কৱলত পৰি ডিব্ৰুগড় জিলাৰ ৰহমৰীয়াত কেইবাটাও পৰিয়াল গৃহহাৰা হয়। চাবুৱা ৰাজহ চক্ৰৰ অন্তৰ্গত ৰহমৰীয়া মৌজাৰ গেণীচুক, হাঁহৰিয়াল, বগৰীতলিয়াত নিশা প্ৰচণ্ড ধুমুহাই তাণ্ডৱ চলায়। জানিব পৰা মতে, নিশা অহা প্ৰচণ্ড ধুমুহাত চাবুৱা-লাহোৱাল সমষ্টিৰ ৰহমৰীয়াৰ বিভিন্ন প্ৰান্তত বহু পৰিয়ালৰ বিস্তৰ ক্ষতিসাধন হয়। ৰহমৰীয়াত ২০ টাতকৈ অধিক পৰিয়ালৰ বাসগৃহ অনিষ্ট হয়। প্ৰকাণ্ড গছৰ ডাল পৰি ক্ষতিসাধন হয় কেইবাখনো দুচকীয়া, তিনিচকীয়া বাহন। আনহাতে, বিভিন্ন স্থানত বিদ্যুৎ পৰিবাহী তাঁৰ ছিঙি পৰাত ব্যাহত হৈ পৰিছে বিদ্যুৎ সেৱা। এগৰাকী বৃদ্ধা আৰু এটি শিশুৰ কথমপি প্ৰাণ ৰক্ষা পৰে। ধুমুহাত তাণ্ডৱ চলোৱা ৰহমৰীয়াৰ দুৰ্দশাগ্ৰস্ত পৰিয়ালৰ কাষত থিয় দিয়ে বিধায়ক বিনোদ হাজৰিকা। আজি পুৱাই বিধায়ক বিনোদ হাজৰিকাই ৰহমৰীয়া, কচুৱনী, বগৰীতলীয়া, বৰতিচুক, গেণীচুকত উপস্থিত হৈ দুৰ্দশাগ্ৰস্ত পৰিয়ালৰ খবৰ লয়। তেওঁ শীঘ্ৰে দুৰ্দশাগ্ৰস্ত পৰিয়ালক চৰকাৰ তৰফৰ পৰা ক্ষতিপূৰণ দিয়াৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। অঞ্চলটোৰ বহু পৰিয়ালৰ বাসগৃহ ধুমুহাত ক্ষতিসাধন হোৱাত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। ধুমুহাত ক্ষতিগ্ৰস্ত পৰিয়াল কেইটাই নিশা আশ্ৰয় বিচাৰি হাহাকাৰ কৰিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হয়। এনেদৰে এতিয়া অঞ্চলটোত বহু লোক অসহায় হৈ পৰা দেখা গৈছে।

# বেলশৰ জিলা পৰিষদত পঞ্চদশ বিত্তীয় আয়োগৰ আঁচনিত ব্যাপক অনিয়ম

**ই-সংবাদ ব্যুৰ', নলবাৰী, ১৮ মাৰ্চঃ** নলবাৰী জিলাত গ্ৰামোন্নয়নৰ নামত আবণ্টিত ধনৰ সদ্ব্যৱহাৰ নোহোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন হোৱাৰ পিছতো গ্ৰামোন্নয়ন বিভাগত উৰ্ধতন কৰ্তৃপক্ষই কোনো ব্যৱস্থা লোৱা নাই। ইয়াকে লৈ ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অভিযোগ অনুসৰি জিলাখনৰ একাংশ জিলা পৰিষদ সমষ্টিত বিভিন্ন আঁচনিৰ নামত আবণ্টিত লক্ষ লক্ষ টকাৰ প্ৰাককলনক অংগুষ্ঠ প্ৰদৰ্শন কৰি আঁচনি ৰূপায়ণত অনিয়ম সংঘটিত কৰাৰ গুৰুতৰ অভিযোগ উঠিছে। প্ৰাপ্ত অভিযোগ অনুসৰি, জিলাখনৰ বেলশৰ জিলা পৰিষদত পঞ্চদশ বিত্তীয় আয়োগৰ ২০২২-২৩ বৰ্ষৰ ২য় কিস্তিৰ পুঁজিৰে নিৰ্মাণ কৰা জাগাৱা ৰাজহুৱা কাৰ্যালয় গৃহ নিৰ্মাণত অনিয়ম সংঘটিত হৈছে। জিলা পৰিষদখনৰ সদস্যা ৰীতা মণি ডেকা আৰু আঁচনিৰ দায়িত্বত থকা নলবাৰী জিলা পৰিষদ কাৰ্যালয়ৰ কনিষ্ঠ অভিযন্তাগৰাকীয়ে আঁচনি ৰূপায়ণত অনিয়মৰ আশ্ৰয় লোৱা বুলি স্থানীয় এচাম সচেতন নাগৰিকে অভিযোগ তুলিছে। অভিযোগ অনুসৰি, পাঁচ লাখটকীয়া গৃহটো প্ৰাককলৰ নিয়ম ভংগ কৰি ঠেক কৰাৰ লগতে নিম্ন মানৰ টিনপাত, কেঞ্চি, পাৰ্লিঙৰ পাইপ ব্যৱহাৰ কৰা হৈছে। যিটো তদন্ত কৰিলে অনিয়ম পোহৰলৈ আহিব বুলি মন্তব্য কৰিছে এচাম সচেতন নাগৰিকে। জিলা পৰিষদখনৰ সদস্যা (বৰ্তমান প্ৰাক্তন) গৰাকীৰ স্বামীয়ে এক প্ৰকাৰৰ ঠিকাদাৰৰ ভূমিকা লৈ আঁচনিৰ কাম কৰা বুলিও ৰাইজৰ মাজত চৰ্চা চলিছে। অকল, এয়াই নহয় জাগাৱা শংকৰদেৱ শিশু নিকেতনৰ আঠ লক্ষাধিক টকাৰ পকী ৱাল আৰু জাগাৱা সভা খোলাৰ প্ৰাথমিক বিদ্যালয়ৰ কাষত নিৰ্মাণ কৰা ছয় লক্ষাধিক টকাৰ ৰাজহৰ গৃহটো নিৰ্মাণতো অনিয়ম হোৱাৰ অভিযোগ পোৱা গৈছে। জিলা পৰিষদখনৰ পাঁচ-বছৰীয়া কাৰ্যকালত জিলা পৰিষদ এলেকাত কি কি আঁচনিৰ ধাৰ্য কৰা হৈছে আৰু কাম সম্পন্ন কৰা হৈছে? আনহাতে, আঁচনিৰ বিপৰীতে চৰকাৰী কিমান ধন আবণ্টিত হৈছে- এই তথ্য জনাৰ পৰা জিলা পৰিষদৰ প্ৰতিনিধিয়ে ৰাইজক অন্ধকাৰত ৰখাৰ অভিযোগ উত্থাপিত হৈছে। ৰাইজে সমগ্ৰ বিষয়সমূহ তদন্তৰ দাবী জনাইছে।

# বৰী টাপা-ঠুটিকাটা মিলন বজাৰ সমিতিৰ ভূমি হস্তান্তৰ আৰু ভূমি পূজন অনুষ্ঠান সম্পন্ন

**ই-সংবাদ, চামতা, ১৮ মাৰ্চঃ** পশ্চিম নলবাৰীৰ নৱগঠিত বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত বৰী-টাপা-ঠুটিকাটা মিলন আৰক্ষী পহৰা চকীৰ স্থায়ী গৃহ নিৰ্মাণৰ বাবে বৰী-টাপা-ঠুটিকাটা মিলন বজাৰ সমিতিয়ে আজি তেওঁলোকৰ এক বিঘাৰো অধিক ভূমি অসম চৰকাৰৰ আৰক্ষী বিভাগক আনুষ্ঠানিকভাৱে দান কৰি নথি-পত্ৰসহ জমিখিনি বিভাগক হস্তান্তৰ কৰাৰ লগতে ভূমি পূজন অনুষ্ঠানো সম্পন্ন কৰে। আজি ভূমি হস্তান্তৰ আৰু ভূমি পূজন অনুষ্ঠানত উপস্থিত থাকে নলবাৰী জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক পৱন কোঁৱৰ, মুকালমুৱা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া নিলোৎপল দলে, শোলমাৰা আৰক্ষী চকিৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া বিশাল কাশ্যপ, শিঙিমাৰা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মনোজ কুমাৰ দাস, বৰী-টাপা-ঠুটিকাটা মিলন পহৰা চকীৰ আৰক্ষী বিষয়া তৰণী কান্ত বড়ো, বৰী-টাপা-ঠুটিকাটা মিলন বজাৰ সমিতিৰ সভাপতি গিৰিশ চন্দ্ৰ মেধি, সম্পাদক চন্দ্ৰ কান্ত দাস, কাৰ্যকৰী সভাপতি অখিল চন্দ্ৰ হালৈ, সহকাৰী সম্পাদক প্ৰফুল্ল কুমাৰ দাসৰ লগতে স্থানীয় ৰাইজ উপস্থিত থাকে। বৰী-টাপা-ঠুটিকাটা মিলন বজাৰ সমিতিৰ সম্পাদক চন্দ্ৰ কান্ত দাসে আঁত ধৰা অনুষ্ঠানত সভাপতিত্ব কৰে গিৰিশ চন্দ্ৰ মেধিয়ে। অনুষ্ঠানত ভাষণ প্ৰদান কৰে নলবাৰী জিলাৰ অতিৰিক্ত আৰক্ষী আধীক্ষক পৱন কোঁৱৰ, মুকালমুৱা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া নিলোৎপল দলেয়ে। আজি ভূমি পূজনৰ পিছতে বৰী-টাপা-ঠুটিকাটা মিলন বজাৰ পৰিচালনা সমিতিৰ সভাপতি গিৰিশ চন্দ্ৰ মেধি আৰু সম্পাদক চন্দ্ৰকান্ত দাসে বজাৰ পৰিচালনা সমিতিৰ ১ বিঘা ৪ কঠা ৮ লেচা জমি আৰক্ষী চকিৰ স্থায়ী গৃহ নিৰ্মাণৰ বাবে আনুষ্ঠানিকভাৱে নথি-পত্ৰসহ হস্তান্তৰ কৰে নলবাৰীৰ অতিৰিক্ত আৰক্ষী অধীক্ষক পৱন কোঁৱৰৰ হাতত।

### জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিত গুৰুত্ব আৰোপ প্ৰতিগৰাকী সমল ব্যক্তিৰ

# জলবায়ু পৰিৱৰ্তন সম্পৰ্কীয় কৰ্মশালা সম্পন্ন

**ই-সংবাদ, সোণাৰি, ১৮ মাৰ্চঃ** অসম জলবায়ু পৰিৱৰ্তন ব্যৱস্থাপনা সমিতি, অসম চৰকাৰৰ পৰিৱেশ আৰু বন বিভাগে ৰাজ্যখনৰ সকলো অংশীদাৰৰ মাজত জলবায়ু পৰিৱৰ্তনৰ সজাগতা সৃষ্টিৰ বাবে কৰা নিৰন্তৰ প্ৰচেষ্টাৰ অংশ হিচাপে চৰাইদেউ জিলা প্ৰশাসনৰ উদ্যোগত আৰু বেচৰকাৰী সংস্থা জীৱন সুৰক্ষাৰ সহযোগত আজি চৰাইদেউ জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত জিলাপৰ্যায়ৰ বিষয়াসকলৰ বাবে এখন দিনজোৰা জিলা পৰ্যায়ৰ সামৰ্থ্য গঠন কৰ্মশালাৰ আয়োজন কৰা হয়। জিলা আয়ুক্ত কাৰ্যালয়ৰ বিভিন্ন বিভাগৰ বিষয়া, কাৰিকৰী প্ৰতিষ্ঠান আৰু নাগৰিক সমাজ, সংগঠনৰ প্ৰতিনিধিসহ প্ৰায় ৬০ জন অংশগ্ৰহণকাৰীয়ে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। কৰ্মশালাৰ উদ্বোধনী অনুষ্ঠানত জীৱন সুৰক্ষাৰ সভানেত্ৰী ড০ ৰঞ্জিতা বণিয়াই অতিথিসকলক আদৰণি জনোৱাৰ বিপৰীতে এচিচিএমএছৰ কাৰিকৰী পৰামৰ্শদাতা ৰিজৱান উজ জামানে মুকলি ভাষণ প্ৰদান কৰি সমাজখনৰ বিষয়ে আৰু কৰ্মশালাখন সম্পন্ন কৰাৰ উদ্দেশ্যৰ বিষয়ে বক্তব্য আগবঢ়ায়। জলবায়ু পৰিৱৰ্তন সম্পৰ্কীয় অসম ৰাজ্যিক কাৰ্য্য পৰিকল্পনাৰ ওপৰত আলোকপাত কৰি জামানে জলবায়ু পৰিৱৰ্তনৰ সমস্যাৰ বিৰুদ্ধে যুঁজিবলৈ বিভাগসমূহৰ বিষয়াসকলক সহযোগিতামূলক প্ৰচেষ্টা আৰু জলবায়ু কাৰ্য্যসমূহ বিভাগীয় পৰিকল্পনা প্ৰক্ৰিয়াত মূলসুঁতিলৈ অনাৰ গুৰুত্বৰ ওপৰত বক্তব্য আগবঢ়ায়। ৰাজ্যৰ শক্তি খণ্ডৰ ডিকাৰ্বনাইজিং, সম্ভাব্য কাৰ্বন নিষ্কাশনৰ বাবে ৰাজ্যৰ বিশাল সেউজ আৱৰণ টেপ কৰা, নিয়মীয়াকৈ সেউজ বাজেট টেগিঙৰ জৰিয়তে ব্যয়ৰ পৰিৱৰ্তনৰ ওপৰত নিষ্ঠাৰে মনোনিৱেশ কৰি জলবায়ু কাৰ্য্যৰ ক্ষেত্ৰত অসমক আগশাৰীৰ ৰাজ্য হিচাপে গঢ়ি তোলাত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দৃষ্টিভংগী আৰু মিছনৰ ওপৰত আলোকপাত কৰে। কৰ্মশালাখন উদ্বোধন কৰি মুখ্য অতিথি, জিলা উপায়ুক্ত ড° নেহা যাদৱে কয় যে জলবায়ু পৰিৱৰ্তন এতিয়া সুদূৰ ভৱিষ্যত নহয় আৰু জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ বানপানীৰ দৰে চৰম পৰিঘটনাৰ তীব্ৰতা বৃদ্ধিত অধিক দৃশ্যমান হৈছে। গতিকে বিভাগীয় বিষয়া আৰু জনসাধাৰণকে ধৰি সকলো অংশীদাৰে জলবায়ু পৰিৱৰ্তন সজাগতা সৃষ্টিৰ গুৰুত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰা প্ৰয়োজন বুলি মন্তব্য আগবঢ়ায় আয়ুক্তগৰাকীয়ে। ইফালে, প্ৰথম কাৰিকৰী অধিৱেশনৰ নেতৃত্বত এচিচিএমএছৰ গৱেষণা সহযোগী (আউটৰিচ) অৰিন্দম গোস্বামীয়ে জলবায়ু পৰিৱৰ্তনৰ আঁৰৰ বিজ্ঞান আৰু পৰ্যবেক্ষণ কৰা জলবায়ুৰ তাৰতম্য আৰু জলবায়ু পৰিৱৰ্তনৰ ওপৰত অসম ৰাজ্যিক কাৰ্য্য পৰিকল্পনাত কল্পনা কৰা জলবায়ুৰ কাৰ্য্যৰ ওপৰত উপস্থাপন কৰে। চৰাইদেউ জিলা কৃষি বিষয়া ৰবীন ৰেইনে জলবায়ু স্থিতিস্থাপক শস্য ব্যৱস্থাপনাৰ ওপৰত উপস্থাপন কৰে। বৰ্ধিত উষ্ণতা, পৰিৱৰ্তিত বৰষুণৰ ধৰণক আলোকপাত কৰি তেওঁ কয় যে জলবায়ু-স্মাৰ্ট কৃষি আৰু জলবায়ুৰ প্ৰতি স্থিতিস্থাপক শস্য গ্ৰহণ কৰিলে কৃষকসকলে ভৱিষ্যতৰ জলবায়ুৰ পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাত সহায় কৰিব পাৰে। আনহাতে, দ্বিতীয় কাৰিকৰী অধিৱেশনৰ আৰম্ভণিতে জীৱন সুৰক্ষাৰ মীন জীৱবিজ্ঞানী ড° ৰঞ্জিতা বণিয়াই জলজ সম্পদ আৰু জলাশয়ৰ পৰিৱেশ তন্ত্ৰৰ ওপৰত জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱৰ ওপৰত ভাষণ দিয়ে আৰু জলবায়ু সংকটৰ বিৰুদ্ধে যুঁজিবলৈ সম্প্ৰদায়ৰ নেতৃত্বত বহুমুখী ব্যৱস্থাপনা পৰিকল্পনা গ্ৰহণ কৰাৰ লগতে জলবায়ু স্মাৰ্ট গাঁৱৰ ধাৰণাটোৰ ওপৰত গুৰুত্ব আৰোপ কৰে। জিলা দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ বিষয়া বিজয়লক্ষ্মী গগৈয়ে দুৰ্যোগৰ আশংকা হ্ৰাস আৰু জিলাখনত গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে আলোচনা কৰে। জলবায়ু পৰিৱৰ্তন আৰু মানৱ স্বাস্থ্য বিষয়া চৰাইদেউৰ ড° দ্বাৰিকা চাহু আৰু গোপী চেতিয়াই যৌথভাৱে মানসিক স্বাস্থ্যৰ ওপৰত জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱৰ ওপৰত আলোকপাত কৰে আৰু মোকাবিলা কৰা উপায়ৰ পৰামৰ্শ দিয়ে। জলবায়ুৰ ভাবুকি আৰু ইয়াৰ প্ৰশমনৰ ব্যৱস্থাসমূহ প্ৰত্যক্ষ অভিজ্ঞতাৰে চিনাক্ত কৰিবলৈ জীৱন সুৰক্ষাৰ কে কে চত্ৰধাৰাই অংশগ্ৰহণমূলক অধিৱেশনৰ পৰিকল্পনা কৰিছিল। অংশগ্ৰহণকাৰী বিষয়াসকলে ভাগ-বতৰা কৰে যে চৰাইদেউৰ বাবে জিলা পৰ্যায়ৰ জলবায়ু কাৰ্য্য পৰিকল্পনা আৰু গাঁওপৰ্যায়ত স্থানীয় জলবায়ু কাৰ্য্য পৰিকল্পনাৰ প্ৰয়োজন যাতে ৰাজ্যিক পৰ্যায়ৰ কাৰ্য্য পৰিকল্পনাক স্থানীয় সমস্যাৰ সৈতে মিলাই দিয়া হয়। জলবায়ু পৰিৱৰ্তনৰ বিষয়টোৰ ওপৰত বিভাগীয় বিষয়াসকলক সংবেদনশীল কৰি তোলা আৰু জলবায়ু পৰিৱৰ্তনৰ অভিযোজন আৰু প্ৰশমন ব্যৱস্থাৰ ওপৰত সংশ্লিষ্ট লাইন বিভাগ আৰু চি এছ অ'সমূহৰ সামৰ্থ্য গঢ়ি তোলা আৰু অংশগ্ৰহণকাৰীসকলক তেওঁলোকৰ ড'মেইনৰ ভিতৰত জলবায়ু কাৰ্য্যসূচী আৰম্ভ কৰিবলৈ সক্ষম কৰাৰ বাবে এই কৰ্মশালাৰ আয়োজন কৰা হৈছিল। উল্লেখযোগ্য যে জলবায়ু পৰিৱৰ্তন সম্পৰ্কীয় অসম ৰাজ্যিক কাৰ্য্য পৰিকল্পনা সকলো বিভাগতে ৰূপায়ণ আৰু প্ৰয়োজনীয় কাৰিকৰী সহায় আগবঢ়াবলৈ অসম চৰকাৰে ২০১৮ চনত অসম জলবায়ু পৰিৱৰ্তন ব্যৱস্থাপনা সমিতি গঠন কৰিছিল। ৰিজৱান উজ জামানৰ সাৰাংশ আৰু পৰামৰ্শৰে জলবায়ু পৰিৱৰ্তন সম্পৰ্কীয় আজিৰ এই বিশেষ কাৰ্যসূচীৰ সফল সামৰণি পৰে।

## ধৰ্ষণৰ অভিযোগত এজনক জে'ললৈ

**ই-সংবাদ, মোৰাঝাৰ, ১৮ মাৰ্চঃ** হোজাইৰ মোৰাঝাৰ থানাৰ অন্তৰ্গত বৰবালিত এক ধৰ্ষণকাণ্ডক লৈ চাঞ্চল্যৰ সৃষ্টি হৈছে। পৱিত্ৰ ৰমজান মাহ চলি থকাৰ মাজতে এগৰাকী কিশোৰীৰ সৈতে কু-কৰ্ম কৰি কালি আৰক্ষী জালত পৰিছে ধৰ্মীয় অনুষ্ঠানৰ ইমাম। উল্লেখ্য যে বৰবালিৰ এক ধৰ্মীয় অনুষ্ঠানত নিয়োজিত হৈ থকা সহকাৰী ইমামজনে এগৰাকী কিশোৰীক যৌন নিৰ্যাতন চলোৱাৰ অভিযোগত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। ভুক্তভোগীৰ অভিযোগৰ ভিত্তিত দেৰস্থান আৰক্ষীয়ে আটক কৰে ইয়াহহিয়া আহমেদ নামৰ ইমামজনক। ইয়াহহিয়াৰ ঘৰ চাৰিংপথাৰত। দেৰস্থান আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত পৰিদৰ্শক বিষয়া কৈলাশ মালাকাৰে ৩৮/২৫ নম্বৰৰ গোচৰ ৰুজু কৰি গ্ৰেপ্তাৰ কৰা লম্পট ইয়াহহিয়াক আজি শ্ৰীমন্ত শংকৰদেৱ নগৰ আদালতৰ জৰিয়তে জে'ললৈ প্ৰেৰণ কৰে।

## লাহৰীঘাটত অৰুণোদয় হিতাধিকাৰী বাচনিত দুৰ্নীতিৰ অভিযোগত প্ৰতিবাদ

**ই-সংবাদ, লাহৰীঘাট, ১৮ মাৰ্চঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত অৰুণোদয় আঁচনিৰ হিতাধিকাৰী বাচনিত হোৱা ব্যাপক দুৰ্নীতিৰ অভিযোগত বঞ্চিত লোকসকলে আজি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে অৰুণোদয় আঁচনিৰপৰা বঞ্চিত হৈ আজি মৈৰাবাৰী উন্নয়ন খণ্ডৰ অন্তৰ্গত লাহৰীঘাটৰ বৰবৰি গাঁও পঞ্চায়তত অৰুণোদয় আঁচনিৰ হিতাধিকাৰী বাচনিত ব্যাপক অনিয়মৰ অভিযোগ তুলি পঞ্চায়ত কাৰ্যালয়ৰ চৌহদত একাংশ বঞ্চিত মহিলা আৰু বিশেষভাৱে সক্ষম লোকে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। অভিযোগ মতে, এটা দালাল চক্ৰই শাসকীয় বিজেপি দলৰ বুথ সমিতি আৰু পঞ্চায়ত সচিবৰ সৈতে গোপন বুজাবুজিৰে ধনৰ বিনিময়ত উপযুক্ত লোকক বঞ্চিত কৰি অনুপযুক্ত লোকক হিতাধিকাৰী হিচাপে বাচনি কৰিছে। পঞ্চায়তখনৰ ২ নং ৱাৰ্ডৰ ছহিদা খাতুন, হামিদা বেগমসহ কেইবাগৰাকীও দৰিদ্ৰ, বিধৱা মহিলা আৰু বিশেষভাৱে সক্ষম লোকে অভিযোগ কৰা মতে, পঞ্চায়তখনৰ দিলো নামৰ এটা দালালে অৰুণোদয় দিয়াৰ নামত তেওঁলোকৰ পৰা ৩ হাজাৰকৈ টকা উৎকোচ লৈছে। ইয়াৰ পাছতো কিন্তু তেওঁলোকে আজিও অৰুণোদয় লাভ নকৰিলে। একেদৰে একাংশ দৰিদ্ৰ মহিলাই দালালক ধন দিব নোৱাৰাৰ বাবেই অৰুণোদয় লাভ নকৰা বুলি গুৰুতৰ অভিযোগ তুলিছে। বঞ্চিত হৈছে বিশেষভাৱে সক্ষম লোক আৰু দুখীয়া দৰিদ্ৰ বিধৱা মহিলা। যাৰবাবে বঞ্চিত লোকসকলে বিভিন্ন শ্ল'গানেৰে বৰবৰি গাঁও পঞ্চায়ত কাৰ্যালয়ৰ চৌহদ উত্তাল কৰি তোলে। আনহাতে, বঞ্চিত লোকসকলে পঞ্চায়তখনত অৰুণোদয় আঁচনিৰ হিতাধিকাৰীৰ বাচনিত সংঘটিত দুৰ্নীতিৰ সন্দৰ্ভত এক উচ্চপৰ্যায়ৰ তদন্ত কৰিবলৈকো মুখ্যমন্ত্ৰীক দাবী জনাইছে।

# চেঙাৰ সুখোৱাৰঝাৰত ই-ৰিক্সা দুৰ্ঘটনাত শিশুৰ কৰুণ মৃত্যু

**ই-সংবাদ, শিমলীতোলা, ১৮ মাৰ্চঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ আলোপতিচৰ আৰক্ষী থানাৰ অন্তৰ্গত সুখোৱাৰঝাৰত কালি এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। ৰাশ্বিদুল ইছলাম নামৰ এজন ই-ৰিক্সা চালকে ৰাস্তাৰে নিজৰ ৰিক্সা লৈ গৈ থকা অৱস্থাত নিয়ন্ত্ৰণ হেৰুৱাই সুখোৱাৰঝাৰৰ আনোৱাৰ হুছেইনৰ কণমানী শিশুপুত্ৰৰ ওপৰত ই-ৰিক্সাখন বাগৰি পৰে। স্থানীয় লোকে দিয়া ভাষ্য মতে ঘটনা সংঘটিত হোৱাৰ লগে লগে স্থানীয় কিছু ব্যক্তিয়ে আহি বাগৰিপৰা ই-ৰিক্সাখনৰ তলত পৰি থকা কণমানি শিশুটি গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱা প্ৰত্যক্ষ কৰি ততাতৈয়াকৈ চিকিৎসালয়লৈ প্ৰেৰণ কৰে যদিও কিছুসময় পিছতেই শিশুটিৰ মৃত্যু হোৱা বুলি পৰিয়ালৰ লোক নিশ্চিত হয়। উক্ত ঘটনাক কেন্দ্ৰ কৰি অঞ্চলজুৰি গভীৰ শোকৰ ছাঁ বিৰাজ কৰে। উল্লেখযোগ্য যে ই-ৰিক্সা চালকজনক ইতিমধ্যে গাঁওৰক্ষী বাহিনীয়ে আটক কৰি আলোপতিচৰ আৰক্ষীক খবৰ দিয়াত ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ পৰিস্থিতিৰ বুজ লৈ দুৰ্ঘটনা সংঘটিত কৰা AS18ER7107 ই-ৰিক্সাৰ সৈতে চালকজনক আটক কৰি থানালৈ লৈ যায়। স্থানীয় ৰাইজে অভিযোগ কৰে যে সাম্প্ৰতিক সময়ত কম বয়সীয়া প্ৰশিক্ষণ নথকা চালক, নম্বাৰ প্লেটবিহীন ই-ৰিক্সাৰ বাবে চৰাঞ্চলত প্ৰতিদিনে দুৰ্ঘটনা সংঘটিত হৈ আহিছে। এইবোৰ সময়ত নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে অনাগত দিনত ছাকলিন আহমেদৰ দৰে আৰু কিমান ফুল কুমলীয়া জীৱন আৰম্ভণিতে শেষ হৈ যাব তাৰ কোনো হিচাপ নাথাকিব। ই-ৰিক্সাৰ কম বয়সীয়া চালকসকলক নাকী লগাই দুৰ্ঘটনা সংঘটিত কৰা ৰাশ্বিদুলক আইনৰ দ্বাৰা উচিত শাস্তি প্ৰদান কৰিব লাগে বুলি ৰাইজে দাবী জনাইছে।

# চাবুৱাত আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ আৰম্ভণি



**ই-সংবাদ, চাবুৱা-লাহোৱাল, ১৮ মাৰ্চঃ** চাবুৱা সমষ্টিত শিশুৰ শাৰীৰিক আৰু মানসিক বিকাশৰ কাৰণে ধাৰাবাহিকভাৱে আদৰ্শ অংগনৱাড়ী কেন্দ্ৰবিলাক নিৰ্মাণ কৰি থকা হৈছে। অসম চৰকাৰৰ মহিলা আৰু শিশু কল্যাণ বিভাগৰ পানীতোলা সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনৰ জেৰাই ১নং চকলিভৰীয়া আৰু নিজ চাবুৱা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ দুটি ১৭ মাৰ্চত আনুষ্ঠানিকভাৱে নিৰ্মাণ কাৰ্যৰ আৰম্ভ কৰে স্থানীয় বিধায়ক পোনাকণ বৰুৱাই। আৰম্ভণি অনুষ্ঠানত অগপৰ চাবুৱা-লাহোৱাল সমষ্টি সমিতিৰ সভাপতি কৃষ্ণানন্দ দুৱৰা, অৱসৰপ্ৰাপ্ত উপায়ুক্ত দীপক বৰুৱা, মটক স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী পাৰিষদ বিমল বৰুৱাৰ লগতে বহুকেইজন গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

# মাজুলী জিলা ছাত্ৰ সন্থাৰ ড্ৰাগছবিৰোধী সমদল

**ই-সংবাদ, মধ্য মাজুলী, ১৮ মাৰ্চঃ** মাৰাত্মক ড্ৰাগছৰ প্ৰচলনে যুৱপ্ৰজন্মক কৰি অহা ক্ষতিৰ প্ৰতি লক্ষ্য ৰাখি ড্ৰাগছ প্ৰচলন বন্ধ কৰাৰ দাবীত, ড্ৰাগছ নামৰ ব্যাধি নিৰ্মূল কৰাৰ লক্ষ্যৰে ড্ৰাগছৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ উদ্দেশ্যে আজি সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত সদৌ মাজুলী জিলা ছাত্ৰ, মাজুলী জিলা উন্নতি সভা, অসম সেনা, মাজুলী জিলা সমিতিৰ উদ্যোগত মাজুলীতো বিভিন্ন সংগঠন আৰু ৰাইজৰ সহযোগত ড্ৰাগছ বিৰোধী সজাগতা সমদল কাৰ্যসূচী ৰূপায়ণ কৰে। জিলা সদৰ গড়মূৰত ৰূপায়ণ কৰা উক্ত কাৰ্যসূচীৰ জৰিয়তে ড্ৰাগছ বেপাৰীক সকীয়নী প্ৰদান কৰি যুৱ প্ৰজন্ম ধ্বংস হোৱা কাৰ্য সহ্য কৰা নহ'ব বুলি আছুৱে হুংকাৰ প্ৰদান কৰে। মাজুলী জিলা ছাত্ৰ সন্থাৰ ভাঃ সভাপতি প্ৰাঞ্জল শইকীয়া আৰু সাধাৰণ সম্পাদক দীপাংকৰ ৰাজখোৱাৰ নেতৃত্বত হোৱা উক্ত কাৰ্যসূচীত সদৌ অসম ছাত্ৰ সন্থাৰ সাংস্কৃতিক সম্পাদক বিতুপণ শৰ্মা, অসম উন্নতি




সভাৰ সম্পাদক দুলাল ভূঞা, অসম সেনাৰ আহ্বায়ক দীপক নেওগ, জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা সূৰ্যকুমাৰ ভূঞা, পৱিত্ৰ গোস্বামী, অজিত হাজৰিকা, মাজুলী জিলা উন্নতি সভাৰ সম্পাদক যদু কলিতা, মাজুলী জিলা যুৱ ছাত্ৰ পৰিষদৰ সভাপতি মুনিন্দ্ৰ ভূঞা, লেখিকা সমাৰোহৰ সভানেত্ৰী লখিমী শইকীয়া বৰাৰ লগতে সন্থাৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

# লোকনাথ কুটুমৰ মৃত্যুত শোকসভা

**ই-সংবাদ, মধ্য মাজুলী, ১৮ মাৰ্চঃ** মাজুলী মহাবিদ্যালয়ৰ অন্যতম প্ৰতিষ্ঠাপক গৰীয়া গাঁওবূঢ়াৰ পোষ্যপুত্ৰ, মাজুলীৰ চুমৈমাৰী গাঁও নিবাসী, শ্ৰীমন্ত শংকৰদেৱ মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, লোক সংস্কৃতিৰ অক্লান্ত সাধক, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত লোকনাথ কুটুমৰ আকস্মিক বিয়োগত আজি মাজুলী মহাবিদ্যালয়ত এখন শোকসভা অনুষ্ঠিত হয়। সভাত লোকশিল্পীগৰাকীৰ আকৰ্ষণীয় ব্যক্তিত্বৰ কথা বিশেষভাৱে উল্লেখ কৰি অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াই কয় যে লোকনাথ কুটুমৰ বিয়োগত মহাবিদ্যালয়খনিয়ে যেনেকৈ এগৰাকী অকৃত্ৰিম শুভচিন্তকক হেৰুৱালে, মাজুলীয়ে হেৰুৱালে এজন অক্লান্ত সাধকপুৰুষক। শিক্ষাবিদগৰাকীৰ বিদেহ আত্মাৰ চিৰশান্তি কামনাৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত শোকসভাত মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, জ্যেষ্ঠ অধ্যাপক ডঃ ৰাজেন চন্দ্ৰ বৰা, বিপুল ৰাজখোৱা, তুলসী ৰাজখোৱা, অপূৰ্বজ্যোতি হাজৰিকা, বসন্ত বৰা, কাৰ্তিক নাথ, দীনেশ পেগু, অভিনৱ শংকৰ গোস্বামী প্ৰমুখ্যে অধ্যাপক-কৰ্মচাৰীৰ লগতে ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

# গাছবাৰীত বিহু কৰ্মশালাৰ সামৰণি

**ই-সংবাদ, গোৰেশ্বৰ, ১৮ মাৰ্চঃ** গোৰেশ্বৰৰ সমীপৱৰ্তী গাছবাৰী আঞ্চলিক নাৰী সজাগতা সমিতিৰ উদ্যোগত গাছবাৰী হাইস্কুলৰ খেলপথাৰত সাতদিনীয়াকৈ অনুষ্ঠিত হোৱা বিহুনাচ আৰু বিহুবাদ্যৰ কৰ্মশালাৰ আজি সন্ধিয়া সামৰণি পৰে। গাছবাৰী নাৰী সজাগতা সমিতিৰ সভানেত্ৰী ইলাৰাণী নাথৰ পৰিচালনাত তথা দিক্ষিতা কলিতাই আঁতধৰা সামৰণি অনুষ্ঠানত বিহুনাচ আৰু বিহুবাদ্যৰ প্ৰশিক্ষক হিৰণ্ময়ী কলিতা আৰু ৰাজু বৰুৱাক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থাকে গোলাপী নাথ চহৰীয়া, লতিফ চৌধুৰী, নিকো বৰ্মণ আদিকে ধৰি কেইবাজনো লোক। নাৰী সজাগতা সমিতিয়ে কৰ্মশালা আয়োজনত নাৰী সজাগতা সমিতিৰ সদস্যা মইনা নাথ, ৰূপালী নাথ, হিমাদ্ৰী ডেকা, কাজল বৰ্মণ, মীনা নাথ বৰ্মণ, চিত্ৰালেখা বৰ্মণ, মইনা নাথ (কনিষ্ঠ), শিল্পা শৰণীয়া, নিবেদিতা শৰণীয়া, জুৰি শৰণীয়া আদিয়ে লোৱা ভূমিকাক অতিথিসকলে ভাষণত ভূয়সী প্ৰশংসা কৰে। উক্ত অনুষ্ঠানত কৰ্মশালাত অংশগ্ৰহণ কৰা ১২০ গৰাকী প্ৰশিক্ষাৰ্থীক একোখনকৈ প্ৰমাণ-পত্ৰ প্ৰদান কৰা হয়।

# ধনৰ অভাৱত মৃত্যুৰ সৈতে যুঁজি থকা মাকমোদুলৰ চিকিৎসা কৰিব পৰা নাই পৰিয়ালে

## জাকাত ফিৎৰাহ আৰ্থিক সাহায্য বিচাৰি ৰাইজলৈ আবেদন

**ই-সংবাদ, কলগাছিয়া, ১৮ মাৰ্চঃ** বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত খাৰবাল্লী গাঁৰৰ মাকমোদুল ইছলাম নামৰ এজন যুৱক শনিবাৰে গুৱাহাটীৰ পৰা ঘৰলৈ আহি থকা অৱস্থাত মুকালমুৱাত ভয়ংকৰ পথ দুৰ্ঘটনাত পতিত হয়। ই-ৰিক্সা আৰু দুচকীয়া বাহনৰ মুখামুখি সংঘৰ্ষত মাকমোদুল ইছলাম গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। ৰাইজে মাকমোদুলক বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰে যদিও অৱস্থা অতি সংকটজনক হোৱাত উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। পৰিয়ালৰ একমাত্ৰ উপাৰ্জনকাৰী মাকমোদুলক টকাৰ অভাৱত চিকিৎসা কৰিব পৰা নাই পৰিয়ালৰ লোকে। ফলত চিকিৎসালয়ৰ বিচনাত চটফটাই দিন পাৰ কৰিব লগা হৈছে। চিকিৎসকে জানিবলৈ দিয়া মতে মস্তিষ্কৰ অপাৰেচনৰ বাবে ৭/৮ লাখ টকাৰ প্ৰয়োজন। কোনোমতে দিন হাজিৰা কৰি পৰিয়াল পোহপাল দিয়া পৰিয়ালটিয়ে ইতিমধ্যে



ঘৰৰ ভেঁটি-মাটি বিক্ৰী কৰি উন্নত চিকিৎসাৰ বাবে প্ৰায় ২ লাখ টকা ব্যয় কৰিছে যদিও সেয়া পৰ্যাপ্ত হোৱা নাই। ইপিনে, দৰিদ্ৰ পৰিয়ালটিৰ ঘৰত উপযুক্ত উপাৰ্জনকাৰী নথকাত পবিত্ৰ ৰমজান মাহত পানীত হাঁহ নচৰা অৱস্থা হৈছে। ঈদ উপলক্ষে কণ কণ দুটা ল'ৰা-ছোৱালীয়ে এযোৰ নতুন কাপোৰৰ আশাত দেউতাৰ মুখলৈ চাই ঘৰত বহি আছে যদিও ফুটা কৰি এটকাও নাই পত্নীৰ হাতত। সেয়ে নিৰুপায় হৈ সদাশয় ৰাইজলৈ আৰ্থিক সাহাৰ্য্যৰ বাবে আহ্বান জনাইছে পৰিয়ালটিয়ে। জনীয়াৰ বিধায়ক ডঃ হাফিজ ৰফিকুল ইছলাম, সাংসদ ৰকিবুল হুছেইন, মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, মৌলানা বদৰুদ্দিন আজমল আদি ব্যক্তিৰ সুদৃষ্টি কামনা কৰিছে স্থানীয় ৰাইজে। সমূহ ৰাইজৰ লগতে ইছলাম ধৰ্মাৱলম্বীসকলৰ ওচৰত জাকাত, ফিৎৰাহৰ ধন বিচাৰি কাতৰ আহ্বান জনাইছে ভুক্তভোগী পৰিয়ালটিয়ে। দুৰ্ঘটনাত পতিত হোৱা মাকমোদুল ইছলামৰ পত্নী শ্বাহিদা খাতুনৰ নামত থকা অসম গ্ৰামীণ বিকাশ বেংকৰ কলগাছিয়া শাখাৰ একাউন্ট নম্বৰ 7108026043746 ত নাইবা আত্মীয়ৰ 9957470876 ফোন-পে' নম্বৰত সুহৃদয়ৱান লোকক সাহায্য প্ৰদান কৰিবলৈ কাতৰ আহ্বান জনাইছে পৰিয়ালটোৱে।

# মৰিয়নীত অৰুণোদয় আঁচনি ৰূপায়ণত ব্যাপক দুৰ্নীতিৰ অভিযোগ

**ই-সংবাদ, মৰিয়নি, ১৮ মাৰ্চঃ** মৰিয়নী সমষ্টিৰ ৫৬ নং দক্ষিণ কৰঙা গাঁও পঞ্চায়তৰ লুজনীয়া অঞ্চলৰ বহু দৰিদ্ৰ মহিলাৰ নাম আৰুণোদয় আঁচনিৰপৰা কৰ্তনৰ অভিযোগ উত্থাপন হৈছে। পূৰ্বৰেপৰা অৰুণোদয় আঁচনি লাভ কৰা অঞ্চলটোৰ দুখীয়া মহিলাৰ নাম কৰ্তন কৰাত মহিলাসকলৰ মাজত ক্ষোভৰ সৃষ্টি হৈছে। পঞ্চায়তখনৰ প্ৰাক্তন সভাপতি আৰু বিজেপিৰ স্থানীয় বুথ কমিটীৰ সভানেত্ৰীয়ে উদ্দেশ্যপ্ৰণোদিতভাৱে আঁচনিৰপৰা দুখিয়া মহিলাসকলৰ নাম কৰ্তন কৰাৰ অভিযোগ মহিলাসকলৰ। আঁচনিৰ তালিকাত ধনৱন্ত লোকৰ নাম সোমোৱাৰ বিপৰীতে বঞ্চিত হৈছে দৰিদ্ৰ পৰিয়াল। প্ৰাক্তন পঞ্চায়ত সভাপতি আৰু বুথ কমিটীৰ সভানেত্ৰীৰ বিৰুদ্ধে ব্যাপক স্বজন-তোষণৰ অভিযোগ মহিলাসকলৰ। অভিযোগকাৰী মহিলাসকলে প্ৰাক্তন সভাপতিজনৰ বিৰুদ্ধে জব কাৰ্ডৰ শ্ৰমিকক সময়ত মজুৰী নিদিয়া আৰু তেওঁৰ ব্যক্তিগত কৰ্মত জব কাৰ্ডৰ শ্ৰমিকক ব্যৱহাৰ কৰাৰো অভিযোগ উত্থাপন কৰে।

# 'নতুন কবিতা'ৰ বাবে লেখাৰ আহ্বান

**ই-সংবাদ, কলগাছিয়া, ১৮ মাৰ্চঃ** সদৌ অসম কবি সন্মিলনৰ নিয়মীয়া কবিতা বাৰ্তালোচনী 'নতুন কবিতা'ৰ ৰঙালী বিহু বিশেষ সংখ্যাটি অচিৰেই প্ৰকাশ পাব। সংখ্যাটিৰ সৈতে গোৱালপাৰা জিলাখন বিশেষভাৱে সংযোজিত হ'ব বুলি বিষয়ববীয়াসকলে জানিবলৈ দিছে। সেয়ে অসমৰ সকলো প্ৰান্তৰ লেখকৰপৰা কবিতা, অনুবাদ কবিতা, কাব্য গ্ৰন্থ পৰিচিতি, প্ৰকাশিতব্য গ্ৰন্থৰ বিজ্ঞাপন, কাব্যগ্ৰন্থ সমালোচনা, কবিতাৰ ওপৰত পৰ্যালোচনা আদিৰ উপৰিও কাব্যগ্ৰন্থ প্ৰকাশৰ খবৰ, শাখা বা জিলাত অনুষ্ঠিত হোৱা কাব্যানুষ্ঠানৰ বা-বাতৰি আদি বিচৰা হৈছে। আলোচনী সম্পাদনা সমিতিৰ সভাপতি তথা ফখৰুদ্দিন আলী আহমেদ একাডেমীৰ পৰিচালন সঞ্চালক ড° ইফতিকাৰ আলী আহমেদে ইচ্ছুক কবি-সাহিত্যিকসকলক তলৰ ঠিকনাত লেখা পঠিয়াবলৈ আহ্বান জনাইছে। ঠিকনা- মৃদুল কুমাৰ চহৰীয়া, সম্পাদক নতুন কবিতা, লোকপ্ৰিয় গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠান, তেজপুৰ- ৭৮৪০০১ আৰু ফোন নম্বৰ 7086608554/9435563302, ই-মেইলঃ sahariahmk@gmail.com নাইবা ড° ইফতিকাৰ আলী আহমেদ, ডাকঘৰ- কলগাছিয়া, জিলা-বৰপেটা- 781319, ফোন নম্বৰঃ 9435848415 আৰু গিৰিজা শৰ্মা, অতিথি সম্পাদক, গোৱালপাৰা জিলা বিশেষ, কলিতাপাৰা, ৱাৰ্ড নং- ৯, জিলা- গোৱালপাৰা- 783101, ফোন নম্বৰ: 7002580976। লেখাসমূহ অহা ৩০ মাৰ্চ তাৰিখৰ ভিতৰত পোৱাকৈ সদাশয় কবি, সাহিত্যিক, লেখকসকলক আহ্বান জনাইছে সভাপতি আৰু সম্পাদকগৰাকীয়ে।

# ৰঙিয়াত সাতসৰীৰ সৌজন্যত বিহুনৃত্য আৰু বাদ্য কৰ্মশালাৰ শুভাৰম্ভ

**ই-সংবাদ, ৰঙিয়া, ১৮ মাৰ্চঃ** ৰঙিয়াত সাতসৰীৰ সৌজন্যত কালিৰেপৰা সাদিনীয়াকৈ বিহু নৃত্য আৰু বাদ্য কৰ্মশালাৰ আৰম্ভ হৈছে। তদুপলক্ষে আয়োজিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত অংশগ্ৰহণ কৰি কৰ্মশালাৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে স্থানীয় বিধায়ক ভবেশ কলিতাই। সম্পাদিকা নয়নিকা শৰ্মাই আঁতধৰা অনুষ্ঠানটোত সমৱেত ৰাইজক উদ্দেশ্যি প্ৰদান কৰা উদ্বোধনী ভাষণত অসমীয়া জাতীয় জীৱনৰ আপুৰুগীয়া সম্পদ বিহুনৃত্যই বিশ্ব দৰবাৰত স্থান লাভ কৰাৰ সময়তে সাতসৰীয়ে নৱপ্ৰজন্মৰ মাজত প্ৰশিক্ষণৰ কাৰ্যসূচী হাতত লোৱাতো স্বাভাৱিকতে ইতিবাচক পদক্ষেপৰূপে অভিহিত কৰে বিধায়কগৰাকীয়ে। ৰঙিয়া শিক্ষক শিক্ষা প্ৰতিষ্ঠান ক্ষেত্ৰত অনুষ্ঠিত কৰ্মশালাত মুখ্য প্ৰশিক্ষকৰূপে ৰাজু বেজবৰুৱাৰ লগতে ব্ৰজেন টেৰণ, জিত হাঁলৈ, অৱন্তিকা বৰুৱা প্ৰমুখ্যে আন কেবাগৰাকী প্ৰশিক্ষকে প্ৰশিক্ষণ প্ৰদান কৰিব।

## ৪ উইকেটত পৰাস্ত উদয়
# নগাঁও আন্তঃক্লাব ক্রিকেটত চেম্পিয়ন খুটিকটীয়া ক্লাব

**ই-সংবাদ ক্রীড়া সেৱা, নগাঁও, ১৮ মাৰ্চঃ** নগাঁও ক্রীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত আজি সফলতাৰে সমাপ্তি ঘটা চলিত বৰ্ষৰ আন্তঃক্লাব ক্লাষ্টাৰ-৩ ক্রিকেট প্ৰতিযোগিতাত খুটিকটীয়া ইয়ুথ ক্লাবে (কেৱাইচি) চূড়ান্ত বিজয়ী খিতাপ অৰ্জন কৰিছে। এই প্ৰতিযোগিতাৰ আজিৰ ফাইনেলত কেৱাইচিয়ে উদয় সংঘক চাৰি উইকেটত পৰাজিত কৰে। খেলখনত উদয় সংঘই পোনতে বেট ধৰি গুড্ডু নাটৱালৰ অপৰাজিত-১৫ ৰাণৰ উল্লেখনীয় বৰঙণি স্বত্বেও বিপক্ষৰ খেলুৱৈৰ বিধ্বংসী বলিঙৰ প্ৰকোপত ১৪.১ অভাৰতে সকলোকেইটা উইকেট হেৰুৱাই ৬৩ ৰাণ সংগ্ৰহ কৰে। বলিঙত কেৱাইচিৰ হৈ নৱজ্যোতি লস্কৰে তিনিটা, পূৰ্ণকান্ত মেধি আৰু ইনামুল হকে দুটাকৈ তথা দীপজ্যোতি কলিতাই এটা উইকেট পায়। প্ৰত্যুত্তৰত কেৱাইচিয়ে দেৱজিৎ শইকীয়াৰ-২৫, দীপজ্যোতি কলিতাৰ অপৰাজিত-১৩ আৰু মৃন্ময় বৰাৰ-১২ ৰাণৰ উল্লেখনীয় বৰঙনিৰে ১৩.৪ অভাৰতে ছটা উইকেটৰ বিনিময়ত ৬৪ ৰাণ সংগ্ৰহৰে বিজয় লক্ষ্যত উপনীত হয়। বলিঙত উদয় সংঘৰ হৈ মোহিত বাগলাৰীয়ে তিনিটা, চিত্তৰঞ্জন বৰা, বাবু আৰু গুড্ডু নাটৱালে এটাকৈ উইকেট দখল কৰে। কেৱাইচিৰ নৱজ্যোতি লস্কৰক ফাইনেলৰ প্লেয়াৰ অব দ্যা মেচ, ইনামুল হকক প্লেয়াৰ অব দ্যা টুৰ্ণামেণ্ট আৰু বায়ু ক্লাবৰ অংকিত কুমাৰক একমাত্ৰ শতৰাণ কৰাৰ বাবে পুৰস্কৃত কৰা হয়।

প্ৰতিযোগিতাৰ অন্তত নগাঁও ক্রীড়া সংস্থাৰ ক্রিকেট শাখাৰ সম্পাদক মৃনাল কুমাৰ হাজৰিকাই আঁতধৰা সামৰণি অনুষ্ঠানত বিশিষ্ট ক্রীড়া সংগঠক প্ৰদীপ কুমাৰ হাজৰিকা আৰু প্ৰশান্ত কুমাৰ বৰাৰ লগতে অসীম কুমাৰ ভাৱাল, উজ্জল বৰুৱা, অমিতাভ বৰা, দেৱজিৎ দাস, এম কে হাজৰিকা, ৰজত বৰদলৈ, দেৱজ্যোতি গোস্বামী, গৌৰীশংকৰ ৰয় আৰু কণ্ঠীৰাম ৰাজা আদিৰ উপস্থিতিত বিভিন্ন বঁটাসমূহ বিতৰণ কৰা হয়।




আইপিএলৰ অনুশীলনৰ মাজতে অনুৰাগীৰ সৈতে কৰমৰ্দন বিৰাট কোহলিৰ



বেলি লহিওৱাৰ পৰত কাঁসাই নদীৰ বুকুৰে ঘৰমুৱা চৰিয়াল আৰু এজাক সপোন! ফটোঃ সিদ্ধাৰ্থ চক্ৰবৰ্তী

## অষ্ট্ৰেলিয়ান তাৰকা ৱাৰ্নাৰক লৈ নেট দুনীয়াত জল্পনা-কল্পনা
# অভিনয়ৰ পিছত এইবাৰ ৰাজনীতিত ভৰি দিব ডেভিড ৱাৰ্নাৰে!

**ছিডনী, ১৫ মাৰ্চঃ** কিছুদিন পূৰ্বেই ভাৰতীয় চিনেমাত প্ৰৱেশৰ কথা ঘোষণা কৰিছিল ডেভিড ৱাৰ্নাৰে। এইবাৰ অষ্ট্ৰেলিয়ান তাৰকা ক্রিকেটাৰগৰাকীয়ে ৰাজনীতিৰ পথাৰতো ভৰি দিয়াক লৈ আৰম্ভ হৈছে জল্পনা-কল্পনাৰ। তেওঁৰ গুৰুত্ব সম্পূৰ্ণৰূপে সংসদৰ সদস্য হোৱাৰ ওপৰত। অষ্ট্ৰেলিয়াৰ বিভিন্ন ঘৰুৱা বিষয়ত নিজৰ মতামত প্ৰকাশ কৰাৰ উপৰিও ৰাজনীতিত প্ৰৱেশৰ আগ্ৰহৰ বিষয়ে ছ'চিয়েল মিডিয়াত তেওঁৰ পোষ্টক কেন্দ্ৰ কৰি জল্পনা-কল্পনাৰ সৃষ্টি হৈছে। ৱাৰ্নাৰে প্ৰথমে এক্স হেণ্ডেলত পোষ্ট কৰিছিল, "মোৰ মতে এইবাৰ মই ৰাজনীতিত প্ৰৱেশ কৰি সংসদৰ সদস্য হোৱা উচিত। আপোনাৰ মতামত কি?" এই পোষ্টটো দেখি প্ৰথমতে নেটিজেনসকলে অলপ আচৰিত হৈছিল। বহুতে বিভ্ৰান্ত হৈছে যে তেওঁ কোনখন দেশত নিৰ্বাচন প্ৰতিদ্বন্দ্বিতা কৰাৰ কথা কৈছে, ভাৰত নে অষ্ট্ৰেলিয়া? বহু ভাৰতীয়ইও এই সন্দৰ্ভত মন্তব্য কৰে। ভাৰতত ইতিমধ্যে ৱাৰ্নাৰ যথেষ্ট জনপ্ৰিয়। শেহতীয়াকৈ তেওঁ এখন তেলেগু ছবিত অভিনয় কৰাৰ কথাও ঘোষণা কৰিছে। অৱশ্যে বিষয়টো কিছু সময়ৰ পাছত স্পষ্ট হৈ পৰিল। এজনৰ প্ৰশ্নৰ উত্তৰত ৱাৰ্নাৰে আন এটা পোষ্টত লিখিছে, "সকলোৱে কি ভাবিছে আৰু কি বিচাৰে সেইটো জানিলে ভাল হ'ব। আয়কৰ হ্ৰাস কৰা, ৰাইজৰ হাতত অধিক ধন দিয়া, জিএছটি বৃদ্ধি কৰা, কোনটো সলনি কৰিব লাগে নাজানো। কিন্তু প্ৰথমে আমি আমাৰ ঘৰখন ৰক্ষা কৰিব লাগিব। সকলোৱে, অষ্ট্ৰেলিয়াৰ সামগ্ৰী সমৰ্থন কৰক।" তাৰ পিছত জল্পনা-কল্পনা বিয়পি পৰিল, ৱাৰ্নাৰে এইবাৰ ৰাজনীতিত প্ৰৱেশ কৰিব নেকি? উল্লেখ্য যে, ইয়াৰ পূৰ্বে ৰাজনীতিত যোগদান কৰা অষ্ট্ৰেলিয়ান ক্রিকেটাৰৰ সংখ্যা অতি কম। এনে পৰিপ্ৰেক্ষিতত ৱাৰ্নাৰৰ এই পোষ্টে নেটিজেনৰ মাজত জল্পনা-কল্পনাৰ সৃষ্টি কৰিছে।




newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি